লক্ষা মহাবিদ্যালয়
স্থাপিত : ১৯৭৬
নমসো মা জ্যোতির্গময়

লক্ষা মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

# বংমঘলা জেউতি

● ২২ সংখ্যক প্ৰকাশ ● ২০১৯-২০ বৰ্ষ




তত্বাৱধায়ক অধ্যাপক
**কমলেশ্বৰ কলিতা**

সম্পাদক
**বিশ্বদ্বীপ পাল**

# মহাবিদ্যালয়ৰ স্মৰণীয় মুহূৰ্তৰ কিয়দংশ দৃশ্যপট



গণৰাজ্য দিৱসত হোজাই জিলা প্ৰশাসনৰ দ্বাৰা প্ৰদান কৰা প্ৰশংসা পত্ৰ



অধ্যক্ষ মহোদয়ৰ লগত ছাত্ৰ একতা সভাৰ একাংশ সদস্য



অৰ্থনৈতিক অনগ্ৰসৰ শিক্ষাৰ্থীসকলক [illegible] বিতৰণ



লংকা মহাবিদ্যালয়ৰ উদ্যোগত কভিড-১৯ সজাগতা অভিযান



লংকা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত 'স্বচ্ছ ভাৰত অভিযান'



লংকা মহাবিদ্যালয়ৰ NSS Group



বিশ্ব পৰিৱেশ দিৱস উপলক্ষে বৃক্ষ ৰোপণ



আন্তঃৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতাত [illegible]

# ৰংমহলা জেউতি

## লঙ্কা মহাবিদ্যালয় আলোচনী

২২ সংখ্যক প্ৰকাশ, ২০১৯-২০ বৰ্ষ

তত্ত্বাৱধায়ক অধ্যাপক

শ্ৰীযুত কমলেশ্বৰ কলিতা

সম্পাদক

শ্ৰী বিশ্বদ্বীপ পাল

আন্তৰিক শুভকামনাৰে—

শ্ৰী / শ্ৰীমতী ..........................................................................

..........................................................................................

২২ সংখ্যক 'ৰংমহলা জেউতি'ৰ সংখ্যাটো আগবঢ়ালো।

বংমহলা জেউতি ঃ ২২ সংখ্যক বার্ষিক আলোচনী, লঙ্কা মহাবিদ্যালয়, প্ৰকাশক - লঙ্কা মহাবিদ্যালয় ছাত্ৰ একতা সভা, লংকা, হোজাই, অসম

| | | |
|---|---|---|
| সভাপতি | ঃ | ড° অমৰজিৎ সিং ভুই |
| উপ-সভাপতি | ঃ | শ্ৰীযুত ডিম্বেশ্বৰ কলিতা |
| তত্বাৱধায়ক | ঃ | শ্ৰীযুত কমলেশ্বৰ কলিতা |
| সম্পাদক | ঃ | শ্ৰী বিশ্বদ্বীপ পাল |
| শিক্ষক সদস্য / সদস্যা | ঃ | শ্ৰীযুত ইন্দ্ৰমোহন হাজৰিকা (অসমীয়া বিভাগ)<br>শ্ৰীযুতা নাহিদ মজুমদাৰ (বাংলা বিভাগ)<br>ড° অনুৰাধা চৌধুৰী (ইংৰাজী বিভাগ)<br>ড° নিবেদিতা নাথ (হিন্দী বিভাগ)<br>শ্ৰীযুত কে. থাবুংজাও মিতৈ (মণিপুৰী বিভাগ)<br>শ্ৰীযুতা সবিতা পাঠক (নেপালী বিভাগ) |
| ছাত্ৰ সদস্য | ঃ | শ্ৰী ৰত্নেশ্বৰ দাস<br>শ্ৰী বিশাল সেন |
| প্ৰচ্ছদ পৰিকল্পনা | ঃ | শ্ৰীযুত কমলেশ্বৰ কলিতা, শ্ৰী বিশ্বদীপ পাল |
| মুদ্ৰণ | ঃ | পপুলাৰ প্ৰেছ<br>নগাওঁ ৰোড, লংকা<br>ফোন ঃ ৭০০২২৭৯০০২, ৮৬৩৮৬৫৪৬২৪ |

বিঃ দ্ৰঃ - সম্পাদনা সমিতিয়ে মৌলিক ৰচনাবোৰ প্ৰকাশৰ বাবে আহ্বান কৰিছিল। কিন্তু কোনোবাই যদি অন্য কোনো ৰচনাৰ পৰা নকল কৰি প্ৰকাশৰ বাবে যোগান ধৰিছে তাৰ বাবে সম্পাদনা সমিতি দায়ী নহয়।

— সম্পাদনা সমিতি



# উচৰ্গা

যোৱাটো বৰ্ষত দেশৰ বিভিন্ন ক্ষেত্ৰত নিজৰ নিজৰ
সাধনালব্ধ কৰ্মৰে অৱদান আগবঢ়াই আমাৰ মাজৰ পৰা
চিৰদিনৰ বাবে হেৰাই যোৱা মহান ব্যক্তি সকলৰ পবিত্ৰ
স্মৃতিত লঙ্কা মহাবিদ্যালয়ৰ ২২ সংখ্যক
'ৰংমহলা জেউতি' উচৰ্গা কৰিলো।

— সম্পাদনা সমিতি

# ABOUT LANKA MAHAVIDYALAYA

**Lanka Mahavidyalaya** was **established on 20th July, 1979** in the Northern outskirt of Lanka town which is situated in the southern most part of the Hojai district of Assam. Lanka is situated at the distance of 180 KM from Guwahati, the capital city of Assam and 10 KM from the district Headquarter town Hojai which is well connected by both Train and Bus. The site where the college stands today spread over an area of 17 Acres amid green surrounding on the bank of a big pond covering an area about 9 Acres.

Lanka Mahavidyalaya is an affiliating college of Guwahati University and enlisted under University Grant Commission (UGC) having 2(f) and 12(b) recognitions of UGC, offering Higher Secondary (10+2) and Three Year Degree Courses in Arts and Commerce Stream. The college started its mission with only 130 students at Lanka High School Premises & shifted to present campus in 1982. At present the college is having a total of more than 2000 enrolments which reflect the progress of the institution day by day.

The college has been accredited by **National Assessment and Accreditation Council (NAAC)** for the **First Cycle in February, 2005** with **'B' Grade** and for **Second Cycle in November, 2015** with **'B' Grade** with **CGPA of 2.62**.



সৰ্বানন্দ সোণোৱাল

সত্যমেৱ জয়তে

মুখ্যমন্ত্ৰী, অসম
গুৱাহাটী



দিছপুৰ
১৯-৮-২০২০

## শুভেচ্ছাবাণী

ঐতিহ্যমণ্ডিত লংকা মহাবিদ্যালয়ৰ ২২ সংখ্যক বাৰ্ষিক আলোচনী 'ৰংমহলাজেউতি' প্ৰকাশৰ বাবে যো-জা চলোৱা হৈছে বুলি জানিবলৈ পাই মই সুখী হৈছোঁ।

সমাজ এখনক আলোকৰ বাটেৰে আগুৱাই নিয়াৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা অপৰিসীম। শক্তিশালী সামাজিক স্তৰ নিৰূপণ আৰু বিকাশৰ গতি ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত শিক্ষাই সদায়ে শক্তিশালী পৰিকাঠামো নিৰ্মাণ কৰে। শিক্ষাই মানুহৰ বিবেকক স্পৰ্শ কৰি জ্ঞানৰ বাটেৰে আগুৱাই যোৱাৰ বাবে পৰিৱেশ নিৰ্মাণ কৰাৰ লগতে সৃজনীশীল চিন্তাধাৰাৰ উন্মেষত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এই ক্ষেত্ৰত শিক্ষানুষ্ঠানসমূহে বিদ্যাৰ্থীসকলক গুণগত শিক্ষা প্ৰদানেৰে প্ৰকৃত মানৱ সম্পদ হিচাপে গঢ়ি তোলাৰ দিশত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰি আহিছে। লংকা মহাবিদ্যালয়ে ইয়াৰ জন্মলগ্নৰে পৰা শিক্ষাৰ উৎকৰ্ষ সাধনৰ বাবে নিৰলস প্ৰয়াস চলাই অহাটো আশাপ্ৰদ দিশ। শিক্ষানুষ্ঠানৰ আলোচনী এখনে শিক্ষাৰ্থীসকলক জ্ঞান আহৰণৰ সুযোগ প্ৰদান কৰাৰ উপৰি বৌদ্ধিক চেতনাবোধ জাগ্ৰত কৰাৰ দিশত ইতিবাচক ভূমিকা গ্ৰহণ কৰে। লংকা মহাবিদ্যালয়ৰ আলোচনীখনে শৈক্ষিক বাতাৱৰণ গঢ়ি তোলাৰ ক্ষেত্ৰত অধিক উৎসৰ্গিত মনোভাৱেৰে আগবঢ়াৰ দিশত সংশ্লিষ্ট সকলোকে অধিক প্ৰেৰণা যোগাব বুলি আশা কৰিলোঁ।

মই লংকা মহাবিদ্যালয়ৰ আলোচনীখন সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশৰ কামনা কৰাৰ লগতে আলোচনীখনে সকলোৰে পৰা সমাদৰ লাভ কৰিব বুলি আশা কৰিলোঁ।

(সৰ্বানন্দ সোণোৱাল)

DR. HIMANTA BISWA SARMA, Ph.D., LLB
Minister, Assam

सत्यमेव जयते

Finance, Transformation & Development,
Education, Health & Family Welfare and
Public Works Department.



## Message

I am glad to learn that Lanka Mahavidyalaya, Nagaon is going to publish the 22nd issue of its annual college magazine 'Rangmahala Jeuti'.

Writing itself is an exhaustive and pleasant experience. At the same time, it is one of the most difficult yet productive skills too. Endeavour like publishing a magazine encourages students to think and write and, in this process, they develop their writing skills and learn to express their own ideas in a good form.

I applaud the endeavour of publishing the magazine and hope that the august publication will be richly endowed with contributions from the teaching community too and will make interesting reading.

(HIMANTA BISWA SARMA)

E-Block, 3rd Floor, Janata Bhawan, Dispur, Guwahati-781 006, Assam
Tel No.: 0361-2237315, Fax.: 0361-2237012
e-mail: himantab@hotmail.com/ himantabsarmaoffice@gmail.com

# RABINDRANATH TAGORE UNIVERSITY

HOJAI (ASSAM) - 782435

Prof. Amalendu Chakrabarty
Vice-Chancellor

(M) 9435346359

Date: 10th September, 2020



# Message

It's a great pleasure to me having known that Lanka Mahavidyalaya Students' Union is going to publish their annual journal. I am further delighted to know that the journal is titled as *Rangmahala Jeuti, Rangmahala* means 'pleasure-house' and Jeuli means 'light'. In this title, light of knowledge and pleasure of harmony has intersected. This takes me to Radhakrishnan's remark where he said, "Man is one whole. The intellectual, the intuitive and the artistic sides should be developed in proper proportion. A balanced education means harmonious development."

This journal will reflect writings by both teachers and students. I hope this endeavour of the Student's Union gets materialized through the writings which are going to be published in this journal and guide the upcoming generations.

On account of such laudable initiative of spreading and enriching knowledge through the publication of the annual magazine, I wish success to the Students' Union of Lanka Mahavidyalaya, Lanka. May this provide a platform to showcase the writing skills of the budding writers.

My best wishes for their creative attempt.

(Amalendu Chakrabarty)

"All life is only a lavish and manifold opportunity given us to discover, realize and express the Divine.

\- Sri Aurobindo



# Message

Lanka Mahavidyalaya was established on 20th July 1979 in the Southern most part of Hojai District of Assam by some visionaries with a vision for advancement of the greater Lanka. At the height of adversity these visionaries have only thought of creating a temple of knowledge. The tiny seed, now grown into a mighty tree, has been very fondly offering numberless education lovers its calm shade throughout years. Our endeavour, years after years, have been to keep adding to the temple so as to create wonderful windows of opportunity for all who pass out from this institution.

I along with my team of teachers and office staff, intended to build on this strong foundation and raise the standard in all spheres, to the zenith. Since its acquisition of the NAAC accreditation in 2015, Lanka Mahavidyalaya has been looking to further enhance the quality and scope of its education institution and to increase and improve its infrastructural facilities. The college has recently completed a well equipped indoor stadium, a language lab a computer lab for the use of the students. The college has completed the construction of ground floor of 'KKHSOU' office building in the campus.

During the covid pandemic period the college fraternity along with coordinator of IQAC organised fourteen national and three international webinars. The teachers have managed the online classes. The results of major students are almost 100% pass in most of the departments.

I appreciate the guidance of the Governing Body and participation of teaching, office staff, students and parents in the endeavour towards excellence. The college is focused on its vision and the strategies for carrying it out for the socio economic development of the greater surrounding areas of Lanka.

Last but not the least I congratulate prof Kamaleswar Kalita prof in charge of college magazine 'Rangmahala Jeuti' . Sri Bishwadeep Paul secretary of college magazine and entire team of editorial board for publishing the magazine in time. A college magazine is a mirror of the college life. It reflects the literary, educational and sports activities going on in the college. It projects the important events celebrated in the college during a certain month or year. The young writers and poets get an excellent opportunity for displaying their talent. Essays short stories, poems, informative articles are written by students and teachers are published in the magazine. This cultivates a literary taste among the students.

Dr. Amarjit Singh Bhui. M.A., Ph.D., LLB
Principal
Lanka Mahavidyalaya

## শুভেচ্ছাবাণী

"ৰংমহলা জেউতি" লঙ্কা মহাবিদ্যালয় পৰিয়ালৰ সদস্যসকলৰ বিশেষকৈ, ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশৰ এক উল্লেখযোগ্য মাধ্যম হিচাপে ভূমিকা পালন কৰি আহিছে। "ৰংমহলা জেউতি"য়ে ইংৰাজী, অসমীয়া, বাংলা, হিন্দী, মণিপুৰী আৰু নেপালী ভাষাৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীসকলৰ চিন্তাৰ প্ৰতিফলনত সহায় কৰি আহিছে।

আজিৰ ছাত্ৰ-ছাত্ৰীসকল অহা কালিৰ ৰাষ্ট্ৰ স্ৰষ্টা। মহাবিদ্যালয়ৰ আলোচনী এখনে ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰাই নেতৃত্ব দিব পৰা ব্যক্তি সৃষ্টি কৰাৰ ক্ষেত্ৰতো অতুলনীয় ভূমিকা পালন কৰিব পাৰে।

আমাৰ "ৰংমহলা জেউতি"য়ে ঐক্য আৰু সংহতিৰো বাৰ্তা বহন কৰে। সেয়েহে মই "ৰংমহলা জেউতি"ৰ উত্তৰোত্তৰ শ্ৰীবৃদ্ধি কামনা কৰিলো ।

শ্ৰী ডিম্বেশ্বৰ কলিতা
সমন্বয়ক শৈক্ষিক পৰিষদ
লঙ্কা মহাবিদ্যালয়



# ছবি-ছায়া

'আপুনি যেতিয়া অনুসন্ধিৎসু হয় তেতিয়া আপুনি বহুত আকৰ্ষণীয় কাম কৰিবলৈ বিচাৰি পায়।' — কথাষাৰ কৈছিল আমেৰিকান অভিনেতা-উদ্যোগী ব্ৰান্ট ভিজনীয়ে। অনুসন্ধিৎসু প্ৰৱণতা বিজ্ঞানৰ ক্ষেত্ৰত যেনেকৈ প্ৰধান সমল হিচাপে স্বীকৃত হৈ আহিছে তেনেকৈ ই বহুপৰিমাণে সাহিত্যৰ ক্ষেত্ৰখনকো সাঙুৰি আছে। অকল সাহিত্যই নহয়, চিন্তা, চেতনা, জ্ঞানৰ বিকাশ সমৃদ্ধি সকলোতে ইয়াৰ সত্যতা সৰ্বাধিক। সৌন্দৰ্যত্মিক অনুভূতিৰ পৰা নান্দনিক জীৱন চৰ্চালৈকে হওঁক বা জীৱনক যোগাত্মক দিশেৰে গতিপ্ৰাপ্ত কৰিবলৈকেই হওঁক -ইয়াৰ ভূমিকা অনন্য। সাহিত্যই এই অনুসন্ধিৎসু প্ৰৱণতাক এটা সু-শৃংখল ৰূপত তুলি ধৰে। মানুহৰ জীৱন যাত্ৰাক প্ৰত্যয় আৰু আবেদনময়ী কৰি তোলাত সহায় কৰে। ক'ব পাৰি - সাহিত্য অনুসন্ধিৎসু প্ৰৱণতাৰ পৰা উদ্ভৱ হোৱা মানুহৰ পৰম সত্যৰ নিৰ্ভুল আৰু যোগাত্মক বিশ্লেষণ। প্ৰমূল্যবোধৰ একোখন চিত্ৰৰ সৃষ্টিৰে শব্দৰ আধাৰত সমাজৰ ভিন্ন দিশ নিজৰ মাজত তুলি লৈ সাহিত্যই মানুহক মানৱীয় জগতৰ সঁচা ৰূপ দেখুৱায়। গতিকে নিঃসন্দেহে ক'ব পাৰি শিক্ষাৰ্থীৰ অনুসন্ধিৎসু প্ৰৱণতাৰ সঠিক দিগ্ দৰ্শনত সাহিত্যৰ প্ৰয়োজন আছে। জীৱনৰ সঁচা ৰূপ-বিশ্লেষণৰ মুখামুখি হ'বলৈকে সাহিত্যৰ প্ৰয়োজন অনস্বীকাৰ্য। শান্তিৰ সপক্ষে থিয় হ'বলৈকেতো সুন্দৰৰ আৰাধনা - যাক বহন কৰে সাহিত্যই।

এনে এটা উদ্দেশ্যেৰে প্ৰতিবছৰে 'ৰংমহলা জেউতি'ৰ প্ৰকাশ হৈ আহিছে। লঙ্কা মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ মনৰ প্ৰসাৰতাৰ স্বাৰ্থতে বাৰ্ষিক মুখপত্ৰ 'ৰংমহলা জেউতি' উৎসৰ্গিত। এইবাৰ কৰ'ণা মহামাৰীৰ পৰিপ্ৰেক্ষিতত যি পৰিমাণে বিভিন্ন লেখা সংগ্ৰহ হ'ব লাগিছিল, সেই পৰিমাণে সংগ্ৰহ কৰিব পৰা নহ'ল। সেয়েহে সম্যক বিচাৰ ধাৰাৰে সংগৃহীত লেখাসমূহৰ কোনোধৰণৰ অস্ত্ৰোপচাৰ নকৰি মুখপত্ৰখনত ঠাই দিয়া হৈছে।

মুখপত্ৰখনত লেখা আগবঢ়োৱা শিক্ষাৰ্থীসকলৰ লগতে অধ্যাপক, অধ্যাপিকাসকলৰ শলাগ লৈছো। মুখপত্ৰখন প্ৰকাশৰ পথলৈ লৈ অনাত লঙ্কা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ অমৰজিৎ সিং ভুই মহোদয়ৰ প্ৰেৰণামূলক তাগিদা আছিল যথেষ্ট উৎসাহজনক। এই ছেগতে অধ্যক্ষ মহোদয়ৰ সমন্বিতে অতি কম সময়ৰ ভিতৰত লেখাসমূহ নিৰ্বাচন কৰি তাক পৰিপাটিকৈ চাই দিয়া মুখপত্ৰখনৰ কাৰ্যকৰী সমিতিৰ সকলো সদস্যলৈ আন্তৰিক কৃতজ্ঞতা যাচিছো। অতি একাগ্ৰতা আৰু আগ্ৰহেৰে মুখপত্ৰখনৰ প্ৰকাশত মনোনিৱেশ কৰা শ্ৰীমান বিশ্বদীপ পাললৈ স্নেহ যাচিলো। মুখপত্ৰখন নিয়াৰীকৈ ছপা আকাৰত আমাৰ হাতত তুলি দিয়াৰ বাবে পপুলাৰ প্ৰেছৰ সকলো কৰ্মচাৰীৰ শলাগ লৈছো। শেষত শিক্ষাৰ্থীৰ সৃজনশীলতাক উদ্বুদ্ধ কৰিবলৈ পঢ়ুৱৈ সমাজে এনে প্ৰচেষ্টাক আদৰি ল'ব বুলি আশা কৰিছো।

**কমলেশ্বৰ কলিতা**

**তত্ত্বাৱধায়ক, ৰংমহলা জেউতি**

# প্ৰাক্তন উপাধ্যক্ষৰ কলম



আজি আমি মৰ্মান্তিকভাৱে প্ৰত্যেকে অনুভৱ কৰিছো যে— সময় এতিয়া বৰ কঠিন। চৌদিশে বিপৰ্যস্ত আমাৰ আশা। তথাপিও ইয়াৰ মাজেৰেই আমি সৎচিন্তাৰে, সৎভাৱনাৰে আগুৱাই গৈ সমাজ তথা দেশক সংস্কাৰ কৰি মানৱতাৰ পথ নিদৰ্শ"ন কৰিব লাগিব। চাৰিওফালে চলি থকা দুষ্কৃতি, অপ্ৰীতি, সংঘাত, সংঘৰ্ষ, সন্ত্ৰাস, লুণ্ঠন— এইবোৰৰ বিৰুদ্ধে আমি সচেতন হৈ চকু মেলি চোৱাৰ দৰকাৰ। বিভিন্ন সমস্যাৰে জৰ্জৰিত আমাৰ সমাজখনক সঠিক পথলৈ ওভতাই আনিব লাগিব আজিৰ নব প্ৰজন্মই। ইয়াৰ বাবে আমাৰ যুৱ তথা ছাত্ৰশক্তিৰ দায়িত্ব অসীম। বিভিন্ন অনৈতিকতাৰ, সমস্যাৰ বিৰুদ্ধে মাত মাতি নিজৰ সচেতনতা আৰু সংগ্ৰামী সত্বাৰ পৰিচয় দিব পাৰিব লাগিব। তেতিয়াহে এখন দুৰ্নীতি, শোষনমুক্ত সমাজ গঠন হ'ব।

আমি কব পাৰো যে— বিভিন্ন জাতি-জনগোষ্ঠী, ধৰ্মালম্বীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মিলন স্থান, "অনৈক্যৰ মাজত ঐক্য"ৰ এক নিদৰ্শন স্বৰূপ— এই লঙ্কা মহাবিদ্যালয়ৰ বিভিন্ন দিশসমূহ প্ৰতিফলিত কৰাৰ উপৰিও বাৰ্ষিক আলোচনী "ৰংমহলা জেউতি"য়ে ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল প্ৰতিভা বিকাশত এক মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে। ইং ১৯৮৭-৮৮ চনৰ পৰাই বৰ্ত্তমানলৈকে অবিৰতভাৱে এই মুখপত্ৰখনিয়ে লঙ্কা মহাবিদ্যালয়লৈ সাহিত্যিক দিশত গৌৰৱ কঢ়িয়াই আনিছে। তদুপৰি আটাইতকৈ গৌৰৱৰ কথা যে, লঙ্কা মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ "ৰংমহলা জেউতি"ত ৬ (ছয়) টাকৈ ভাষাৰ সন্নিবিষ্ট হয়। অসমৰ বহুতো শিক্ষানুষ্ঠানৰ ভিতৰত নিশ্চয় ই বিৰল।

সদৌশেষত, কব খুজিছো যে— আমাক একলম লিখিবলৈ সুবিধা দিয়াৰ বাবে আলোচনীখনৰ তত্বাৱধায়ক, মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, ছাত্ৰ একতা সভাৰ সভাপতি তথা আলোচনী সম্পাদকৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰীবৃন্দক অশেষ ধন্যবাদ জ্ঞাপন কৰিলো।

শিক্ষানুষ্ঠান এখনত এখন আলোচনী বা মুখপত্ৰৰ প্ৰয়োজন খুবেই বেছি। কিয়নো আলোচনী এখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশ হয়। সমাজ আৰু সংস্কৃতিৰ চৰ্চা হয়। লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মৌলিক চিন্তা-চৰ্চাৰ মুক্ত আৰু গণতান্ত্ৰিক প্ৰতিফলন ঘটে। তদুপৰি এখন মুখপত্ৰই অনুষ্ঠানটিৰ কথা সদায় মনত পেলাই থাকে। এখন দেশ আৰু এটা জাতিৰ বৌদ্ধিক আৰু সাংস্কৃতিক বিকাশত আলোচনী বা মুখপত্ৰ এখনৰ ভূমিকা অতিকৈ গুৰুত্বপূৰ্ণ। ভাষা সাহিত্যৰ উন্নতিৰ বাবে এখন আলোচনীয়েই উপযুক্ত মাধ্যম। এখন আলোচনীৰ জৰিয়তে সুপ্ত হৈ থকা প্ৰতিভাৰ বিকাশ ঘটি নন সাহিত্যিকৰ সৃষ্টি হয়।

সাহিত্য-কলা-সংস্কৃতি আদিয়েই হৈছে— এটা জাতিৰ জীৱনী শক্তি। এই সাহিত্য-কলা-সংস্কৃতিক জীয়াই ৰাখিবলৈ, বিকশিত কৰি তুলিবলৈ প্ৰয়োজন হয়— এক সুন্দৰ বাতাবৰন। সামাজিক পৰিবৰ্তনত সাহিত্য সংস্কৃতিয়ে এক গুৰুত্বপূৰ্ণ ভূমিক গ্ৰহণ কৰে। সাহিত্য-সংস্কৃতিয়েই হ'ল এখন সমাজৰ প্ৰকাশভংগী। সমাজ এখনৰ বাস্তৱিক জীৱনৰ প্ৰতিচ্ছৱি সাহিত্য-সংস্কৃতিৰ দ্বাৰাই প্ৰকাশ হৈ আহিছে। সাহিত্যিকৰ কলমৰ দ্বাৰা বহুতো বিপ্লৱৰ সূচনা হৈছে। সাহিত্যকাৰ এজন সামাজিক প্ৰাণী। সেয়ে তেওঁ নিজৰ সামাজিক পৰিস্থিতিৰ ওপৰত প্ৰভাৱান্বিত হয়। সাহিত্যৰ উদ্দেশ্য সৰ্বমঙ্গলময় হোৱা উচিত। সাহিত্য হৈছে মানৱ সমাজৰ অনুভূতিৰ ভাণ্ডাৰ। মানুহে জীৱনত কি কি দেখিলে কি কি অভিজ্ঞতা লাভ কৰিলে আৰু সেই অভিজ্ঞতা সম্বন্ধে মানুহৰ কি ধাৰণা ইত্যাদিক লৈ সাহিত্যৰ সৃষ্টি। সাহিত্যৰ দ্বাৰাই মানুহ সংস্কাৰ নিৰ্মিত হয় আৰু এয়ে সংস্কৃতি। সংস্কৃতিয়ে এখন সমাজৰ লোকাচাৰ, জীৱনশৈলী, আচাৰ-ব্যৱহাৰ আদিক প্ৰতিনিধিত্ব কৰে। সেয়েহে এখন আলোচনীৰ প্ৰয়োজন সাহিত্য-সংস্কৃতিক জীয়াই ৰাখিবলৈ।

"ৰংমহলা জেউতি"ৰ প্ৰকাশে লঙ্কা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ উৎকৰ্ষ সাধনৰ লগতে প্ৰতিভা বিকাশৰ পথ প্ৰশস্ত কৰিব। আলোচনীখন প্ৰকাশৰ উদ্যোক্তা আৰু সমূহ ছাত্ৰ-ছাত্ৰীৰ প্ৰচেষ্টা সাফল্য মণ্ডিত হওঁক। লগতে আলোচনীখনৰ দীৰ্ঘায়ু কামনা কৰিলো।

সেবাৰে—
ড° গুণেশ্বৰ শইকীয়া
প্ৰাক্তন উপাধ্যক্ষ, লঙ্কা মহাবিদ্যালয়



# আলোচনী সম্পাদকৰ একাষাৰ

লক্ষা মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী **'ৰংমহলা জেউতিৰ'** সম্পাদক হিচাপে সৰ্বপ্ৰথমে মই শ্ৰদ্ধা জ্ঞাপন কৰিব খুজিছো সেই সকল মহান ব্যক্তিক যিসকল ব্যক্তি আমাৰ মহাবিদ্যালয়খনৰ গৌৰৱ আৰু যিসকল ব্যক্তিৰ ত্যাগ আৰু প্ৰচেষ্টাত আমাৰ মহাবিদ্যালয়খন গঢ় লৈ উঠিছে।

লক্ষা মহাবিদ্যালয়ৰ ২০১৯-২০২০ বৰ্ষৰ আলোচনী আৰু সাহিত্য বিভাগৰ সম্পাদক ৰূপে কাৰ্যভাৰ গ্ৰহণ কৰিব পাই মই অতিকৈ গৌৰৱ অনুভৱ কৰিছোঁ। আলোচনী সম্পাদকৰ দৰে এটা গুৰুত্বপূৰ্ণ পদত নিৰ্বাচিত কৰি আলোচনী আৰু সাহিত্য বিভাগৰ কৰ্মত সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাছিলোঁ।

আলোচনী এখন হ'ল মহাবিদ্যালয়ৰ দাপোন আৰু এই দাপোনখন প্ৰস্তুত কৰা কামটো অতি গুৰুত্বপূৰ্ণ আৰু কঠিন। প্ৰতিবছৰে আলোচনী খন আগষ্ট মাহত প্ৰকাশ পোৱাৰ দৰে এইবছৰো আগষ্ট মাহত প্ৰকাশ কৰাৰ পৰিকল্পনা হাতত লৈছিলো যদিও পৰিস্থিতিৰ জটিল সমস্যাৰ বাবে আলোচনীখন প্ৰকাশ হোৱাত কিছু পলম হৈছে। ইয়াৰ বাবে মই দুঃখিত। আলোচনী প্ৰকাশৰ সময় চাপি অহাৰ সময়ত মহামাৰীৰ বাবে সমগ্ৰ দেশৰ মহাবিদ্যালয়ৰ লগতে, আমাৰ মহাবিদ্যালয়ো বন্ধ হৈ পৰে যাৰ বাবে ছাত্ৰ-ছাত্ৰীৰ পৰা লেখনী জমা লোৱাত বাধাৰ সৃষ্টি হয়। তথাপিও আমি সময়ৰ অপেক্ষা নকৰি অনলাইন যোগেদি ছাত্ৰ-ছাত্ৰী সকলৰ পৰা লেখনী জমা লোৱাৰ কাম আৰম্ভ কৰো। পৰ্যাপ্ত পৰিমানৰ লেখনী জমা হোৱা নাই যদিও যিসকল ছাত্ৰ-ছাত্ৰীয়ে অনলাইন যোগেদিও লেখনী জমা কৰি মোক আলোচনী প্ৰস্তুতৰ কামত আগুৱাই যাবলৈ সহায় কৰিছে তেওঁলোকক অসংখ্য ধন্যবাদ জ্ঞাপন কৰিছো। আৰু যিসকলে জমা কৰিব পৰা নাই, সেইসকল হতাশ নহৈ নিজৰ লেখনীবোৰ আমাৰ মহাবিদ্যালয়ৰ আগন্তুক বৰ্ষৰ আলোচনীৰ বাবে প্ৰস্তুত কৰি ৰাখিবলৈ মই অনুৰোধ জনাইছো ।

ইয়াতে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক ক'ব বিচাৰো যে ২০১৯-২০ বৰ্ষৰ আলোচনীৰ বাবে জমা হোৱা লেখনী সমূহ সম্পাদনা সমিতিৰ বিভাগীয় ছাৰ বাইদেউ সকলে বাছনি কৰে। জমা হোৱা লেখনী সমূহৰ ভিতৰত কিছুমান যথোপযুক্ত নোহোৱাত সেইবোৰ নাকচ কৰা হয়। তাৰ বাবে দুঃখিত। যিসকলৰ লেখনীসমূহ প্ৰকাশ কৰিব পৰা নগল তেওঁলোকে যেন হতাশ নহৈ পুনৰ লিখাৰ প্ৰয়াশ কৰে।

মোৰ কাৰ্য্যকালত লঙ্কা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সাহিত্যৰ প্ৰসাৰ আৰু সৃষ্টিৰ নতুন চিন্তাৰ উন্মেষ ঘটাবলৈ যোৱাবছৰৰ দৰে এই বছৰো লঙ্কা মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহৰ সময়ছোৱাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। যত লঙ্কা মহাবিদ্যালয়ৰ একাংশ ছাত্ৰী-ছাত্ৰীয়ে আগভাগ লৈছে।

আলোচনী আৰু সাহিত্য সম্পাদক হিচাপে দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ পৰা এটা বছৰৰ বিভিন্ন কামৰ অভিজ্ঞতাৰ লগতে ছাৰ-বাইদেউ সকলে মোক দিয়া সুপৰামৰ্শবোৰ মোৰ জীৱনৰ বাবে এক সোণালী পুৰস্কাৰৰ দৰে। লঙ্কা মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষাগুৰুলৈ বিভিন্ন দিহা পৰামৰ্শৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলো। লগতে সম্পাদনা সমিতিৰ সমূহ শিক্ষাগুৰুসকলোলৈ ও মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

আলোচনী সম্পাদক হিচাপে মই কিমান দূৰ পৰিপক্ক আছিলো সেয়া নাজানো। আৰু লঙ্কা মহাবিদ্যালয়খনৰ এজন আলোচনী আৰু সাহিত্য সম্পাদক হিচাপে নিজৰ কাৰ্য কিমান সুচাৰু ৰূপত সম্পন্ন কৰিব পাৰিছোঁ সেয়াও নাজানো। কিন্তু লঙ্কা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুসকলে মোৰ ওপৰত দেখুৱা আস্থাৰ বাবে এই সকলোবোৰ সম্ভৱ হৈ উঠিল। আলোচনীখনক পূৰ্ণতা প্ৰদান কৰাৰ ক্ষেত্ৰত সকলো প্ৰকাৰে সু-দিহা পৰামৰ্শ আৰু সহায় সহযোগিতা আগবঢ়োৱা লঙ্কা মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় ড° অমৰজিৎ সিং ভুই মহোদয়, লঙ্কা মহাবিদ্যালয়ৰ আলোচনীখনৰ তত্বাৱধায়ক পদত থাকি মোক সহায় কৰা সহকাৰী অধ্যাপক শ্ৰীযুত কমলেশ্বৰ কলিতা মহোদয় আৰু লগতে অধ্যাপিকা নাহিম মজুমদাৰ আৰু অনুৰাধা চৌধুৰী বাইদেউৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰ'ম। বাৰ্ষিক আলোচনী 'ৰংমহলা জেউতি' খন প্ৰস্তুত কৰি অতি কম সময়ৰ ভিতৰত পাঠকৰ হাতত তুলি দিয়াৰ বাবে পপুলাৰ প্ৰেছৰ স্বত্বাধিকাৰ সৌৰভ চৌধুৰী আৰু তেওঁৰ কৰ্মকৰ্ত্তা সকলক আমি ছাত্ৰ একতা তৰফৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

শেষত আলোচনীখনত অজ্ঞাতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত মাৰ্জনা বিচাৰি সম্পাদকৰ প্ৰতিবেদন ইয়াতে সামৰণি মাৰিলো।

" জয়তু লঙ্কা মহাবিদ্যালয় "

বিশ্বদ্বীপ পাল
আলোচনী আৰু সাহিত্য সম্পাদক
২০১৯-২০২০ বৰ্ষ



"All power is
within you;
you can do
anything and
everything.
—Swami Vivekananda"




# সূচীপত্ৰ

## অসমীয়া বিভাগ


■ সাক্ষাৎকাৰ ১৫

**প্ৰবন্ধ**

■ মাদাৰ টেৰেছাৰ আত্মজীৱনী ● দ্বিপামণি ৰয় ১৮
■ সামাজিক অপৰাধ প্ৰৱণতা আৰু যুৱসমাজ ● নজমুল হুছেইন ২০
■ লোককথাৰ সফুৰা ঃ সাঁথৰ, ফকৰা যোজনা আৰু প্ৰবচন ● প্ৰণামী শইকীয়া ২২
■ আত্ম-নিৰ্ভৰশীলতা ● মিছ ইয়েছমিন বেগম ২৯
■ সমাজত নাৰীৰ স্থান ● মুফিদা ফিৰদৌছ বৰভূঞা ৩৫
■ ক'ৰণা ভাইৰাছ ৰোগ - ২০১৯ ● বৰ্ণালী দে ৪১
■ পৰীক্ষাৰ আগদিনাৰ অভিজ্ঞতা ● দীপামনি ৰয় ৪৪

**গল্প**

■ অন্নপ্ৰাশন ● হিমাক্ষী ভূঞা ২৪
■ খৰচ ● মৃগাংক বৰা ২৬
■ বেৰকান্ত গাওঁবুঢ়াৰ নীতি ● জাকাৰিয়া আহমেদ ২৮
■ অনাকাংক্ষিত সেই দিনটো ● Sreepali Dutta ৩১
■ স্কুল ● সুমন দেৱনাথ ৩২
■ মৰুভূমিৰ চুটিগল্প ● অভিজিৎ ৰাজবংশী ৩৪
■ কৰণা ভাইৰাছ বোৱাৰী ● কৰবী বৰা ৩৭
■ সৰু চহৰৰ ডাঙৰ সপোন ● অনামিকা পালিত ৩৯

**কবিতা**

■ মানৱতা ● ললিতা ডেকা ৪৬
■ ব্ৰহ্মপুত্ৰ ● পম্পী ঘোষ ৪৬
■ ভাষা-জননীক ভালপোৱাৰ টানেৰে — ● শ্ৰী মঞ্জুলা বড়ো (বৰুৱা) ৪৭
■ সেই সুদিন ● অংকুৰ হাজৰিকা ৪৮
■ লংকা মহাবিদ্যালয়— এক ৰোমন্থনৰ দস্তাবেজ ● গুৰপ্ৰিত সিং ৪৯
■ প্ৰিয় লংকা মহাবিদ্যালয় ● পল্লৱী দাস ৪৯

**কবিতা**

- কলেজৰ স্মৃতিবোৰ ● সীমা বিশ্বাস ৫০
- কিবা যেন হেৰাল ● নাৰ্গিছ্ ফাৰুক ৫০
- পোহৰৰ গীত ● প্ৰণামী শইকীয়া ৫০
- বাস্তৱ বৰ নিষ্ঠুৰ ● জৰ্জিয়া কিবতীয়া ৫১
- কাল ধুমুহা ● সুস্মী হাজৰিকা ৫১
- পৰম আত্মা ● অনামিকা দেৱী ৫২
- প্ৰকৃতি ● পূজা চৌহান ৫২
- দেউতা— এখন আধালিখা গ্ৰন্থ ● গায়ত্ৰী দেৱী ৫৩

## বাংলা বিভাগ

**প্রবন্ধ**

- দুই বিপরীত ধর্মী নারীচরিত্রের মেলবন্ধন : রাজসিংহ ও কৃষ্ণকান্তের উইল ● Dr. Mousumi Nath ৫৫
- টাকা আপন মানুষ পর ● মানস প্রতিম চক্রবর্ত্তী ৬১
- মোবাইলের কবলে ● সুলগ্না পাল ৬৩
- চরিত্র গঠন ও স্বামী স্বরূপানন্দ ● সমরজিৎ দাস ৬৪
- গানের রবীন্দ্রনাথ ● মেঘালী দাস ৬৬

**গল্প**

- চার মোমবাতির কথা ● পূজা পাল ৬৭
- জোকার ও মনোজ ● ঝিন্টু পাল ৬৯

**কবিতা**

- অক্টোপাস মূল - ড° সাগর বরুয়া ● অনুবাদ - নাহিম মজুমদার ৭০
- পূণ্যভূমি ভারত ● সুলগ্না পাল ৭০
- মা ● পল্লবী দাস ৭১
- মা ● সংগীতা মজুমদার ৭১
- মা তোমাকে ভালোবাসি ● বিশ্বদীপ পাল ৭১
- আমার প্রিয় কবি জীবনানন্দ ● প্রিয়তমা দাস ৭২
- স্বপ্ন ● রাজশ্রী দাস ৭২
- তোমার অপেক্ষা ● পম্পী কুড়ি ৭২

## ইংৰাজী বিভাগ

- A BRIEF NOTE ON PARTICIPATION IN THE 73rd ANNUAL CONVENTION OF ROCKY MOUNTAIN MODERN LANGUAGE ASSOCIATION (RMMLA) ● Dr. Anuradha Chaudhuri ৭৪
- Hima Das – The Dhing Express and the Golden Girl ● Gurpreet Singh ৭৬
- Rise of the Sikh Power ● Harpreet Kour ৭৮
- Domestic Violence: A Multidimensional Issue ● Sreepali Dutta ৮০
- Career Counselling ● Yesmin Begum ৮১

■ Do It Now ● Pompi Kuri ৮২
■ THANK YOU SOLDIERS ● Anamika Palit ৮২
■ College Days ● Bornali Dey ৮৩
■ No More Nirbhaya ● Seema Biswas ৮৩
■ EVERY BODY, NO BODY SOMEBODY, ANY BODY ● Ganesh Mazumder (Joy) ৮৩
■ My Little Brother ● Harpreet Kour ৮৪
■ God Gifted Teachers ● Yesmin Begum ৮৪
■ Mother ● Bornali Dey ৮৪

## হিন্দী বিভাগ

■ माजुली ● किरण कलिता ৮৬
■ महापुरुष श्रीमंत शंकरदेव ● डॉ निबेदिता नाथ ৮৮
■ मेरी माँ ● Binita Sahu ৯১
■ हिम्मतवाली ● Hewanti Chauhan ৯১
■ हमारा आने वाला कल ● Gurpreet Singh ৯১
■ जल का महत्व ● Monisha Prasad ৯২
■ आज तिरंगा फहराता है ● Nandlal Chauhan ৯২
■ शिक्षा ● Monisha Prasad ৯৩
■ कोरोना महामारी ● Anju Jaiswal ৯৩

## নেপালী বিভাগ

■ अभागी जिन्दीगी ● Ganga Baral ৯৫
■ पानीकी आत्मव्यथा ● Jamuna Baral ৯৫
■ सुन्दर प्रकृती ● Jamuna Baral ৯৬
■ जीवन साथी ● Yam Kumari Chetry ৯৬
■ विजया दशमी ● Puja Poudel ৯৭
■ সভাপতিৰ প্ৰতিবেদন ৯৮
■ উপ-সভাপতিৰ প্ৰতিবেদন ১০১
■ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ১০২
■ ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন ১০৫
■ সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন ১০৭
■ LIST OF EDITOR'S AND PROF. IN-CHARGE OF 'RONGMAHALA JEUTI' ১০৯
■ LIST OF TEACHING STAFF ১১০
■ OFFICE STAFF ১১২

# অসমীয়া বিভাগ



"মাতৃভাষাত এটা যাদু আছে। সেই যাদুৰ স্পৰ্শ যিজনে অনুভৱ কৰিব নোৱাৰে, তেওঁতকৈ দুৰ্ভগীয়া এই পৃথিৱীত কোনো নাই।"

— মুস্তাফিজুৰ ৰহমান (কানাডা)

(৩মে, ২০১৫ দৈনিক অগ্রদূত)

আহুতীয়া সাক্ষাৎকাৰত ড° অমৰজিৎ সিং ভূই, অধ্যক্ষ, লক্ষা মহাবিদ্যালয়

*"শিক্ষাৰ্থীৰ প্ৰথম আৰু প্ৰধান দায়িত্ব হ'ল জ্ঞান আহৰণ। এই ক্ষেত্ৰত শিক্ষাৰ্থীসকলে অধ্যয়নৰ লগত নিজক জড়িত কৰিব লাগিব।"*



# সাক্ষাৎকাৰ

লঙ্কা মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'ৰংমহলা জেউতি'ৰ হৈ আমাৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ডঃ অমৰজিৎ সিং ভূই দেৱৰ সৈতে আমি কথা পাতিছিলো। তেখেতৰ ব্যস্ততাৰ মাজতে আমাক সময় দিয়া বাবে আমি তেখেতৰ ওচৰত কৃতজ্ঞ। এই কথা-বাৰ্তাত মুখপত্ৰখনৰ তত্বাৱধায়ক তথা লঙ্কা মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক শ্ৰীযুত কমলেশ্বৰ কলিতা মহোদয়ে আমি যুগুতাই দিয়া প্ৰশ্নবোৰ আলোচনাৰ সময়ত উত্থাপন কৰি আমাক সহায় কৰিছিল। ইয়াৰে কিয়দংশ তলত সন্নিবিষ্ট কৰা হ'ল।


## বিশ্বদ্বীপ পাল

আলোচনী সম্পাদক, ৰংমহলা জেউতি


**আঃ সঃ** - ছাৰ, নমস্কাৰ ল'ব। আজি আমি কিছু কথা জানিবলৈ আৰু আপোনাৰ সৈতে কথা পাতিবলৈ ইচ্ছা কৰিছো। আশাকৰো আপুনি আপোনাৰ মনৰ অনুভৱ ব্যক্ত কৰি আমাক উৎসাহিত কৰিব।

**অধ্যক্ষ ঃ**- নিশ্চয় চেষ্টা কৰিম।

**আঃ সঃ** - ছাৰ, আপুনি আপোনাৰ শিক্ষা জীৱনৰ বিষয়ে কিছু কথা জনাবনে ?

**অধ্যক্ষ ঃ**- মোৰ স্কুলীয়া জীৱন লঙ্কা প্ৰাথমিক বিদ্যালয়ৰ পৰাই আৰম্ভ হয়। শৈশৱৰ এই মধুময় শৈক্ষিক জীৱনৰ কথা বুজি পোৱা-নোপোৱাৰে সফলভাৱে পাৰ হৈ আহি মই লঙ্কা হাইস্কুলত আন এটা শিক্ষা জীৱনৰ আৰম্ভ কৰিছিলো। কিছু হেঁপাহ আৰু লক্ষ্যৰে লঙ্কা হাইস্কুলত পঢ়ি থকা সময়ত ঐচ্ছিক গণিত লৈছিলো। কিন্তু তেতিয়া হাইস্কুলখনত ঐচ্ছিক গণিতৰ শিক্ষক নাছিল। সেয়েহে নিজস্ব চেষ্টাৰে দশম শ্ৰেণীলৈকে অধ্যয়ন কৰিবলগীয়া হৈছিল। হয়তো সেইবাবেই হাইস্কুল চূড়ান্ত পৰীক্ষাত এই বিষয়টো সলনি কৰিব মন গৈছিল আৰু কৰিছিলো। তাৰপাছত কলেজীয়া

জীৱন আৰম্ভ হয় নগাঁও কলেজত। বাছি লৈছিলো কলা বিভাগ। তেতিয়াৰ নগাঁও কলেজত তগৰ বৰা ছাৰৰ শিক্ষণত আছিল এক অনন্য মাত্রা। তেখেতে ৰাজনীতি বিভাগৰ প্ৰৱক্তা আছিল। সেইদেখি ময়ো ৰাজনীতি বিভাগৰ ছাত্ৰ হ'লো। উপকৃতও হ'লো বহু পৰিমাণে। তাৰপাছত উচ্চতৰ শিক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটীস্থিত 'বি. বৰুৱা কলেজ'ত নাম ভৰ্ত্তি কৰাওঁ। নাম ভৰ্ত্তি কৰিয়েই মই ৰাজনীতি বিষয়টো অনাৰ্চ হিচাপে বাছি লৈছিলো। কাৰণ সৌভাগ্যক্ৰমে এই কলেজখনতো আছিল এগৰাকী অতি মন আকৰ্ষণ কৰিব পৰা প্ৰৱক্তা। তেখেত শ্ৰদ্ধেয় দিলীপ চৌধুৰী ছাৰ। সেই সময়ত অসমত বিদেশী বহিষ্কাৰকৰণ আন্দোলন চলি আছিল। চৌদিশে আন্দোলনৰ চেপা উত্তেজনা আৰু দেশ জাতিক ভালপোৱা আৱেগ উত্তেজনা। স্বাভাৱিকতে পঢ়া-শুনা কম হৈছিল আমাৰ। তথাপি বি.এৰ দেওনা পাৰ হৈছিলো আৰু উচ্চশিক্ষা লাভৰ বাবে নাম ভৰ্ত্তি কৰাৰ ইচ্ছা আছিল শ্বিলংৰ 'নেহু'ত। কিন্তু তাত প্ৰি ইয়েৰ ডিগ্ৰী কৰ্চ নহ'লে নাম ভৰ্ত্তি কৰাবলৈ অনুমতি পোৱা নগৈছিল। সেয়ে 'চেন্ট এড্মনি কলেজ'ত নাম ভৰ্ত্তি কৰালো। মই ভাগ্যবান আছিলো, কাৰণ এই কলেজতো মই অতি মেধা সম্পন্ন শিক্ষকৰ তলত শিক্ষা লাভ কৰাৰ সুযোগ পাইছিলো। মই পঢ়া বৰ্ষটোত নেহুৰ অন্তৰ্গত কলেজত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা কোনোৱে নাছিল। মই সেইবাৰ দ্বিতীয় শ্ৰেণীৰ দ্বিতীয় হৈছিলো। তাৰ পাছত আন এক হেঁপাহ বুকুত বান্ধি উচ্চ শিক্ষা আৰম্ভ কৰিলো নেহুত। তাতো দ্বিতীয় শ্ৰেণীৰ দ্বিতীয় হৈ উত্তীৰ্ণ হ'লো।

আঃ সঃ - এইখন মহাবিদ্যালয়ত আপুনি কেনেধৰণে জড়িত হৈছিল তাৰ বিষয়ে অলপ বৰ্ণনা কৰিবনে ছাৰ ?

অধ্যক্ষ ঃ- দেউতা এই মহাবিদ্যালয়ৰ তেতিয়া সম্পাদক আছিল। তেওঁ আছিল প্ৰতিষ্ঠাপক সম্পাদক। সেইমৰ্মে মই এই মহাবিদ্যালয়খনৰ বহু কথাই জানিছিলো আৰু পৰোক্ষভাৱে জড়িত হৈ পৰিছিলো। কিন্তু এম. এ. পাছ কৰাৰ পাছত প্ৰথমতে মই বি. কে. বি. কলেজত প্ৰৱক্তা বাছনি সাক্ষাতত বহিছিলো আৰু মনোনিতও হৈছিলো। দুবছৰ তাতে থাকিলো সম্পূৰ্ণ চৰকাৰী স্থায়ী পদত। তাত থাকোতেই এল.এল.বি.-ত নাম ভৰ্তি কৰিছিলো। সেয়া এক অন্য আকৰ্ষণ আছিল। পঢ়া আৰু পঢ়োৱা দুয়োটা বিষয়তে। পিছে এক নুবুজা আকৰ্ষণত মই পুনৰ লঙ্কা মহাবিদ্যালয়লৈ আহিব লগা হ'ল। চনটো আছিল ইংৰাজী ১৯৯১ চন। মোৰ লগতে সেই বৰ্ষতে আহিছিল গুণকান্ত সিংহ, চিৰাজুল ইছলাম, ভম্বৰুধৰ ভট্ট। আমাৰ পদটো আছিল অমঞ্জুৰিকৃত। ১৯৯২ চনত মঞ্জুৰীকৃত হ'ল। লঙ্কা মহাবিদ্যালয়ত মকবল হোৱাৰ পাছতে ৰাজনীতি বিভাগত সক্ৰিয় অংশ লৈ প্ৰথম নেচনেল চেমিনাৰ আয়োজন কৰি ধন্য হোৱাৰ সুযোগ পাইছিলো। তাৰপাছত 'আই. কিউ. এ. চি.'ৰ সমন্বয়কৰ (২০০৭-২০১১ লৈ) দায়িত্ব লৈ ২০০৮ চনত নাক (NACC) ইন্সপেক্সনৰ বাবে ৰিপৰ্ট প্ৰস্তুত কৰিলো। কিন্তু সেইবাৰ কোনো প্ৰশাসনিক কিছু অসুবিধাৰ বাবে সেই কাম হৈ নুঠিল। বিফ্ৰেচাৰ কোৰ্চ কৰিলো ক্ৰমান্বয়ে 'জে. এন. ইউ.', অৰুণাচল ৰাজীৱ গান্ধী ইউনিভাৰচিটি, 'গুৱাহাটী ইউনিভাৰচিটি', 'ৰাজস্থান ইউনিভাৰচিটি'ত। তাৰপাচতে আৰম্ভ হ'ল অন্য এক অধ্যায়।

আঃ সঃ - ৰাজনীতি বিভাগৰ প্ৰৱক্তাৰ পৰা মহাবিদ্যালয়খনৰ অধ্যক্ষৰ দায়িত্বলৈকে আপোনাৰ যাত্ৰা আৰু কঠোৰ পৰিশ্ৰমৰ বিষয়ে অলপ জনাবনে ?

অধ্যক্ষ ঃ- মই ২০১৬ চনত এই মহাবিদ্যালয়তে অধ্যক্ষ পদৰ সাক্ষাৎকাৰত বহিলো আৰু মনোনীত হ'লো। এই অধ্যক্ষ পদৰ দায়িত্ব লোৱাৰ মূলতে আছিল মহাবিদ্যালয়খনক এক নতুন মাত্ৰা প্ৰদান কৰাৰ। এই ইচ্ছা পূৰ কৰাৰ পথত সকলো শিক্ষক আৰু অফিচ কৰ্মচাৰীৰ লগতে সহযোগ পাইছিলো উপাধ্যক্ষ শ্ৰীযুত প্ৰতাপ চন্দ্ৰ হাতীমুৰীয়া মহোদয়ৰ পৰা। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সহযোগেৰে চেমিনাৰ হ'ল, ইন্দোৰ ষ্টেডিয়াম, KKHSOU চেন্টাৰ নিৰ্মাণ কৰা হয়। ইয়াৰোপৰি KKHSOU ৰ কাৰণে ৰাজনীতি বিভাগৰ স্নাতকোত্তৰ শ্ৰেণী আৰু বি. বি. এ. আৰু বি. এ. চি.ৰ অনুমতি পোৱাৰ লক্ষ্যৰে অনুমতিও পোৱা হয়। তদুপৰি দৰ্শন বিভাগত অনাৰ্চ বিষয়, হোম চাইন্সৰ ডিগ্ৰী কোৰ্চৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ক আবেদন কৰাও হৈছে। আশা মনত পোষণ কৰিছো যে বেডমিন্টন আৰু টেবোল টেনিছত প্ৰশিক্ষকৰ ব্যৱস্থা কৰা হ'ব মোৰ কাৰ্য্যকালতে।

আঃ সঃ - ছাৰ আপোনাক শৈক্ষিক বিষয়ৰ উপৰিও আন কি কি বিষয়ে দৃষ্টি আকৰ্ষণ কৰিছে ?

**অধ্যক্ষ ঃ-** মই নিজেও বিভিন্ন খেলা খেলি ভাল পাইছিলো। হাইস্কুলত থাকোতে বেডমিণ্টনত Zonal Competition ত Champion হৈছিলো। ক্রিকেট খেলিছিলো আৰু ক্রিকেটৰ ৰাজ্যিক পৰ্যায়ৰ Umpire হোৱাৰ বাবে ৰাজ্যিক পৰীক্ষাত বহি পাছ কৰিছিলো। গীতাৰো শিকিছিলো, বজাইছিলোও। খেল-ধেমালিবোৰে, সংগীতে মনৰ বহু দিশতে সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলোয়। মই ইয়াক বিশ্বাস কৰো।

**আঃ সঃ -** মহাবিদ্যালয়ৰ প্ৰাৰম্ভিক দিনৰ শিক্ষাব্যৱস্থা আৰু শৈক্ষিক পৰিৱেশৰ তুলনাত আজিৰ দিনৰ শিক্ষাব্যৱস্থা আৰু শৈক্ষিক পৰিৱেশ কিমান দূৰ আগবাঢ়ি গৈছে বুলি আপুনি ভাবে। অলপ কওঁকছোন।

**অধ্যক্ষ ঃ-** হয়, ১৯৯০ চনৰ পৰা আজি পৰ্যন্ত যথেষ্ট পৰিবৰ্তন হৈছে। শিক্ষাৰ্থীৰ প্ৰতিযোগিতামুখী মানসিক অৱস্থাৰ বিকাশ হৈছে। আৰু তেনে এটা বাতাৱৰণ সৃষ্টি কৰিবলৈ প্ৰয়াস কৰা হৈছে যে বি. এ. পাছ কৰি কোনো সংস্থাপন যাতে পায় তাৰ বাবে IQAC ৰ সমন্বয়ক ডঃ লোকেন্দ্ৰ কাকতি, সহকাৰী অধ্যাপক মুকুল বৰঠাকুৰৰ সহযোগত Career placement cell গঠন কৰা হৈছে। এই বিষয়ত সমল ব্যক্তি মাতি আনি শিক্ষাৰ্থীৰ অংশগ্ৰহণ নিশ্চিত কৰাও হৈছে।

**আঃ সঃ -** এই মহাবিদ্যালয়খনক আগুৱাই লৈ যোৱাত শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ভূমিকাৰ বিষয়ে অকনমান ব্যাখ্যা দাঙি ধৰিবনে ?

**অধ্যক্ষ ঃ-** প্ৰত্যেকগৰাকী শিক্ষক, অভিভাৱক সকলোৱে মহাবিদ্যালয়ৰ পৰিৱেশত অৰিহনা আগবঢ়াইছে। লগে লগে পৰীক্ষাৰ ফলাফল প্ৰায় এশ শতাংশ হোৱাৰ উপক্ৰমো হৈছে। ইতিমধ্যে বহুকেইজন শিক্ষাৰ্থী আমাৰ মহাবিদ্যালয়ৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈ স্নাতকোত্তৰ পৰীক্ষাত ভাল ফল দেখুৱাইছে। তাৰ পাছত বহুকেইজনে কলেজত অধ্যাপক হিচাপে সেৱা আগবঢ়োৱাৰ সুযোগো পাইছে। সেয়া আমাৰ বাবে গৌৰৱৰ কথা। বিশেষ কথা এই যে IQAC ৰ সহযোগত কোভিডৰ সময়ত ১৪ টা ৰাজ্যিক আৰু দুটা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ চেমিনাৰ আমাৰ মহাবিদ্যালয়ত অতি নিয়াৰিকৈ সম্পন্ন হৈছে। ফেকাল্টি দেভেলপমেণ্টৰ লগতে স্পোৰ্টছ, কালচাৰেল ছেলৰ তত্বাৱধায়কসকলে নিজৰ নিজৰ কাম যথেষ্ট আগবঢ়াই নিছে। লঙ্কা মহাবিদ্যালয় ইউথ ফেষ্টিভেলত নিয়মিত হাৰত শিক্ষাৰ্থীক পঠোৱাৰ ব্যৱস্থাও কৰা হৈছে। ইতিমধ্যে গুৱাহাটী বিশ্ববিদ্যালয়ে আয়োজন কৰা আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতাত লঙ্কা মহাবিদ্যালয়ৰ কাবাদী দলে ভাল খেল প্ৰদৰ্শন কৰি আহিছে।

**আঃ সঃ -** লঙ্কা মহাবিদ্যালয়খনক আগন্তুক দিনত আৰু উচ্চস্তৰলৈ যাবলৈ কিবা পৰামৰ্শ দিবনে ?

**অধ্যক্ষ ঃ-** আমাৰ মহাবিদ্যালয়ত অৰ্থনীতি বিষয়ত, ইংৰাজী বিষয়ত, ৰাজনীতি বিষয়ত অসমীয়া বিষয়ত স্নাতকোত্তৰ শ্ৰেণী খোলাৰ ব্যৱস্থা কৰা হ'ব।

**আঃ সঃ -** আমাৰ মহাবিদ্যালয়ৰ প্ৰতিবছৰে প্ৰকাশ পোৱা বাৰ্ষিক আলোচনী 'ৰংমহলা জেউতি'ৰ বিষয়ে কিবা কবনে ?

**অধ্যক্ষ ঃ-** 'ৰংমহলা জেউতি'ৰ লেখা বিষয়বস্তু সমূহ এই বৰ্ষত সংগ্ৰহ কৰাটো আলোচনী সম্পাদকৰ বাবে অতি কষ্টকৰ আছিল। কিন্তু আলোচনীখনৰ তত্বাৱধায়ক তথা শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক কমলেশ্বৰ কলিতাৰ এইক্ষেত্ৰত ভূমিকা আছিল প্ৰশংসনীয়, যাৰ ফলত আলোচনীখন সময়মতে ওলাইছে। আগন্তুক দিনত ইয়াৰ বৌদ্ধিক আৰু নান্দনিক ৰূপ অধিক চিত্তাকৰ্ষক হ'ব বুলি মই নিশ্চিত।

**আঃ সঃ -** থোৰতে শিক্ষাৰ্থীৰ সৰ্বাংগীন বিকাশ আৰু দায়িত্ববোধ সম্পৰ্কে আপোনাৰ পৰা অলপ জানিব মন গৈছে ?

**অধ্যক্ষ ঃ-** শিক্ষাৰ্থীৰ প্ৰথম আৰু প্ৰধান দায়িত্ব হ'ল জ্ঞান আহৰণ। এই ক্ষেত্ৰত শিক্ষাৰ্থীসকলে অধ্যয়নৰ লগত নিজক জড়িত কৰিব লাগিব। ইতিমধ্যে খেলা-ধূলাৰ কাৰণে মহাবিদ্যালয়ত বেডমিণ্টন আৰু কাবাদী, ভলীবলৰ প্ৰশিক্ষক নিয়োগৰ ব্যৱস্থা কৰাৰ দিহা কৰা হৈছে। শিক্ষাৰ্থীসকলে ইয়াৰ পৰা লাভান্বিত হ'ব। ভৱা হৈছে যে আৰু নতুন নতুন বিষয়ৰ সুবিধাৰে শিক্ষাৰ্থীসকলক দিক্ নিৰ্দেশনা দিয়া হ'ব।

ছাৰ, পুনৰ বাৰ আপোনাক নমস্কাৰ আৰু ধন্যবাদ জনাইছো। আপোনাৰ লগত হোৱা কথা-বতৰাৰে আমি ধন্য হৈছো। আশাকৰো আপোনাৰ বাৰ্তাহি আমাৰ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীক অনুপ্ৰাণিত কৰিব।



# মাদাৰ টেৰেছাৰ আত্মজীৱনী

দ্বিপামণি ৰয়
স্নাতক চতুৰ্থ ষান্মাসিক

মাদাৰ টেৰেছা এগৰাকী মহিয়সী নাৰীৰ নাম — কুৰি শতিকাৰ জটিল যুগ-যন্ত্ৰণাৰ মাজত আৰ্তজনৰ সেৱাৰ বাবে জীৱন উছৰ্গা কৰা এগৰাকী পৰম কৰুণাময়ী সেৱিকাৰ নাম । তেওঁ দেৱী নহয় মানৱী, কিন্তু নিপীড়িত জনগণৰ বাবে তেওঁ স্নেহময়ী, চিৰন্তনী, মহাজননী। ভোকাতুৰক তেওঁ অন্ন দিছিল বস্ত্ৰহীনক বস্ত্ৰ দান কৰিছিল, ৰোগীক ঔষধ পথ্য আৰু সেৱাৰে সঞ্জীৱিত কৰি তোলে, আশাহীনৰ সমুখত দাঙি ধৰিছিল জীয়াই থকাৰ প্ৰেৰণা আৰু আনকি মৰণপথৰ যাত্ৰীৰ মনতো জগাই দিছিল জীৱনৰ প্ৰাণস্পন্দন।

যুগোশ্লেভিয়াৰ স্কোপ্‌জো নামৰ চহৰত এটা সচ্ছল কৃষকৰ পৰিয়ালত মাদাৰ টেৰেছাই জন্মগ্ৰহণ কৰিছিল ১৯১০ চনৰ ২৭ আগষ্টত। তেওঁৰ আলকেনীয়া পিতৃ-মাতৃয়ে সৰুতে নাম ৰাখিছিল এগনেছ। তেওঁৰ জন্মভূমি সেই সৰু চহৰখনৰ এখন চৰকাৰী স্কুলতে এগনেছে প্ৰাথমিক শিক্ষা আৰম্ভ কৰিছিল। স্কুলখনৰ কাষতে আছিল এ

যাজকসকলৰ এটি সংগঠন। তেওঁ সেই সংগঠনত যোগদান কৰিছিল আৰু সেই দৰে ভৱিষ্যতৰ এই মহীয়সী মাতৃয়ে জনগণৰ সেৱাৰ উদ্দেশ্যে যেন দীক্ষা গ্ৰহণ কৰিলে। ১৯২৯ চনত সকলো দ্বিধা-সংশয় পৰিত্যাগ কৰি তেওঁ ঘৰবপৰা একেবাৰে বাহিৰ ওলাই আহিল বিশ্ব-মানৱৰ সুবিশাল প্ৰাঙ্গণলৈ।

কলিকতাতেই কৰ্মজীৱন আৰম্ভ হৈছিল টেৰেছাৰ। ছেন্ট মাৰ্গাৰেট স্কুলৰ শিক্ষয়িত্ৰী ৰূপে যোগ দি বাঙালী ছাত্ৰী বিভাগৰ প্ৰধান, তাৰ পিছত কিছুদিন অধ্যক্ষৰূপে তেওঁ কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ নীলা পাৰী দিয়া বগা সূতাৰ শাড়ী পৰিধান কৰিছিল আৰু বাঁও কান্ধত ক্ৰুছৰ চিহ্ন। ১৯৫০ চনত তেওঁ "মিছনেৰিজ অব চেৰিটি" গঠন কৰে। আকৌ ১৯৫৪ চনত কালী ঘাটত স্থাপিত হয় মুমূৰ্ষজনৰ বাবে "নিৰ্মল হৃদয় "নামৰ সদন। মৰণ পথৰ যাত্ৰীয়ে ইয়াত লাভ কৰিছে শুবলৈ বিচনা, পেট ভৰাই খাবলৈ খাদ্য আৰু লগতে শুশ্ৰূষা। ইয়াত ইমানে সেৱা ভোগ কৰিব পাৰিছিল যে কিছুমান মৰণৰ দুৱাৰদলিৰ পৰা ঘূৰি আহিছে। তেনেকৈ অনাথ শিশুৰ বাবে তেওঁ স্থাপন কৰিলে 'নিৰ্ম্মল শিশুভৱন"। মাদাৰ টেৰেছাৰ পৰিচালনাত ভাৰততে আছে ৬০ খন স্কুল। ২১৩ খন দাতব্য চিকিৎসালয় আৰু ৫৪ টা কুষ্ঠ চিকিৎসা কেন্দ্ৰ।

নিউ ইয়ৰ্ক অষ্ট্ৰেলিয়াৰ আদিবাসীসকলৰ এলেকালৈ মাদাৰ টেৰেছাৰ সেৱা বিস্তৃত হৈ আছে। কুষ্ঠৰোগীৰ প্ৰতি তেওঁৰ কি গভীৰ মমতা, ঘৃণা নহয়, প্ৰেমেৰেহে কুষ্ঠৰোগীসকলৰ সুস্থ জীৱন-যাপনৰ সুবিধা দি সমাজত থাপিব পৰা যায়। এই কথা টেৰেছাই নিজে মৰ্মে মৰ্মে বিশ্বাস কৰিছিল আনকো তেনে আচৰণ কৰিবলৈ উদাত্ত আহ্বান জনাইছিল। বিশ্ববাসীয়ে মাদাৰ টেৰেছাৰ এই উদাৰ মানৱতাবাদী দৃষ্টিভংগীৰ বাবে তেওঁলৈ যাচিছে বিভিন্ন সম্মান আৰু উপাধি। ১৯৭১ চনত তেওঁ "পোপ এয়োবিংশ শান্তি পুৰস্কাৰ" লাভ কৰিছে, ১৯৭২ চনত "নেহেৰু পুৰস্কাৰ" আৰু পিছৰ বছৰত পাইছে আন্তৰ্জাতিক বুজাবুজিৰ বাবে "টিম্মলঠন ফাউণ্ডেচন প্ৰাইজ"।

"দৰিদ্ৰসকলেই আমাৰ প্ৰকৃত সমাজ। তেওঁলোকৰ নিৰাপত্তাই আমাৰ নিৰাপত্তা তেওঁলোকৰ স্বাস্থ্যই আমাৰ স্বাস্থ্য' — টেৰেছাৰ এই অমৰ বাণীয়ে উদ্বুদ্ধ কৰিছে বিশ্বৰ দীন-দুখীয়াসকলক। তেওঁ নিজেই মূৰ্ত্তিমতী কৰুণাৰ প্ৰতীক, মানৱিক প্ৰমূল্যৰ ধাৰক আৰু বাহক, বাৰ্দ্ধক্য সত্ত্বেও ৰুগ্ন স্বাস্থ্যৰ মাদাৰ টেৰেছাই দুঃখীজনৰ সেৱা কৰি গৈছিল অহৰহ। মাদাৰ টেৰেছা সঁচাকৈয়ে ত্যাগ আৰু সেৱাৰ মহিমাৰে উজ্জ্বলি থকা এক অনন্যা নাৰী। বাৰ্দ্ধক্যৰ বাবেই ১৯৯৭ চনৰ ৫ চেপ্তেম্বৰত এই গৰাকী মাতৃৰ পৰলোক প্ৰাপ্তি ঘটে ।



# সামাজিক অপৰাধ প্ৰৱণতা আৰু যুৱসমাজ

নজমুল হুছেইন

## ভূমিকা

বৰ্তমান বিশ্ব অপৰাধৰ কৱাল গ্ৰাসত বন্দী হৈ পৰিছে। বাতিপুৱা শান্তি মনেৰে বাতৰি কাকতখন পঢ়িব ললে অপৰাধ, দুৰ্দশা, দুৰ্নীতি আদিৰ খবৰ পোৱা যায়। নিউজ চেনেল চাবলৈ ধৰিলে কেৱল হত্যা ধৰ্ষণ, লুণ্টন আদি দেখিবলৈ পোৱা যায়। চাৰিওফালে যেন সকলো অপৰাধৰ জালত বন্দী হৈছে। কিন্তু এই 'অপৰাধ' মানেনো কি ? উত্তৰ বিচাৰিলে পোৱা যাব যে অপৰাধ এক অবৈধ কাম। যি কামক 'সংবিধান' আৰু প্ৰচলিত আইনে অনুমতি নিদিয়ে। যেতিয়া সেই অবৈধ কামটোৰ লগত কু-উদ্দেশ্য জড়িত থাকে তেতিয়া কাৰোবাৰ বা সমাজৰ বাবে হানিকাৰক হয় তেতিয়া সেই কামটোক সংবিধান, আইন আৰু সমাজৰ সাধাৰণ দৃষ্টিত অপৰাধ বুলি গণ্য কৰা হয় ।

বৰ্তমান সময়ত প্ৰায়েই লক্ষ্য কৰা যায় যে সৰুৰ পৰা ডাঙৰলৈ, শিশু কিশোৰৰ পৰা বৃদ্ধলৈ, নাৰীৰ পৰা পুৰুষলৈ সকলোকে যেন অপৰাধৰ কুটিল হাতোৰাই বন্দী কৰি ৰাখিছে। আজিকালি অপৰাধীৰ বয়সৰ সময়সীমা নোহোৱা হৈছে। বৰ্তমান সামাজিক প্ৰেক্ষাপটত নৱপ্ৰজন্ম অপৰাধ প্ৰৱণ হৈ পৰিছে। কিন্তু কিয় ? ইয়াৰ আঁৰত নিশ্চয় কিবা কাৰণ জড়িত থাকিব লাগিব। নিঃসন্দেহে এইটো বৰ চিন্তনীয় বিষয়। যিটো সময়ত নৱপ্ৰজন্মৰ নিজৰ জীৱনৰ লক্ষ্যত উপনীত হোৱাৰ সময়, নিজকে প্ৰতিষ্ঠা কৰাৰ সময় সেই সময়তে বহুতে কাৰাগাৰ আদালত, থানাত সময় কটাবলগীয়া হৈছে। সমাজৰ অৱনতিৰ অন্য উদাহৰণ আছে বুলি ভাবিব নোৱাৰি । এনেকুৱা পৰিপ্ৰেক্ষিতত এখন সুস্থ সমাজৰ সপোন দেখিব নোৱাৰি। গতিকে এনেকুৱা এখন সমাজৰ পৰিচয় বিশ্বদৰবাৰত কেনেকৈ দাঙি ধৰিম। ই এক জটিল সমস্যা যি সমস্যাৰ গৱেষণাৰ সময় আহি পৰিছে। সমাজ সংশোধনৰ সময় আহি পৰিছে।

নৱপ্ৰজন্ম অপৰাধ প্ৰৱণ হোৱাৰ কিছুমান উৎস আছে তলত সেইবোৰৰ চমুকৈ পৰ্যালোচনা আগবঢ়ালো ।

ক) জনসংখ্যা বৃদ্ধি অপৰাধৰ প্ৰধান কাৰণ। কাৰণ— যোগানৰ তুলনাত যেতিয়া চাহিদা বৃদ্ধি পায় তেতিয়া তাৰ মূল কাৰণ জনসংখ্যা বৃদ্ধি। অধিক জনসংখ্যাই নিবনুৱা, দৰিদ্ৰতা, আদিৰ সমস্যাৰ সৃষ্টি কৰে যিয়ে নৱপ্ৰজন্মক

হতাশ কৰি পেলায় পৰিণতিতে অপৰাধত জড়িত হৈ পৰে।

খ) এজনে আনজনৰ প্ৰতি পোষণ কৰা ঈৰ্ষাই অপৰাধী মনোভাৱৰ সৃষ্টি কৰে।

গ) শিক্ষাৰ অভাৱেও এটি শিশুৰ মগজু বৃদ্ধিত বাধা প্ৰদান কৰে। উচিত শিক্ষা অবিহনে তেওঁলোকক চিন্তা কৰিব পৰা, বিবেচনা কৰি সঠিক সিদ্ধান্ত লোৱাত বাধা প্ৰদান কৰে ।

ঘ) মাদকদ্ৰব্য বিক্ৰী বা ব্যৱহাৰেও অপৰাধ প্ৰৱণতাত সহায় কৰিছে। সুৰাৰ অলেখ বিপনী, চৰকাৰৰ সুৰাৰ বিক্ৰীৰ অনুজ্ঞা প্ৰদানৰ লেখ জোখহীন যাত্ৰায়ো অপৰাধ বঢ়োৱাত সহায় কৰিছে ।

ঙ) বৰ্তমানৰ মবাইল, কম্পিউটাৰ, ইণ্টাৰনেট আদিৰ অপব্যৱহাৰেও অপৰাধ বঢ়াইছে। যিয়ে সমাজত বা জীৱনত কু-প্ৰভাৱ পেলাইছে । এই সকলোবোৰ কাৰণৰ লগতে সাঙোৰ খাই থকা অন্যান্য পৰোক্ষ কাৰণেও অপৰাধ প্ৰৱণ হোৱাত নৱপ্ৰজন্মক সমল যোগাই আহিছে। কিন্তু এইবোৰক মূলত 'মাক-দেউতাক' বা অভিভাৱকৰ অনুশাসনহীনতাক প্ৰধান কাৰণ বুলি ধৰা হয়। অভিভাৱকে অনুশাসনৰ জৰীডাল ঢিলা দিয়েই অপৰাধ নকৰিবলৈ নৱপ্ৰজন্ম সংকোচ নকৰা হৈ পৰে। সন্তানক ক্ষান্ত কৰাৰ বাবে বস্তুৰ প্ৰলোভন দিয়া বাবেও সন্তান বিপথে পৰিচালিত হব পাৰে। ইয়ে এসময়ত শিশুক অপৰাধপ্ৰৱণ কৰি তোলে যেতিয়া শিশুয়ে পিতৃ-মাতৃয়ে দিয়া প্ৰলোভন আদায় নকৰে।

এনেদৰে বাঢ়ি অহা অপৰাধ প্ৰৱণতাৰ পৰা প্ৰতিৰোধৰ বাবে কিছু দিশ তলত আগবঢ়োৱা হ'ল —

ক) মাক দেউতাক হৈছে শিশুৰ সামাজিকৰণৰ প্ৰথম আৰু প্ৰত্যক্ষ উৎস। প্ৰাথমিক বা বিদ্যালয়ৰ শিক্ষাৰ আগতে শিশুৱে পৰিয়ালৰ পৰা ভাল, সৎ চৰিত্ৰ পাব লাগিব। অভিভাৱক সৎচৰিত্ৰৰ অভিহনে সন্তান কেতিয়াও সৎ হব নোৱাৰে। অভিভাৱকে সন্তানক কঠোৰ অনুশাসনৰ বিপৰীতে যদি বন্ধুসুলভ ভাৱেৰে ব্যৱহাৰ কৰে তেন্তে সন্তানে সকলো সমস্যা মুকলিকৈ কব পাৰে। যাৰ ফলত সমাধানৰ পথ বিচাৰি পায়।

খ) প্ৰত্যেক শিশুৰে নিজৰ মাক-দেউতাক, ককাই আইতাকৰ অৰ্থাৎ এখন সম্পূৰ্ণ পৰিয়ালৰ মৰমৰ অধিকাৰ আছে। গতিকে ব্যস্ততাক দোহাই দি তেওঁলোক একাকীত্বত ভুগি অপৰাধ প্ৰৱণ হব পাৰে।

গ) আমাৰ চৰকাৰেও নিবনুৱা সমস্যাৰ লগতে সমাজৰ অনগ্ৰসতাৰ কাৰণসমূহ চিহ্নিত কৰি সেইবোৰ সমাধানৰ বাবে নতুন-নতুন আঁচনি প্ৰস্তুত কৰি উলিয়াব লাগে আৰু ফলাফল ফলদায়ক হোৱাৰ বাবে যত্ন কৰিব লাগে ।

ঘ) সকলো-বেআইনী কামৰ উচিত শাস্তি প্ৰদানৰ ক্ষেত্ৰত আমাৰ আইনী ব্যৱস্থা কঠোৰ হ'ব লাগে। কোনো অপৰাধী যাতে আইনী সুৰক্ষাৰে সাৰি যাব নোৱাৰে তাৰ বাবে নতুন আইন প্ৰকৃত কৰিব লাগে।

## সামৰণি

গতিকে এনবোৰ কাৰণ বিশ্লেষণ কৰিলে ওলাই পৰে আমাৰ নৱপ্ৰজন্ম অপৰাধ প্ৰৱণ হোৱাৰ ঘাই কাৰণসমূহ আৰু তাৰ সমাধানৰ বাবে আমি ঐক্যবদ্ধভাৱে সহায় — সহযোগিতাৰে আগবাঢ়িলে সমাধানৰ পথ প্ৰশস্থ হব। এই ক্ষেত্ৰত আমাৰ চৰকাৰো দায়িত্বশীল হ'ব লাগে, লগতে জনসাধাৰণে নিজে কৰ্তব্যপৰায়ণ হব লাগে আৰু দায়িত্বশীল হব লাগে. এনে কৰিলে সোণালী ভৱিষ্যতে আমালৈ বাট চাই থাকিব। তেতিয়া সন্ত্ৰাসবাদী আজমল কাছাবৰ দৰে, হোৱাৰ বিপৰীতে, দিল্লীৰ নিৰ্ভয়াকাণ্ডৰ বিপৰীতে মেৰিকম, হিমাদাসৰ দৰে হোৱাৰ সপোন বাস্তৱ হব।

# লোককথাৰ সফুৰা ঃ সাঁথৰ, ফকৰা যোজনা আৰু প্ৰবচন

প্ৰণামী শইকীয়া
স্নাতক ষষ্ঠ ষাণ্মাসিক

লোক সাহিত্য হ'ল লোকমনৰ এক অভিব্যক্তি। মানৱ মনৰ হৃদয়ানুভূতি প্ৰকাশৰ তাড়নাতেই সৃষ্টি হৈছিল এই লোকসাহিত্য সমূহৰ। মানুহৰ যুগ যুগ সঞ্চিত চিন্তা, বুদ্ধি, জ্ঞান-অভিজ্ঞতাৰ আৰু জীৱন যাত্ৰাৰ ছবি অনুপম প্ৰকাশেৰে লোক সাহিত্যসমূহ সমৃদ্ধ। এই সমূহৰ সাহিত্যিক সৌন্দৰ্য আৰু ঐতিহাসিক মূল্য অপৰিসীম।

অসমীয়া লোক সাহিত্যৰ ভঁৰাল তাহানিৰে পৰা প্ৰাচুৰ্যৰে উপচি আছে। তাৰে ভিতৰত কেইটামান আপুৰুগীয়া সম্পদ হ'ল সাঁথৰ,ফকৰা-যোজনা আৰু প্ৰবচন। মানুহৰ যুগ যুগ ধৰি সঞ্চিত কিছুমান অভিজ্ঞতালব্ধ জ্ঞানৰ সুন্দৰ প্ৰকাশ ঘটে সাধাৰণতে এনে যোজনা ফকৰা প্ৰবাদ বাক্য বোৰৰ মাজেৰে।

অসমীয়া সমাজত প্ৰচলিত সাঁথৰবোৰ সাধাৰণতে প্ৰশ্নোত্তৰধৰ্মী। ৰহস্যময়তাৰ কুঁৱলীয়ে সাঁথৰৰ অন্তৰ্নিহিত কথাবস্তুত আৱৰণ দি থোৱা হয়। ৰহস্যৰ জাল ফালি সাঁথৰৰ অৰ্থ উদ্ধাৰ কৰাত যিদৰে আমোদ পোৱা যায় সেইদৰে বুদ্ধিমত্তাৰো প্ৰয়োজন হয়। ইয়াৰ ৰহস্যময়তাৰ কাৰণে অৰ্থ বিচাৰি ককবকাই থাকিব লগা হয়। এনে সাঁথৰ সমূহক বিষয়বস্তুৰ বিচিত্ৰতালৈ চাই কিছুমান ভাগত ভাগ কৰা হৈছে।



যেনে ঃ অংকৰ সাঁথৰ, আখৰুৱা সাঁথৰ, ঘৰুৱা কথোপকথনৰ সাথৰ, ভকতীয়া সাঁথৰ, বিবিধ বিষয়ক সাঁথৰ ইত্যাদি।

অসমীয়া সমাজত প্ৰচলিত সাঁথৰসমূহৰ কেইটামান নিৰ্দশন হ'ল —

ক) 'একেডালি মাৰলি দুখনি চাল
নবদ্ধাকৈ থাকে সৰ্বতি কাল।
(কলপাত)

খ) 'কলিংগৰ লিংগ কাটি পাঠাৰ কাটি পা
লবংগৰ বংগ কাটি মজা মাৰি খা।'
(কঁঠাল)

সেইদৰে,

গ) 'ঘৰৰ ভিতৰতে ঘৰ
তাৰ ভিতৰত পৰি মৰ।'
(আঠুৱা)

সাঁথৰৰ দৰেই ৰহস্যময়তাৰ আবুৰ থকা লোকসাহিত্যৰ আন এটি উল্লেখযোগ্য সম্পদ হ'ল ফকৰাসমূহ। বহল বিষয় এটাক থাউকতে প্ৰকাশ কৰাৰ উৎকৃষ্ট মাধ্যমেই হ'ল ফকৰাসমূহ। ফকৰাবোৰ সাধাৰণতে গূঢ়াৰ্থক, আপাত বক্তব্যৰ অন্তৰালত একোটা নিগূঢ় অৰ্থ সোমাই থাকে। বক্তাৰ কথা কোৱাৰ চমৎকাৰিত্ব, বুদ্ধিদীপ্ততা, পৰ্যবেক্ষণ শক্তি সাংসাৰিক জ্ঞানৰ স্বাক্ষৰ এই প্ৰবাদ-প্ৰবচন, ফকৰা যোজনা বোৰে বহন কৰে। অৰ্থাৎ ফকৰাবোৰ হৈছে গভীৰ অৰ্থময়তাৰে আওপকীয়াকৈ কোৱা কথাৰ ধৰণ। আমাৰ সমাজত প্ৰচলিত কিছুমান ফকৰাৰ উদাহৰণ তলত দিয়া হ'ল —

ক) 'গৰুৰ আগত টোকাৰী বায়
শিং জোকাৰি ঘাঁহ খায়।'

খ) 'সাত পুৰুষত নাই গাই
কঢ়িয়াই লৈ খীৰাবলৈ যায়।'

ফকৰাৰ দৰেই লোকসাহিত্যৰ আন এটি বাচকবনীয়া সম্পত্তি হ'ল প্ৰবচন সমূহ। ব্যক্তি আৰু সামাজিক জীৱনৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ ফল হ'ল প্ৰবাদ বাক্য বা প্ৰবচন। প্ৰবচন সমূহ সাধাৰণতে আজিৰ চিনাকী নহয়, এই সমূহৰ লগত সমাজ জীৱনৰ চিনাকী বহু পুৰণি। এই সমূহৰ মাজত গ্ৰাম্য ৰসিকতা পোৱাৰ লগতে এক বিস্তৃত জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰো পৰিচয় পোৱা যায়। মুঠৰ ওপৰত এই প্ৰবচন প্ৰবাদ বাক্যবোৰ হ'ল 'দহৰ জ্ঞান, একৰ বাণী'। চুটি চুটি বাক্যত একোটা সাৰ গৰ্ভ সত্য বা অভিজ্ঞতা প্ৰকাশ কৰিব পৰা অদ্ভুত শক্তি এইবোৰত লক্ষ্য কৰা যায়। এই প্ৰবাদ প্ৰবচনবোৰে বক্তব্য ৰসাল, অৰ্থঘন আৰু প্ৰভাৱশালী কৰি তোলে ।

আমাৰ সমাজত প্ৰচলিত কেতবোৰ প্ৰবচন হ'ল —

"গড় গএগ্ৰা কটাৰিৰ ডাবেও কাটে।"
"সমানে সমানে কৰিবা কাজ
হাৰিলে জিকিলে নাই লাজ ।"
" নাই ৰঙামাটি, নাই গুৱাহাটী।"

মুঠতে সাঁথৰ, ফকৰা-যোজনা, প্ৰবাদ প্ৰবচনে অসমীয়া লোকসাহিত্যৰ ভঁৰাল মেটমৰা হৈ আছে। কিন্তু বৰ্তমানে এই সমূহৰ প্ৰচলন কমি আহিছে। এই প্ৰবচন, প্ৰবাদ বাক্য, ফকৰা যোজনা, সাঁথৰ আদিৰ মাজত লোক জীৱনে গ্ৰহণ কৰা শিকনি ; লোকমনৰ জীৱন আৰু জগত সম্পৰ্কে হোৱা ধাৰণা, লোকভাষাৰ কৌশলপূৰ্ণ প্ৰয়োগ ইত্যাদিৰ পোনপটীয়া প্ৰকাশ ঘটে। সময় থাকোতেই এইবোৰ উদ্ধাৰ কৰি সংৰক্ষণ কৰিব পাৰিলে অসমীয়া সাহিত্যৰ বুৰঞ্জীত সৰ্বকালৰ বাবে এইবোৰ আপুৰুগীয়া সম্পদ হিচাপে স্বীকৃত হৈ ৰ'ব তাত সন্দেহ নাই ।



# অন্নপ্ৰাশন

হিমাক্ষী ভূঞা
তৃতীয় ষাণ্মাষিক (কলা শাখা)

নামটো আচহুৱা আৰু তাতে ঠাইডোখৰ আওহতীয়া । গতিকে বিভাগীয় অফিচটোলৈ কোন, কেতিয়া আহে, কেতিয়া তাৰপৰা যায়গৈ, সাধাৰণ মানুহে এইবোৰ কথাৰ ভু নাৰাখে। আমি অৱশ্যে ৰাখোঁ। আমি হ'লো চকু-চৰহা। আনৰ স্বস্তিৰ নিশ্বাসে আমাৰ গা পোৰে। আমি জানো যে পৰমেশ্বৰ দাইটি অফিচলৈ আহে দুপৰীয়া এক বজাত।

আত্মপক্ষ সমৰ্থন কৰি তেখেতে বিবৃতি দিয়ে — অফিচ এৰোঁতেও তেখেত তিনিঘণ্টা লেট ! কোনোবাদিনা তেখেতে সাত বজাৰ আগতে অফিচ এৰিছেনে ?

কথাটো সঁচা। তেখেত কৰ্মী মানুহ। কামলৈ ভয় নকৰে। কাম কৰে, কিন্তু পলমকৈ। এই যে ঘৰৰে শাকনিডৰাত তেখেতে পাচলি লগাইছে, কুমলীয়াকৈ লগাইছে হয়, কিন্তু সেইবোৰৰ আপদাল নকৰাকৈ আছে বুলি আপুনি ক'ব পাৰিবনে? পুৱা ন-বজাৰ চিকুন টোপনি তেজি কোৰ-খন্তিৰে সু-সজ্জিত হৈ বীৰবেশে শাকনিডৰা পায়হি কোন? পৰমেশ্বৰ দাইটি নহয়নে ?

কি ক'লে ? তাত সোমাবলগীয়া থাকিলে পুৱা সোনকালে উঠিব লাগে? কিন্তু কওকচোন, ৰাতি পলমকৈ শুলে পুৱা সোনকালে কোন উঠিব পাৰে? কি ক'লে ? ৰাতি সোনকালে শুব লাগে ? তাৰ মানে শোৱাৰ আগতে চিডিত চিনেমা চাব নালাগে ? সকলো কামেই কৰিবা। কামলৈ পিঠি নিদিবা। দাইটিৰ এয়ে বাণী। তেখেতৰ পৰামৰ্শ-তেখেতৰ কৰ্মস্পৃহা হওক প্ৰত্যেকৰে আদৰ্শ।

চকু চৰহাৰ প্ৰথমটো জেনেৰেশ্বনে দদাইক পলমেশ্বৰ নাম দিছিল ; কিয়নো তেনেই কোমল বয়সৰ পৰা তেখেত কৰ্মমাত্ৰেই পলম — এই দস্তুৰটো কঠোৰ ভাৱে মনা পৰিলক্ষিত হৈছিল। দেউতাকৰ তৎপৰতাত সময়মতে স্কুললৈ যোৱা কৰিছিল যদিও জ্ঞান আহৰণৰ ক্ষেত্ৰত তেখেত আছিল যথেষ্ট ধৈৰ্য্যশীল। অৱশেষত চূড়ান্ত ধৈৰ্য্যহীনতাৰ পৰিচয় দি শিক্ষকসকলে তেখেতক উদ্দেশ্য প্ৰণোদিতভাৱে মেট্ৰিক পৰীক্ষাত বহিবলৈ সুবিধা কৰি দিলে।

পৰীক্ষাটো পাছ কৰিবলৈ তেখেতে যথেষ্ট সময় লৈছিল। তাৰে এবাৰ পৰীক্ষাগৃহত তেৰঘণ্টা পলমকৈ উপস্থিত হৈ তেখেতে নজিৰ সৃষ্টি কৰিছিল। আন এবাৰ প্ৰচণ্ড ধৈৰ্য্যৰ পৰিচয় দি তেখেতে এটা প্ৰশ্নৰ উত্তৰ সম্পূৰ্ণ কৰি তুলিছিল। অৱশেষত দুজনমান ভাতৃস্থানীয় ব্যক্তিয়ে সদাশয় ইনভিজিলেটৰৰ ভূমিকাত অৱতীৰ্ণ হৈ তেখেতৰ সাফল্যৰ পথ মুকলি কৰি দিছিল।

জ্যেষ্ঠ ভাতৃৰ তৎপৰতাত প্ৰভাৱশালী মন্ত্ৰী এজনাই তেখেতক এই চাকৰিটোত ভৰ্তি কৰিছিল। তেতিয়ালৈ তেখেতৰ চৰকাৰী চাকৰিৰ বয়স উকলিবৰ সময় হৈছিল। তেখেতৰ বিয়াও পলমকৈ হৈছিল। বিয়া যে কৰাব লাগে, বহুদিনলৈ এই ভাব তেখেতৰ মনলৈ অহাই নাছিল। ভাবটো আহিল, কিন্তু কথাবোৰ চালি-জাৰি চাবলৈকে নহ'ল, গাঁৱৰ মানুহে চূড়ান্ত ধৈৰ্যহীনতাৰ পৰিচয় দি খুড়ীক তেখেতৰ ঘৰত জোৰকৈ থৈ গৈছিলহি। খুড়ীৰ তেতিয়া ছমাহ চলি আছিল। এইবোৰ শুনা কথা, সঁচা মিছা নাজানোঁ।

ল'ৰাটোৰ বয়স তেতিয়া এঘাৰ। খুড়ীৰ খোচখেচনিত থাকিব নোৱাৰি খুড়াই তাক স্কুলত নাম লগাই দিলে। পিতৃৰ একান্ত বাধ্য সি। তেখেতৰ আদৰ্শেৰে অনুপ্ৰাণিত। সেয়ে এই একুৰি বছৰ বয়সতো সি ক্লাছ নাইনতে অধ্যয়নৰত। কিন্তু তেখেতৰ দৰে সিও কৰ্মত বিশ্বাসী। তাৰ কৰ্মদক্ষতা আৰু কৰ্মস্পৃহা শলাগিব লগীয়া। দুবছৰ আগত যে তাৰ অন্নপ্ৰাশন খাইছিলোঁ, তাৰ বজাৰ-সমাৰ, যা-যোগাৰ সকলো সিয়েই কৰা নাছিলনে ?

আমি চকু চৰহা, কিন্তু তথাপি ব্যথিত হওঁ কেতিয়াবা। দুখ লাগে ভাবি — এই যে বহুদিন দদাই বিয়াঘৰ পাইছেগৈ দৰা গুচি যোৱাৰ পাছত, খাইছে চিৰা-দৈ মমবাতিৰ পোহৰত! কিমানদিন চিনেমা হলত সোমাইছে বিৰতিৰ পিছত !

পিছে দুখ আমিহে কৰোঁ, দদাইটো সুখী মানুহ! তেখেতৰ বাবে সেয়াই লাইফ ষ্টাইল। আমাৰ দৃঢ় ধাৰণা — সৃষ্টি উলটি যাব, কিন্তু দাদাইৰ দস্তুৰ অটুট থাকিব। কিন্তু হঠাতে আমাৰ ধাৰণা ধূলিস্যাৎ কৰি আকাশ-বতাহ



মুখৰিত হ'ল দদাইৰ তৎপৰতাৰ টোপধ্বনিৰে। আমি বিস্মিত ; কিন্তু কথাটো বিশ্বাস কৰিছো। দদাই হেনো শেহতীয়াভাৱে খুড়ীৰ খেচখেচনিত অতিষ্ঠ। সেয়ে এই ছাৰেন ছেঞ্জ। এয়া কি তেখেতৰ নতুন অৱতাৰ ?

ঘটনাটো এনেকুৱা। দদাইৰ এজনী ভনীয়েক। বয়সত ভালেখিনি সৰু। দূৰ ঠাইলৈ দিছে। ভিতৰুৱা ঠাই। ভালেদিন হ'ল দদাই যাব পৰা নাই। কিন্তু এতিয়াতো আৰু উপায় নাই। যাবই লাগিব। কাৰণ তাই মাক হ'বলৈ ওলাইছে। খবৰ এটা ল'ব লাগে। খবৰ বাৰু আনৰ মুখেৰেও পাব। আচল কথা নবৌয়েকে এসাঁজ খুৱাবগৈ লাগে, সমাজৰ নিয়ম।

দদাই যাব পৰা নাছিল। কিন্তু এদিন খুড়ী ৰণচণ্ডী। পাহদিনা দুয়ো গন্তব্যস্থল অভিমুখে। বাছৰ পৰা নামি পদব্ৰজে। দদাইৰ এহাতত এটা ডাঙৰ মোনা। তাত বিধে বিধে বজাৰৰ বস্তু। শাক-পাচলি ইত্যাদি। ইহাতত কানেৰে টঙালি সৰকাই লোৱা এটা ডাঙৰ চিতল।

গন্তব্যস্থল ঠিক পাব, এনেতে বিপৰীত ফালৰ পৰা ওলালহি ভনীজোঁৱায়েকৰ সৰু ভায়েকটো । সি ক'লে উচ্ছাহেৰে — অ' খবৰটো কেনেকৈ পালে? মই ফোন কৰোঁ বুলি আহিছিলোহে । যাওক যাওক। ল'ৰা এটা হৈছে। ঘৰতে আছে এতিয়া। যাওক ভাগিনীয়েকক চাঁওকগৈ ।

স্থান-কাল পাত্ৰ পাহৰি খুড়ী জকি উঠিল, নকৈছিলোঁনে মই অতদিন ধৰি ? পলম নকৰাকৈ কিবা কৰি পাইছেনে আপুনি ? কিন্তু অত্যাচাৰ বিধ্বস্ত দদাইৰ মুখত যে সশব্দ হাঁহি? উপস্থিত সকলোৰে মুখ মেল খাই গ'ল।

দদাইৰ হাঁহিৰ তালে তালে নাচি উঠিছিল মাছটো। বাকলিত ৰ'দ পৰি মাছটো জিলিকি উঠিছিল। কিন্তু তাতকৈ বেছিকৈ জিলিকিছিল তেওঁৰ মুখখন ।

মুখৰ কাষতে মস্ত মাছটো লৰাই লৰাই দদায়ে ক'লে — ব'লা, ব'লা । চোৱাহি মই কিমান এড্ভান্সড্। ভনীজনীক কিবা খুৱাম, মই জানো সেইকাৰণে আহিছোঁ আজি ? তাৰ মুখত ভাত এটোপা দিওঁ, সেইকাৰণেহে মই মোমায়েকটো আহিছোঁ লৰৰি ! ব'লা, ব'লা, শুভস্য শীঘ্ৰম, ব'লা, ব'লা ! পলম নকৰিবা, আজি তাৰ অন্নপ্ৰাশন!

# খৰচ

মৃগাংক বৰা
৪ৰ্থ যান্মাষিক (কলা শাখা)

পুৱা ৬ বজাতে দোকান খুলি বহি আছোঁ। আজি যেন কামত মন বহা নাই, বাৰে বাৰে হিচাপৰ বহীখন মেলিছো, আকৌ বহীখন সামৰি থৈ মানিবেগটোত চকু ফুৰাই চাইছোঁ, মাত্ৰ ১০০ আৰু ২ টকা এটা থিয় দি আছে। এইবাৰ মানিবেগটো গাৰুৰ শিতানত থৈ মুৰত হাত দি টেবুলখনতে ভেজা দি নানান কথা চিন্তা কৰি আছো। কিবা এটা যেন মিলা নাই আজি ! এইবাৰ অৱশেষত বহাৰ পৰা উঠি গৈ বাহিৰৰ জগত খনত চকু ফুৰালো, সকলোৱে নিজৰ নিজৰ কামত ব্যস্ত হৈ পৰিছে। বজাৰৰ সিটো মুৰৰ ইন্দ্ৰদাৰ হোটেলত চাহ খাবলৈ অহা মানুহৰ ভিৰ, শৰ্মা দায়ো দোকানৰ আগফালে Chips বোৰ ওলমাই দিছে, বিধানেও হাঁতত ঝাড়ু ডাললৈ গছৰ পাতবোৰ ছাফা কৰাত লাগিছে, মোৰ কাষৰে দৰ্জী হৰেৰাম খুৰায়ে স্কুলীয়া ল'ৰা ছোৱালীৰ Unifrom বোৰ চিলোওৱাত ব্যস্ত। লংকা যাবলৈ বুলি ৰৈ থকা এজনী মহিলাক লৈ প্ৰভাত ড্ৰাইভাৰ আৰু হৰিকান্ত ড্ৰাইভাৰৰ মাজত সৰুকৈ এখন কাজিয়াই সৃষ্টি হৈছে, আকৌ নিজৰ দোকানৰ ভিতৰলৈ সোমাই আহিলোঁ। আকৌ কিবা এটা ভাবি টেবুলতে মূৰটো মেলাই দিলোঁ ।

এনেতে মোৰ দোকানৰ কাষৰ ফাৰ্মাচীত কাম কৰা হৰেনে মাত লগালে, কিহে মৃগাংক, অথনিৰ পৰাই চোন উচপিছাই আছ' ? তোকো সেই চীনৰ ক'ৰণা ভাইৰাছে পালে নেকি ? আহ চেক কৰি বেজী এটাকে মাৰি দিওঁ।" সি চাগে মোকেই লক্ষ্য কৰি আছিল ; মোৰ যে কিবা এটা হৈছে, সিও বুজিব পাৰিছিল। মইয়ো তপৰাই মাত লগালো, "নাই অ' হৰেন, মোক যিটো বেমাৰে পালে তহঁতৰ দৰে ডাক্তৰে ঠিক কৰিব নোৱাৰিবি। সি বাপুৰাই কথা চোবাবলৈ chance ই পালে। KP এটা মিলাই মিলাই মোৰ ওচৰলৈ আহি ক'লে, বাৰু কছোন — এনে কিনো বেমাৰ লাগিল যিটো দৰৱ মোৰ তাত নাই। মইয়ো মনতে ভাবিলোঁ মোৰ মনৰ কথাটো কৈয়ে পেলোৱা যাওঁক, কিজানি ঔষধৰ বাহিৰে কিবা বেলেগ বিধান পাওঁৱেই।

মই আৰম্ভ কৰিলো, "এই কিনো ক'ম অ' হৰেন, বৰ ডাঙৰ বেমেজালি এটা লাগিল অ', সি মাজত তপৰাই মাত লগালে "কিনো হ'ল হে? কিবা ধানৰ বস্তাত ভেজাল ওলাল নেকি? — এইনহয় অ' আজি Collegeৰ Form Fill upৰ Last date. সেইবাবে যোৱা কালিয়ে টকা 5000 যোগাৰ কৰি থৈছিলো, ইফালে মই এবাল দি বধা (সহজ ভাষাত Girlfriend) জনীয়েও মোলৈ ফোন কৰিলে বোলে মোক লগ কৰিব মন গৈছে, মইয়ো ততালিকে হাতত থকা টকা কেইটাকে পকেটত ভৰাই বাইকখন লৈ ওলাই গ'লো। তাই বাছষ্টেণ্ডত ৰৈ আছিল, তাই মিচিকি কৰি হাঁহি এটা মাৰি মোৰ পিছফালে ওলমি দিলে আৰু মোক কিবা বজাৰ কৰিব আছে বুলি কাপোৰৰ ভাল দোকান এখনৰ সন্মুখত ৰ'ব দিলে, মইয়ো তাকেই কৰিলো, দোকানৰ ভিতৰত সোমাই অলপ ইমিল-টিমিল কৰি থকাৰ পিছত পিছফালৰ পৰা আহি তাই মাত লগালে, "এইটো লোৱা"। "কিনো এইটো ?" "আৰে পিন্ধিতো চোৱা"। মই টি-চাৰ্টটো পিন্ধিচোৱাৰ পাছতো নালাগে বুলি ক'লো। পিছে তাই যোৰ কৰাত যেনিবা ল'বলৈ মইয়ো বাধ্য।

মই বুলো হ'ল যদি ব'লা, তাই অকলমান ৰ'বলৈ দি আকৌ কাপোৰ চোৱাত ব্যস্ত হৈ পৰিল। প্ৰায়ে এঘন্টা মানৰ পাছত দুহাতত প্ৰায় আঠটা মান কাপোৰৰ বেগ লৈ মোৰ ওচৰ পালেহি। "এতিয়া যাব পাৰিনে?" তাইয়ো ব'লা বুলি কৈ দোকানৰ কাউন্টাৰটোৰ ওচৰলৈ গ'ল, পিছে পিছে মইয়ো ।

তেনেতে মোক উদ্দেশ্যি তাই মাত লগালে, "অ'কলিজা Sorry মানে মই Money বেগটো আনিবলৈ পাহৰিলো। তোমাৰ ATM খন দিয়াচোন। মনলৈ কিবা এটা ভাব আহিছিল যদিও মনৰ ভাব মনতে ৰাখি ATM খন তাইলৈ আগবঢ়াই দিলোঁ । ইমান মৰমত মাতিছে নিদিয়াকৈ থাকোনো কিদৰে ! প্ৰায় ৩০ ছেকেণ্ড মানৰ ভিতৰতে মোৰ ম'বাইলটোত মেছেজ এটা সোমাল, 12999 /- টকা এটা কাটিছে। মোৰ মূৰটো আচন্দ্ৰাই ধৰিলে। কোনো ৰকমে নিজকে চম্ভালি দোকানৰ বাহিৰলৈ ওলাই আহিলো।

বাইকখন ঘূৰাই ল'লো, তেনেতে তাই আকৌ মাত লগালে, "বাবু মোৰ বৰ ভোক লাগিছে, ব'লানা কিবা এটা খাই লওঁ। আৰে 1 টকা কম 13000 /- টকা হ'জম কৰিও ভোক লাগিয়েই আছে তাইৰ ! মোৰ খং উঠিছিল যদিও মুখ ফুটাই কব নোৱাৰিলো। এইবাৰ এখন ভাল ৰেষ্টুৰেন্টৰ সন্মুখত ৰখাব দিলে, ৰ'লো, ভিতৰসোমাই একোণত খালী হৈ থকা টেবুল খনতে চকীদুখন পাৰি বহিলো, ল'ৰা এজনে হাতত মেনো কাৰ্ডখন লৈ আমাৰ ওচৰত হাজিৰ হ'লহি। তাইয়ো কিছু সময় ভালদৰে চকুফুৰাই কিবা অলপ অৰ্ডাৰ দিলে, মই কি খাম বুলি সুধিলে, মই খালী চাহ একাপ ল'লো। তাই যিমান খালে তাতকৈ বেছি ঘৰলৈ টোপোলাহে বান্ধিলে। কিছু সময়ৰ পিছত ল'ৰা এজনে আহি বিলখন দি থৈ গ'ল। প্ৰায় দুই মিনিটমান বিলখন টেবুলতে পৰি থাকিল, মই তাইলৈ চালোঁ, হাঁহি হাঁহি ম'বাইলত ব্যস্ত হৈ আছে। শেষত যেনিবা একো উপায় নেদেখি মইয়ে বিলখন চালোঁ। বিলখন দেখি মোৰ চকু কপালত উঠিল, 4750/- টকা লিখা আছিল। আৰে আজি লৈকে মোৱেই হোটেলত 500/- টকাৰ ওপৰত বিল দিয়াৰ Record নাই। কোনো মতে মানিবেগৰ পৰা 5000/- টকাটো উলিয়াই বিলখনৰ লগতে ৰাখিলো। ল'ৰাজনেও চাগে মোৰ অৱস্থাটো বুজিছিল। সি মৃদু হাঁহি এটা মাৰি টকাখিনি উঠাই 250/- টকা এটা মোক দি গ'লহি। তেতিয়ালৈকে তাই সেই ম'বাইলটোতে ব্যস্ত। "যাওঁ ব'লা" বুলি দুইয়ো ওলাই আহিলো ; বাটত কাৰো মাত নাই, মোৰো মাত দিবলৈ শক্তি নাই আৰু তাইও একো কোৱা নাই। তাইক আগৰ বাছষ্টেণ্ডটোতে নমাই দি ময়ো ঘৰলৈ বুলি ওভতিলো। তেতিয়ালৈকে অলপহ'লেও সকলো থিকেই আছিল, কিন্তু ঘৰ পোৱা প্ৰায় ১ঘন্টা মানৰ পাছতহে লাগিল কেনাটো। যোৱাকালিৰ পৰা এতিয়ালৈকে প্ৰায় ৫০ বাৰৰ ওপৰত ফোন কৰিছো তাইলৈ কিন্তু ফোনটো এবাৰো নালাগিল। ইফালে আজি ফৰ্ম-ফিল আপ কৰিব নোৱাৰিলে মোৰ পিঠিত মাৰ বাঁহ জৰিৰ কোব পৰাটো খাতাং । কি কৰো এতিয়া তাকেহে বুজি পোৱা নাই ।

ইমান সময় একান্ত মনেৰে মোৰ কথা শুনি থকা হৰেনে মাত লগালে, "হ'ব দে বুজি পালোঁ তোৰ বেমাৰটো ক'ত, এতিয়া এইবোৰ চিন্তা বাদ দে, এই টকা 5000 /- ল আৰু ফৰ্ম-ফিলআপটো কৰি আহিবি। মোক যেতিয়া পাব তেতিয়াই উভতাই দিবি। —"ব'ল, এতিয়া চাহ একাপ খাই আহোঁ।

সি যেন কিবা এটা ধৰিব পাৰিলে, অৱশ্যে মই আশা এৰি নিদিলো, আকৌ এবাৰ ফোনটো লগাই চালো, আকৌ ফোনটোৱে সেই আগৰ দৰেই মাত লগালে, "আপুনি ডায়েল কৰা নম্বৰটো বৰ্তমান Switch Off হৈ আছে, অনুগ্ৰহ কৰি কিছুসময়ৰ পিছত পুনৰ চেষ্টা কৰক"।

# ৰেবকান্ত গাওঁবুঢ়াৰ নীতি

জাকাৰিয়া আহমেদ
৬ষ্ঠ ষান্মাষিক (কলা শাখা)

ৰেবকান্ত শইকীয়া গাঁৱৰ গাওঁবুঢ়া। তেখেতে গাঁওখনৰ সামাজিক নীতি-নিয়মৰ ওপৰত অধিক গুৰুত্ব দিয়ে। সেই গাঁৱৰে দেৱকান্ত শইকীয়া এখন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক। শিক্ষক দেৱকান্তৰ এজন লৰা আৰু এজনী ছোৱালী। শইকীয়া গাঁৱৰ কাষতে এখন মুছলমান সম্প্ৰদায়ৰ আহমেদপুৰ নামৰ গাওঁ। আহমেদপুৰ গাৱঁত এখন মধ্য ইংৰাজী বিদ্যালয় আছে। সেই বিদ্যালয়ৰ প্ৰধান শিক্ষক মোঃ মেহবুব আহমেদ। তেখেত বৰ নম্ৰ আৰু মৰমীয়াল আছিল। শইকীয়া গাঁৱৰ শিক্ষক দেৱকান্ত আৰু আহমেদৰ মাজত ভাল বন্ধুত্ব আছিল। ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ 'ৰমজান' মাহৰ শেষত মাহ শেষত 'ঈদ' হয়। সেই ঈদত আহমেদে বন্ধু দেৱকান্তক ঈদ খাবলৈ নিমন্ত্ৰণ দিয়ে। সেই মতে দেৱকান্ত আৰু তেওঁৰ ল'ৰা ছোৱালী হালৰ সৈতে শিক্ষক আহমেদৰ ঘৰত ঈদ খাবলৈ যায়। ঈদত আহমেদে বহু কিবাকিবিৰ ব্যৱস্থা কৰিলে বন্ধু দেৱকান্তৰ বাবে। কাৰণ দেৱকান্ত আহমেদৰ একমাত্ৰ প্ৰিয় বন্ধু। শিক্ষক দেৱকান্ত আহমেদৰ ঘৰত ঈদ খাবলৈ যোৱা কথাটো শইকীয়া গাঁৱৰ গাওঁবুঢ়া ৰেবকান্তই গম পালে। তাৰ পিছদিনাখনেই গাওঁবুঢ়াই সমাজ গোটাই শিক্ষক দেৱকান্তক এঘৰীয়া কৰি ৰাখে। কথাটো শুনি আহমেদে মনত বৰ আঘাত পালে। দুদিন মানৰ পিছত আহমেদ গাওঁবুঢ়া ৰেবকান্তৰ ওচৰলৈ গৈ ক্ষমা খুজি ক'লে, "আমি যে আপোনালোকৰ বিহু খাবলৈ আহো, বিহু খালে দেখোন আমাৰ গাওঁবুঢ়াই একো নকয়।" গাওঁবুঢ়াই কলে, "তোমালোকে যে গো মাংস খোৱা। সেইবাবে আমি তোমালোকৰ ঘৰত পানী এগিলাচো নাখাওঁ। আহমেদে গাওঁবুঢ়াৰ লগত যুক্তি তৰ্ক নকৰি মনৰ বেজাৰত গুচি আহিল।

এক সপ্তাহৰ পিছৰ কথা। এদিন এক মটৰ চাইকেল দুৰ্ঘটনাত বেয়াকৈ আঘাত প্ৰাপ্ত হৈ গাওঁবুঢ়া হাস্পাতাললৈ যাব লগীয়া হ'ল। বি নিগেটিভ (B –) তেজৰ প্ৰয়োজন হ'ল। "(B –)" তেজ গাওঁবুঢ়াৰ লগত যোৱা মানুহৰ তথা পৰিয়ালৰ এজনৰো নোলাল। আনকি ব্লাড বেংক (Blood Bank) টোত যোগাযোগ কৰিলে বিভাগীয় কৰ্তৃপক্ষই। কিন্তু কতো (B –) তেজ পোৱা নগ'ল। গাওঁবুঢ়াৰ খবৰটো শুনি শিক্ষক আহমেদ হাস্পাতাললৈ ওলালগৈ। দেখে যে বুঢ়াৰ অৱস্থা নাই। বুঢ়াক (B –) তেজৰ প্ৰয়োজন। এনেতে শিক্ষক আহমেদে চিকিৎসকক কলে, 'মোৰ (B –) তেজ। মোৰ পৰাই তেওঁৰ যিমানখিনি তেজৰ প্ৰয়োজন লৈ যাওঁক। আহমেদে গাওঁবুঢ়াক তেওঁৰ তেজৰ সহায়ত মৃত্যুৰ পৰা ৰক্ষা কৰি আৰোগ্য কৰে। গাওঁবুঢ়াৰ আৰোগ্য হৈ গম পালে যে আহমেদেহে তেওঁক মৃত্যুৰ পৰা ৰক্ষা কৰিলে। গাওঁবুঢ়াই মনতে ভাবিলে যে আমাৰ তেজৰ গ্ৰুপ কিয় একেই। মই আহমেদক ইমান বেয়াকৈ কোৱাৰ পিছতো দেখোন আজি হি মোক মৃত্যুৰ পৰা ৰক্ষা কৰিলে। আহমেদে মাকৰ পৰা গম পাইছিল যে, গাওঁবুঢ়া ৰেবকান্ত শইকীয়া আহমেদৰ বৰদেউতাৰ ল'ৰা আছিল। এমহীয়া বয়সতে তেওঁৰ মাক দেউতাক দুয়োজন মেলেৰিয়া বেমাৰত ঢুকাইছিল। এমহীয়া শিশুটোক কোনেও যতন কৰিব বিচৰা নাছিল। সেই কথাটো শইকীয়া গাঁৱৰ নৰকান্ত শইকীয়াই গম পাই ল'ৰাটোক নি তুলি তালি ডাঙৰ দীঘল কৰে। শেষত তেওঁৱেই অৰ্থাৎ ৰেবকান্ত শইকীয়া গাৱঁৰ গাওঁবুঢ়া হয়। গাওঁবুঢ়াই যেতিয়া আহমেদৰ মুখেৰে নিজৰ পৰিচয়ক গম পালে, তেতিয়া তেওঁ বৰ লজ্জিত হল আৰু শিক্ষক আহমেদক ক্ষমা বিচাৰিলে।



# আত্ম-নিৰ্ভৰশীলতা

**মিছ ইয়েছমিন বেগম**
স্নাতক ষষ্ঠ ষাণ্মাসিক (কলা শাখা)

আত্ম-নিৰ্ভৰশীলতা জীৱনৰ অন্যতম দৰকাৰী গুণ। কাৰো ওপৰত নিৰ্ভৰ নকৰি নিজে নিজৰ কাম কৰি ল'ব পৰাটোৱেই আত্ম নিৰ্ভৰশীলতা। অৱশ্যে মাত্ৰ এই বাক্যটিৰে আত্ম-নিৰ্ভৰশীলতাৰ সূত্ৰ সীমিত কৰিব নোৱাৰি। বাস্তৱত ইয়াৰ পৰিসৰ বহুত বহল আৰু এই গুণ আয়ত্ত কৰাটোও বৰ কঠিন কাম।

পিতৃ-মাতৃয়ে জন্ম দিয়া শিশুক শিক্ষাই মানুহ' হিচাবে গঢ়ি তোলে। শিক্ষাৰ কঠিয়াতলী হৈছে আমাৰ ঘৰখন। ঘৰখনৰ সমস্যাসমূহৰ পৰাই শিশুৱে ভাষা শিক্ষাৰ পাতনি মেলে আৰু অন্যান্য আচাৰ-ব্যৱহাৰ, আদৰ্শ শিকিবলৈ আৰম্ভ কৰে। এইবোৰৰ মাজতেই শিশুৰ মাজত আত্ম-নিৰ্ভৰশীলতাৰ বীজো ৰোপিত হোৱাৰ উপযুক্ত ক্ষেত্ৰ। আধুনিক জীৱন পদ্ধতিয়ে আমাৰ পৰনিৰ্ভৰশীলতা বৃদ্ধি কৰিছে। আমাৰ জীৱন ধাৰা এক শৃংখলাৰ দ্বাৰা পৰিবেষ্টিত হৈছে। যিকোনো এজন মানুহৰ জীৱন অন্য বহু কাৰকৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছে। এইবোৰ অৱশ্যে সমাজ-জীৱনৰ কথা। শিশুৰ বৌদ্ধিক বিকাশৰ লগতে বিকশিত হ'ব লাগে আত্ম-নিৰ্ভৰশীলতাৰ চৰ্চা। ঘৰতেই এই গুণটোৰ আৰম্ভণি হ'ব লাগে। নিজৰ কাম নিজে কৰি ল'বলৈ সকলো শিশুকে ঘৰতেই শিকাৰ

লাগে। বিদ্যালয় শ্ৰেণী কোঠাত যেনেকৈ আনৰ সহায় নোলোৱাকৈ নিজৰ সকলো কাম কৰিবলৈ শিকিব লাগে। 'হোমৱৰ্ক' খিনিও নিজে নিজে কৰিব লাগে। স্কুললৈ নিবলগীয়া বহী-কিতাপ, কাগজ-কলম ইত্যাদি ঠিক কৰি লোৱাৰ পৰা আৰম্ভ কৰি নিজৰ কাপোৰ-কানি নিজে নিজে ঠিক কৰি লোৱা, স্কুলৰ পৰা আহি সেইবোৰ ঠিক কৰি থোৱা, খেলা-ধূলা কৰা, নিজে প্ৰস্তুত কৰা সময়সূচীমতে পঢ়া-শুনা কৰা ইত্যাদি কামেৰে জীৱনৰ আত্ম-নিৰ্ভৰশীলতাৰ পাতনি মেলিব লাগে। বয়সৰ লগে লগে এই আত্ম-নিৰ্ভৰশীলতাৰ পৰিসৰো বৃদ্ধি পায়। এটা পৰ্যায়ত নিজৰ উপাৰ্জনৰ দ্বাৰাই পঢ়-শুনাৰ খৰচ উলিওৱা, নিজৰ ভৱিষ্যত পৰিকল্পনা কৰা আৰু সেইমতে অগ্ৰসৰ হোৱাটো আজিৰ আত্ম-নিৰ্ভৰশীলতাৰ আলোচনাৰ বিষয়। আত্ম-নিৰ্ভৰশীলতাৰ অভ্যাসে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ জীৱন সফল হোৱাত মুখ্য ভূমিকা লয়। আজিৰ ছাত্ৰ কাইলৈৰ দেশৰ নাগৰিক। অৰ্থাৎ এই ছাত্ৰ-ছাত্ৰীসকলৰ পৰা আত্ম প্ৰকাশ কৰা নাগৰিকৰ এচামে কাইলৈ দেশৰ শাসনৰ বাঘজৰী হাতত ল'ব, কোনোবাই ডাক্তৰ হৈ চিকিৎসা সেৱা আগবঢ়াব ; কোনোবাই ইঞ্জিনিয়াৰ হৈ জাতীয় সম্পদৰ বিকাশ গঠনত জড়িত হ'ব। পৰৱৰ্তী কালৰ বাবে ভাল শিক্ষক, ৰাজনীতিক, শিল্পী, ক্ৰীড়াবিদ আদি সমাজৰ বিভিন্ন ক্ষেত্ৰত দৰকাৰী মানৱ সম্পদ আজিৰ ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰাই ওলাই আহিব। কাইলৈৰ সমাজৰ বাবে দৰকাৰী এই মানৱ সম্পদ উপযুক্ত হ'ব, যদিহে এই সকলে সমাজক নেতৃত্ব দিয়াত সাৰ্থক হয়। প্ৰাধানতঃ পৈণত সিদ্ধান্ত গ্ৰহণৰ সাৰ্থকতা মূল দৰকাৰী বিষয় হয়। আমাৰ সমাজৰ বেছিভাগ সমস্যাৰ উৎস বিভিন্ন ক্ষেত্ৰৰ নেতৃত্বত সু সিদ্ধান্তৰ অভাৱ। অপৰিপক্ক সিদ্ধান্তৰ মূলতে নেতৃত্বত থকা ব্যক্তিৰ আত্মবিশ্বাসৰ অভাৱ। আত্মবিশ্বাসৰ অভাৱৰ মূলতেই হ'ল পৰনিৰ্ভৰশীলতা। স্কুলীয় দিনৰ পৰাই পৰনিৰ্ভৰশীলতাৰ মৌলিক চিন্তাধাৰা সু-সমাজ নহয় আৰু ইয়াৰ বহিঃপ্ৰকাশ হয় পৰৱৰ্তীকালৰ সমাজ জীৱনত।

আমাৰ সমাজত দিনে দিনে বাঢ়ি অহা সন্ত্ৰাস, হিংসা-বিদ্বেষ, দুৰ্নীতি, ভ্ৰষ্টাচাৰ আদিৰ মূলতে ব্যক্তিৰ আত্ম-নিৰ্ভৰশীলতাৰ অভাৱৰ প্ৰভাৱ আছে। উল্লেখ কৰা উচিত হ'ব যে ব্যক্তিৰ আত্ম-নিৰ্ভৰশীলতাৰ পৰাই জাতীয় আত্ম-নিৰ্ভৰশীলতা গঢ়ি উঠে। কিয়নো ব্যক্তিৰ সমষ্টিয়েই সমাজ। ব্যক্তিৰ অবিহনে সমাজ সৃষ্টি হ'ব নোৱাৰে। সমাজ ব্যক্তিৰ বাবে সৃষ্টি হয়। সমাজৰ আত্ম-নিৰ্ভৰশীলতাই জাতীয় আত্ম নিয়ন্ত্ৰণৰ পথ প্ৰশস্ত কৰে যিয়ে আনে জাতীয় স্বনিৰ্ভৰশীলতা। জাতীয় উন্নয়নত এই স্বনিৰ্ভৰশীলতা নিতান্তই দৰকাৰী ।

## মহৎলোকৰ বাণী

১। জ্ঞানী মানুহৰ জাত নাই, আছে অজ্ঞানীৰ — কমলাকান্ত ভট্টাচাৰ্য

২। নিজে অভদ্ৰ বুলি পৰিচয় নিদিয়ালৈকে সকলোকে ভদ্ৰ বুলি ভাবিবা — মহাত্মা গান্ধী।

৩। মানুহ এজনক তেওঁৰ উত্তৰৰ দ্বাৰা নহয়, তেওঁৰ প্ৰশ্নৰ দ্বাৰাহে বিচাৰ কৰিব লাগে — ভল্টেয়াৰ।

৪। নিজে প্ৰমাণ কৰিব নোৱাৰালৈকে কোনো কথা সত্য বুলি গ্ৰহণ নকৰিবা — ৰেনে ডেকাৰ্টে।

৫। চিন্তা কৰিবা জ্ঞানী মানুহৰ দৰে, কিন্তু চিন্তাখিনিক প্ৰকাশ কৰিবা সাধাৰণ মানুহৰ ভাষাৰে — উইলিয়াম বাটলাৰ।

৬। সৃষ্টিৰ আটাইতকৈ সুন্দৰ বস্তু হ'ল ফুল, কিন্তু তাৰ শিপাবোৰ থাকে মাটি আৰু গোবৰত — ডিএইচ লৰেঞ্চ।

৭। প্ৰকৃতিৰ লগত সংঘৰ্ষত লিপ্ত হোৱাটোৱেই হল আধুনিক মানুহৰ আটাইতকৈ ডাঙৰ মূৰ্খামি — এ. পি. জে. আব্দুল কালাম।

৮। শৰীৰৰ কাৰণে ব্যায়াম যেনেকৈ দৰকাৰী, তেনেকৈ মনৰ কাৰণে কিতাপ পঢ়াৰ অভ্যাস — ছাৰ ৰিচাৰ্ড ষ্টিলি।

# অনাকাংক্ষিত সেই দিনটো

**Sreepali Dutta**
TDC 3rd Semester

আজি দেওবাৰ অপৰাজিতা এমাহৰ পিছত ঘৰত আহিছে। তাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰী। দুপৰীয়া খোৱা-বোৱাৰ পিছত ঘৰৰ আলমাৰিত এখন ফটো এলবাম পালে তাই। ফটোবিলাগ চোৱাৰ সময়ত তাই নিহঁতৰ পুৰী ভ্ৰমণৰ কিছুমান ফটো পালে। প্ৰায় ১৩ বছৰ হই গল তাইৰ পুৰী যোৱা। পুৰী ভ্ৰমণৰ স্মৃতিবোৰ তাইৰ মনত এতিয়াও স্পষ্ট।

হঠাৎ তাইৰ এটা ঘটনা মনত পৰিল। অলপ সময় চিন্তা কৰি তাই যেতিয়া ঘটনাটো ভালকৈ বুজিব পাৰিলে, তাইৰ ভৰিৰ তলৰ পৰা মাটি যেন নাইকীয়া হৈ গ'ল। তাইৰ হাত ভৰি কঁপিব ধৰিলে। ঘটনাটো যেন তাইৰ জীৱনৰ এটা দুঃসপোন। কিন্তু সেই মুহূৰ্ততেই শান্তিৰ ভাব তাইৰ মনত প্ৰবাহিত হ'ল। তাই নিজকে অতি ভাগ্যবান বুলি মন কৰিলে কাৰণ সেই ঘটনাটোৰ প্ৰকোপৰ পৰা তাই কোনোমতে নিস্তাৰ পাইছিল।

আজিৰ পৰা প্ৰায় ১৩ বছৰ আগত অপৰাজিতা যেতিয়া ৫ বছৰৰ আছিল তাইৰ পেহী আৰু ককাইদেউতাৰ লগত তাই পুৰী ফুৰিবলৈ গৈছিল। তেওঁলোকে ৬ দিনৰ কাৰণে তাত গৈছিল। পুৰী যাওতে ৰেলত ৩৬ ঘন্টা সময় লাগে। তেওঁলোকে সোমবাৰে দুপৰীয়া পুৰী গৈ পালে। তেওঁলোকে পুৰীৰ সমুদ্ৰৰ ওচৰতেই এখন হোটেল ভাড়া লৈছিল। দ্বিতীয় দিনা মঙ্গলবাৰৰ পৰা বৃহস্পতি বাৰলৈকে তেওঁলোকে জগন্নাথ মন্দিৰ, গোলডেন বিচ, চিড়িয়াখানা, মিউজিয়াম আদি দৰ্শন কৰিলে। শুক্ৰবাৰে ৰাতি ১০ বজাত তেওঁলোকৰ ৰিটাৰ্ন ট্ৰেন আছিল। সেয়েহে শুক্ৰবাৰে অপৰাজিতাই তাইৰ পেহীয়েকৰ লগত হোটেলৰ ওচৰৰ পাৰ্কখন ফুৰিবলৈ গৈছিল। তাই খেলিবলৈ বহুত ভাল পাইছিল। পাৰ্কত তাই কিছুমান সৰু লৰা-ছোৱালীৰও লগ পাইছিল। তাই বহুত আনন্দ পাইছিল প্ৰায় দুঘন্টা খেল-ধেমালীৰ পিছত সেই লৰা-ছোৱালীৰ মাক-দেউতা আহিল আৰু সিহঁতক লৈ গ'ল। কিন্তু অপৰাজিতাৰ যেন আৰু খেলিবৰ মন আছিল । তাই আকৌ আহি পেহীয়েকৰ লগত বহিল।

১০ মিনিট পিছত এজোপা গছৰ পিছফালেদি তাইক কোনোবাই মাতিলে। তাই ভাবিছিল সেই ল'ৰা-ছোৱালীবোৰ চাগে আকৌ আহিছে। পেহীয়েকৰ পৰা অনুমতি লৈ তাই আকৌ খেলিবলৈ যায়। কিন্তু এইবাৰ সেই ল'ৰা-ছোৱালীবোৰৰ ঠাইত এজন মধ্যবয়সী ল'ৰা আছিল। সি তাইক কলে যে তাৰ ভন্টীয়ে তাইৰ লগত খেলিব বিচাৰিছে। তাই সেই ল'ৰাটোক সহজতেই বিশ্বাস কৰিছিল আৰু তাৰ লগত পাৰ্কত থকা এখন ঘৰত গৈছিল। তাত তাই তাৰ ভন্টীক বহুত বিচাৰিলে কিন্তু পোৱা নাই। পিছত তাই ঘৰটোৰ পৰা ওলাই আহিল আৰু তাক তাৰ ভন্টীৰ কথা সুধিলে। সি একো নোকোৱাকৈ তাইৰ ওচৰত আহিবলৈ ধৰিলে আৰু তাইক চুব ধৰিলে। অপৰাজিতা মাত্ৰ ৫ বছৰৰ কণমানী আছিল। তাইৰ সেই ল'ৰাটোৰ বেয়া উদ্দেশ্য বুজাৰ ক্ষমতা নাছিল। সেই মুহূৰ্ততেই পিছফালৰ পৰা এটা কথা তাই শুনিবলৈ পালে 'পলাই যোৱা অপৰাজিতা, পলাই যোৱা'। কিন্তু তাত কোনো নাছিল। মাতটো যেন তাইৰ বৰ আপোন লাগিল। তাই বুজিব পাৰিলে যে ল'ৰাজন ভাল নহয়। তাই পলাবলৈ যাওতে সি বাধা দিছিল। কিন্তু তাই নখেৰে, দাঁতেৰে তাক আঘাত কৰি কোনোমতে পলাই গৈ তাইৰ পেহীৰ ওচৰত বহিছিল। কিন্তু এই ঘটনাটো তাই কাকো কোৱা নাছিল।

আজি ইমান বছৰৰ পিছত ঘটনাটো যেতিয়া মনত পৰিল, তাই আচৰিত। তাই বিশ্বাস কৰে যে অবাস্তৱ এতিয়াও ।

# স্কুল

**সুমন দেৱনাথ**
স্নাতক ৪ৰ্থ ষাণ্মাসিক

গৰম বা ঠাণ্ডা বৰষুণ দিয়ক বা বেমাৰেই হওঁক মই কিন্তু সদায় স্কুল যাওঁ, কাৰণ মোৰ ভাল লগা ঠাই আছিল, মোৰ স্কুল। ইয়াত মোৰ মন পঢ়াৰ বাদে বাকী সকলো কামতে লাগিছিল — কাৰোবাৰ লগত কাজিয়া কৰা, ধমকি দিয়া, শিক্ষকৰ মূৰ নষ্ট কৰা, সমনীয়াৰ সৈতে বহি হাঁহি থকা আৰু নহ'লে শ্ৰেণী কোঠাৰ পৰা ওলাই আহি বৰষুণৰ পানীত নাওঁ চলোৱা আদি।

এইবোৰৰ পাছতো কিন্তু মোক শিক্ষকে বেছি শাস্তি দিয়া নাছিল কাৰণ শিক্ষকে ভাবিছিল মই পঢ়াত বৰ ভাল আৰু মোৰ ফালৰ পৰা মই ইমান খিনি নিশ্চয় পঢ়িছিলো যাতে ঘৰৰ পৰা মোক পঢ়াৰ বাবে কোনো শাস্তি নিদিয়ে। মাত্ৰ এক ঘণ্টা পঢ়ি লোৱা যা'তে চাৰি ঘণ্টা আৰামত খেলিব পৰা যায়, এইবোৰেই আছিল মোৰ জীৱনৰ স্কুল লাইফ (life)।

আৰু আমাৰ স্কুলৰ ছোৱালীবোৰ ভাল ছোৱালীবোৰে সদায় বদমাচি ল'ৰাবোৰকহে ভাল পায়। মই সিহঁতৰ লগত কাজিয়া কৰোঁ সিহঁতৰ টিফিন চুৰ কৰি খাওঁ, জোকাই থাকোঁ আৰু কেতিয়াবা কেতিয়াবা চুলিত ধৰি টানিও থাকোঁ কিন্তু তাৰ পাছতো ইহঁতে মোক ভাল পায়। যেতিয়াই মোক শ্ৰেণী কোঠাৰ পৰা বাহিৰ কৰি দিয়াৰ শাস্তি দিয়া হয় তেতিয়াতো বহু কেইজনী মোৰ লগত বাহিৰত ওলাই যাবলৈ বুদ্ধি কৰি থাকিছিল। কোনো নহয় কোনোবা এজনীতো কিবা নহয় কিবা এটা কাৰণত বাহিৰত ওলাই আহিছিল। যদি কিবা কাৰণত এদিন স্কুল নাযাওঁ তেনেহ'লেতো কেইজনী মানে মোৰ খবৰ ল'বলৈ ঘৰ আহি পাইছিলহি আৰু মই তেতিয়া ভয় খাই গৈছিলোঁ। কেতিয়াবা কেতিয়াবা মই লুকাই থাকিছিলোঁ আৰু মাক ক'বলৈ দিছিলোঁ যে মই ঘৰত নাই।

ইহঁতৰ পৰা বেলেগ এজনী আছিল অনামিকা। তাই এজনীয়েই এনে ছোৱালী আছিল যিয়ে সদায় মোৰ বিষয়ে অভিযোগ দি ফুৰিছিল। তাই মোৰ লগত কথা পাতিব'ও ভাল নাপাইছিল, য'ত মই থওঁ তাই তালৈ কেতিয়াও নগৈছিল। তাইৰ এই ব্যৱহাৰবোৰ মোৰ



আঁচৰিত লাগিছিল যদিও বেছি ভবাৰ সময়ো মোৰ ওচৰত নাছিল। কিন্তু গ'ম নাপালোঁ যে মই কেনেকৈ তাইক চাই থাকিবলৈ আৰম্ভ কৰিলোঁ। কেতিয়াবা ভুলতে চকুতে চকু পৰি গ'লে মই চাই ৰৈছিলোঁ আৰু তাই চকু আঁতৰাই দিছিল। প্ৰায় ডেৰ বছৰ ধৰি এনেদৰে চলিছিল কিন্তু আমাৰ মাজত কোনো কথা বতৰা হোৱা নাছিল।

স্কুলত আমাৰ শেষৰ বছৰ আছিল। মই ফাকুৱা খেলি বৰ ভাল পাইছিলো আৰু স্কুলত ফাকুৱা খেলা নিষেধ বুলি জনাৰ পাছতো মই প্ৰতি বছৰে স্কুল ছুটিৰ পাছত ফাকুৱা খেলোঁ। যিয়ে মোৰ আগত পৰে মই কাকো নেৰোঁ। সেই দিনাও মই বেগত বহুখিনি ফাকুৱা লৈ গৈছিলোঁ আৰু স্কুল ছুটিৰ পাছত সকলোৰে সৈতে খেলিছিলো। মোৰ দুখন হাত ফাকুৱাৰে ভৰি আছিল আৰু মই যেতিয়া লগৰ এজনক ফাকুৱা লগাবলৈ দৌৰি গৈছিলো তেতিয়া হঠাৎ মোৰ আগত অনামিকা ওলালহি। গ'মেই পোৱা নাছিলো মই কেনেবাকৈ গোটেইখিনি ৰং তাইৰ গালত ঘঁহি দিলোঁ। তাই খঙৰে মোৰ ফালে চাই আছিল আৰু টেপৰ ওচৰত গৈ ৰং খিনি চাফা কৰি কৰি কান্দি আছিল।

"ইয়াত কান্দিব লগীয়া কি আছে? ফাকুৱাতো সকলোৱে খেলে। ফাকুৱা বন্ধু-বান্ধৱীৰ লগত খেলা হয়, তুমি কি মোৰ বন্ধু নহয় নেকি, ৰ'বা কালিলৈমই তোমাৰ বিষয়ে প্ৰধান আচাৰ্যৰ ওচৰত অভিযোগ দিম।"

মই খঙৰে তাৰ পৰা গুচি গ'লো, তাই প্ৰধান আচাৰ্যৰ ওচৰত মোৰ বিষয়ে অভিযোগ দিছিল নে নাই গম পোৱা নাছিলো কিন্তু এতিয়াৰ পৰা মই আৰু তাইৰ ফালে চোৱা বন্ধ কৰি দিলো। সেই বাটেৰেও যোৱা বন্ধ কৰি দিছিলো যিটো বাটেৰে তাই গৈছিল আৰু য'ত মই আগতে জানি-বুজিও গৈছিলো।

কিছুদিন পিছত বিদায় সভা আহি আছে মানে আমি সকলো বেলেগ বেলেগ হোৱাৰ সময়। শেষত এই দিনটোও আহি গ'ল। সেই দিনা তাই নীলা শাৰী পিন্ধি আহিছিল। সকলোৱে জানে যে মই নীলা ৰং ভাল পাওঁ, সুধিবলৈ মনটো গৈছিল যে মই ভাল পোৱা ৰঙৰ কাপোৰ কিয় পিন্ধিছ?" সেই দিনা স্কুলত বহু খিনি কাৰ্যক্ৰম হৈছিল আৰু সকলোৱে তাতে ব্যস্ত আছিল। মই মাজে মাজে অনামিকাৰ ফালে চাই আছিলোঁ। তাইক আজি বহুত ধুনীয়া লাগিছিল। ৪ টা মান বজাত জুনিয়ৰ (Junior) ছাত্ৰ এজনে আহি মোক এখন চিঠি দি গৈছিল, মই সেইটো পকেটত ৰাখি দিছিলোঁ আৰু তাইৰ লগত কথা পতাৰ আগতেই দেখোন তাই ইয়াত নাই। সেই সময়ত মোৰ ওচৰত কিছুমান বন্ধু আহিছিল আৰু মইও সিহঁতৰ লগত ধেমালি কৰিবলৈ আৰম্ভ কৰিলোঁ। আৰু পকেটত ৰখা চিঠিৰ কথা পাহৰি গ'লো।

৫ টা মান বজাত যেতিয়া কাৰ্যক্ৰম শেষ হ'ল সকলোৱে লাহে লাহে ঘৰলৈ যাবলৈ আৰম্ভ কৰিলে তেতিয়া মোৰ আকৌ হঠাৎ তাইৰ কথা মনত পৰিল আৰু মই তাইক চাৰিওফালে বিচাৰিবলৈ আৰম্ভ কৰিলোঁ। কিন্তু গোটেই স্কুলত বিচৰাৰ পাছতো তাইক ক'তো দেখা নাই। পাছত ভাবিলো তাই চাগে সোনকালে ঘৰলৈ উভতি গৈছিল, কিন্তু মোৰ মনটো কিয় বেয়া হৈ আছিল? মইতো তাইৰ লগত কেতিয়াও কথা পতাও নাছিলোঁ আজি হঠাৎ তাই সোনকালে ঘৰলৈ উভতি যোৱাত মোৰ মনটো কিয় বেয়া হৈ আছিল? মইতো তাইৰ লগত কেতিয়াও কথা পতাও নাছিলোঁ আজি হঠাৎ তাই সোনকালে ঘৰলৈ উভতি যোৱাত মোৰ মনটো কিয় বেয়া হ'ল ভাবি ভাবি ঘৰ পালোহি। জুতাযোৰ খুলি নিজৰ কোঠালিত সোমাই সেই কাপোৰৰ সৈতে বিছনাত শুই পৰিলোঁ, মনে মনে কি ভাবি আছিলোঁ গ'মেই পোৱা নাই। মায়ে ভাত খাবলৈ মাতাৰ পাছত মুখ ধুবলৈ গৈ হঠাৎ পকেটৰ পৰা চিঠিখন উলিয়াই পঢ়িবলৈ আৰম্ভ কৰিলো, তাত লিখা আছিল — "আজি ৯ টা বজাৰ গাড়ীৰে আমি সকলো শিলঙলৈ গুচি যাম, এতিয়াৰ পৰা মোৰ পঢ়া-শুনা তাতে হ'ব ৫ বজাত স্কুলৰ পাছফালে থকা বাটত তোমাক লগ কৰিবলৈ ৰৈ থাকিম — অনামিকা।

ঘড়ী চাই দেখো যে ৯:৩০ বাজি গৈছে। মই কাকো একো নোকোৱাকৈ ছাদৰ ওপৰত উঠি আকাশত থকা তৰা বোৰলৈ চাই মোৰ মনৰ অনুভূতিৰ তৰাটো বিচাৰি আছিলোঁ। মোৰ চকুৰ পানী দু-টোপালৰ ওচৰতো কোনো উত্তৰ নাছিল যে মই কিয় কান্দি আছোঁ।

# মৰুভূমিৰ চুটিগল্প

অভিজিৎ ৰাজবংশী
স্নাতক ষষ্ঠ ষাণ্মাসিক (কলা শাখা)

স্বপ্নীল মৰুভূমিত এখোজ দিয়াৰে পৰা কিবা উৰুৱাই লৈ গ'ল মোৰ হৃদয় বাসনাক। এটি খোজ, দুটি হেপাঁহ আৰু এবিশাল নোহোৱা বাঞ্চনা । তথাপিও অদৃশ্যতাৰ মাজত জীয়াই থোৱা প্ৰতিটো পলেই মোৰ হৃদয় বাসনাক। এটি খোজ, দুটি হেপাঁহ আৰু এবিশাল নোহোৱা বাঞ্চনা। তথাপিও অদৃশ্যতাৰ মাজত জীয়াই থোৱা প্ৰতিটো পলেই মোৰ বাবে চিৰস্থায়ী শলিতাৰ দৃশ্যতৰা। গৈছিলোঁ হেপাঁহ উজাৰি নিলাভ আঁকিবলৈ আৰু আঁকিও আহিলোঁ অনিশ্চয়তাৰ বুকুত উজাগৰী হেপাঁহ। প্ৰতিটো পলেই সুমধুৰ আছিল মোৰ বাবে। কাৰণ নিজানৰ বোকাচাত শৰত লিখা এজন অজান পৃথক, চঞ্চল, নষ্টাল উল্কা মই। মৰুভূমিৰ বালিৰ আঁৰত সিঁচি আহিলোঁ মোৰ অনন্ত হেপাঁহ অসমীয়া বুলি ।চাগে আৰু নাপাম উজাগৰী নিশাৰ নিশব্দ বতাহ। এজাক সপোন হৈ বৈ যাবা আমেৰ ফৰ্ট, জেয়ছলমাৰ, যোধপুৰৰ চিৰস্থায়ী হাবিয়াস। কাৰণ ইকুন বতাহেও বিডিয়াই থৈ যায় শুকান নিস্তব্ধতা । বাৰেবৰণীয়া নৃত্যৰ সমাহাৰৰ উৎসুক মই নহয়। মই হ'লো একক শতাব্দীৰ বাসিন্দা। এপলকৰ মাজত নিজৰ শব্দ বিচৰা আবাহিছ কৰি মই। মই সময়ৰ চিকাৰী নহয়, এপলক মুহূৰ্তৰ কাৰণে বোৱা পাগল বোঁৱতী মই । বেয়া লাগিছিল কেতিয়াবা শুকান ছাঁবোৰ দেখি। পলকতে বিচাৰিছিলো মই ইকোণ পোহৰ কৰি দিওঁ বুলি। কিন্তু মৰুৰ আগত মইনো কি? মই হলোঁ মদিৰাৰ গোন্ধত আমোলমোলোৱা এজন আবাহিছ প্ৰেমী। মৰুৱেও জানে ন'হ। দিন গৈ আছিল, আবেগ বাঢ়ি গৈছিল কিন্তু কিনো হব আমিতো নহয় নষ্টাল নগৰীৰ চিৰস্থায়ী প্ৰতাপী। অ অ বৈ গ'ল যোধপুৰৰ বাক্যখিনি। কিনো কম ওবে ৰাতিচোন কটালোৱে নীৰৱ বাহুৰ শূন্যখিনিত। জয়পুৰতো গ'লেই মোৰ আগতীয়া উত্তপ্তালিত। তথাপিও বেলিৰ পোহৰত এটুপী আবিৰৰ টোপাল হৈ ৰ'ল চিৰস্থায়ী । শেষত উদয়পুৰ নিশা, ইছ ইকোন আছিল যদিও মোৰ কাৰনে গাগৰী মৰুৰ আবাস আছিল। বাকী বাহুৰ মনোৰঞ্জন, বেলত বিহু গীত গোৱা নোবাৰো পাহৰিব ।

কিন্তু চিমি বৈ গ'ল চিৰ শদিয়াৰ আৱেগ হৈ ।

# সমাজত নাৰীৰ স্থান

**মুফিদা ফিৰদৌছ বৰভূঞা**
স্নাতক ষষ্ঠ ষাণ্মাসিক

সাম্প্ৰতিক আমাৰ দেশত নাৰীসকল কিমান সুৰক্ষিত সেই বিষয়টোত প্ৰশ্নবোধক চিন আহি পৰিছে। দৈনিক বাতৰিকাকত তথা বৈদ্যুতিক মাধ্যমত একাধিক নাৰী সম্পৰ্কীয় অপৰাধজনিত বাতৰি পৰিবেশিত হোৱাটোৱে নাৰী সমাজৰ অসুৰক্ষিত অৱস্থাটোৰ প্ৰতিফলন ঘটায়। সমঅধিকাৰ, সমমৰ্যাদা সংবিধানত প্ৰদান কৰিছে আৰু কৰ্মক্ষেত্ৰতো দৰমহাৰ ক্ষেত্ৰত বৈষম্যৰ কথা সংবিধানে কোৱা নাই। তৎসত্বেও নাৰীসকলে সমমৰ্যাদা, সমঅধিকাৰ সকলোতে পাইছেনে? পৰিয়ালৰ ভিতৰতে নাৰীগৰাকী অনেক সময়ত পুৰুষৰ সমমৰ্যাদাৰ পৰা বঞ্চিত হয় আৰু সমঅধিকাৰ পোৱাতো বাধা প্ৰদান কৰা হয়। সাধাৰণতে আৰ্থিকভাৱে পৰনিৰ্ভৰশীল নাৰীগৰাকীয়ে যৌতুকৰ বাবে অত্যাচাৰ হোৱা পৰিলক্ষিত হয়।



২০০১ চনৰ লোকপিয়াল অনুসৰি আমাৰ দেশৰ মুঠ জনসংখ্যাৰ ৪৮% মহিলা তৎসত্বেও তেওঁলোক পৰিয়াল, সমাজ, ৰাজনৈতিক ক্ষেত্ৰ, কৰ্মস্থান আদিত বৈষম্যৰ বলি হৈ আহিছে। বহু সময়ত তেওঁলোকৰ মতামতক পৰিয়ালৰ ভিতৰতে অগ্ৰাহ্য কৰা দেখা যায়। কন্যা সন্তানৰ প্ৰাণ হত্যা কৰাটোত মাতৃৰ আপত্তিও অনেক সময়ত অগ্ৰাহ্য কৰা দেখা যায়। মুঠতে নাৰীগৰাকীৰ জীৱনৰ প্ৰতিটো সিদ্ধান্ত ঘৰৰ আনলোকেহে লোৱা দেখা যায়।

৮ মাৰ্চৰ দিনটো বিশ্বৰ সকলো ঠাইত নাৰী দিৱস হিচাপে পালন কৰা হয়। ভাৰতৰ বেছিভাগ ৰাজ্যৰ ৬০% (শতাংশই) সকলো দিশতে পুৰুষৰ ওপৰত নিৰ্ভৰশীল। তথাপি মানৱ জাতিৰ সৃষ্টিৰ ঘাই শিপাডালেই

হৈছে নাৰী। নাৰী অবিহনে পৃথিৱীৰ সকলো অস্তিত্বহীন, আত্মসাৰশূন্য । কিন্তু দুখ লগা বিষয় এয়ে যে পুৰুষৰ সমানে আগবাঢ়ি যোৱাৰ বাটত প্ৰতিগৰাকী নাৰীয়ে সমাজত শাৰীৰিক, মানসিকভাৱে বহুতো বাধাৰ সন্মুখীন হব লগা হয়। হয়তো সেইবাবেই আজিও আমি নিশব্দে সুসভ্য জাতি বুলি পৰিগণিত হ'ব পৰা নাই। আমাৰ দেশৰ বেছিভাগ নাৰী দুখ, নিৰ্যাতন, অসুৰক্ষিত অৱস্থাত দিন অতিবাহিত কৰিব লগা হৈছে। সীমিত সংখ্যক নাৰী শিক্ষিত আৰু সুৰক্ষিত হ'লেই, নাৰী বৰ্ষ উদ্‌যাপন কৰি মেল মিটিং পাতিলে সকলো সমস্যাৰ সমাধান নহয়। বহুতো ক্ষেত্ৰত নাৰীয়েই নাৰীৰ শত্ৰু ৰূপে থিয় দিয়ে। বৰ্তমান সময়ত নাৰীক পুৰুষৰ সৈতে সংবিধানত সমঅধিকাৰ দিয়া হৈছে। এই কথা প্ৰায় পৃথিৱীৰ সকলো দেশতে স্বীকৃত। তথাপি নাৰীৰ প্ৰতি থকা শাসনকাৰী মনোভাৱ পুৰুষ সমাজৰ পৰা আঁতৰ হোৱা নাই। বৰ্তমান নাৰীসকল আগবাঢ়ি গৈছে, ওলাই অহাৰ সাহস কৰিছে কিন্তু আজিও অকলসৰে নিৰ্ভয়ে চলাফুৰা কৰিব পৰাটো সপোনৰ দৰে হৈ আছে। আমাৰ দেশত পৰ্যাপ্ত সুবিধা থকা সত্বেও নাৰীসকল শিক্ষা দীক্ষাৰ ক্ষেত্ৰত বহু পিছপৰি আছে। এমুঠি নাৰী শিক্ষিত আৰু সুৰক্ষিত হ'লেই নাৰী মুক্তি বুলি ক'ব নোৱাৰি। আজি সংসদ আৰু বিধানসভাত মহিলাৰ ৩৩% শতাংশ আসন সংৰক্ষণৰ বিধেয়কখন গৃহীত হ'ল যদিও ১১% শতাংশতকৈ অধিক মহিলাই প্ৰতিনিধিত্ব কৰিবলৈ সক্ষম হোৱা নাই। প্ৰাচীন কালত নাৰী শিক্ষা অতি আৱশ্যকীয় বুলি বিবেচিত হৈছিল। ভাৰতত সফল ৰূপত জিলিকি কীৰ্তিৰে নাম উজ্জ্বলাইছে গাৰ্গী, মৈত্ৰেয়ী, মীৰাবাই, ঝাঁচীৰ ৰাণী লক্ষ্মীবাঈ, জয়মতী, কনকলতা, ইন্দিৰা গান্ধী, সৰোজনী নাইডু, মাদাৰ টেৰেছা, পদ্মশ্ৰী পদ্মিনীবালা দেৱী, নিৰ্মল প্ৰভা বৰদলৈ, চন্দ্ৰপ্ৰভা শইকীয়ানী, কল্পনা চাওলা, মূলা গাভৰু আদিয়ে। সেই সময়ৰে পৰা নাৰীয়ে যুদ্ধত অংশগ্ৰহণ কৰিছিল, ৰাজ্য চলাইছিল, মহাকাশ ভ্ৰমণ কৰিছিল। পৰিশ্ৰম, সৰল মানসিকতা আৰু সাহসেৰে বহু বাধাৰ প্ৰাচীৰ অতিক্ৰম কৰি বহু নাৰীয়ে সমাজৰ মৰ্যাদা পূৰ্ণ স্থান লাভ কৰাৰ বহু উদাহৰণ আছে।



কিন্তু দেখা যায় যিখন দেশত নাৰী প্ৰধানমন্ত্ৰী, পুলিচৰ বিষয়া, ডাক্তৰ, অভিযন্তা, পৰ্বতাৰোহনকাৰি, খেলুৱৈ আদিৰে ভৰি উঠিছে। সেইখন দেশতে নাৰী নিৰ্যাতনো চলি আছে। যৌতুকৰ বাবে বোৱাৰী নিৰ্যাতনৰ ঘটনা ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। ১৯৮৩ চনত ভাৰতবৰ্ষত ৪২৭ টা বোৱাৰী জ্বলাই দিয়াৰ ঘটনা সংঘটিত হোৱাৰ বিপৰীতে ১৯৯৮ চনত এনে ঘটনা ৬,৯১৭ টালৈ বৃদ্ধি পাইছিল। ২০০৫ চনৰ পৰা ২০১০ চনৰ ভিতৰত অসমত যৌতুকৰ বাবে ৬০০ বো অধিক নাৰীয়ে প্ৰাণ হেৰুৱাইছিল বুলি সমীক্ষাত আছে। একেদৰে ধৰ্ষন, নাৰী অপহৰণৰ ঘটনাও বৃদ্ধি পাই আহিছে ।

# কৰুণা ভাইৰাছ বোৱাৰী

**কবৰী বৰা**
স্নাতক পঞ্চম যাণ্মাসিক (কলা বিভাগ)

এই কাহিনীটো হৈছে কামৰূপৰ এখন সৰু গাৱঁৰ। য'ত ৰমেশ নামৰ ল'ৰা জনে পঢ়ি শুনি ডাঙৰ চাকৰি কৰিব বিচাৰিছিল। লাহে লাহে সি স্কুল আৰু কলেজ শিক্ষা শেষ কৰিছিল। তেতিয়াই সি মোম্বাইৰ এটা মাল্টি নেশ্যনেল কোম্পানীত চাকৰি পাইছিল আৰু ৰমেশে তাৰ মাকক এৰি মোম্বাইত গৈ থাকিছিল। সদায় তেওঁ মাকক ফোন কৰি খবৰ লৈছিল। আৰু তেতিয়াই মাকে কয়, "ল'ৰা তোৰ বয়স ৩০ বছৰ হ'ল, বিয়া কেতিয়া পাতিবি?" আৰু ৰমেশে কয়, "কৰিম মা এতিয়ানো মোৰ কিমান বয়স হৈছে ? আগতে মই ভালদৰে প্ৰতিষ্ঠিত হৈ লওঁ।" তেনেকৈয়ে সদায় ৰমেশে মাকৰ কথাত গুৰুত্ব দিয়া নাছিল।



কিছুদিনৰ পিছত ৰমেশৰ অফিচত মেনেজাৰে সকলোকে একগোট কৰি কৈছিল যে — তেওঁলোকৰ অফিচৰ আৰু এটা সৰু অংশ হিচাপে আন এটা অফিচ চীনত (China) দিয়া কথা কৈছে আৰু কৈছিল যে যিজনে তালৈ যাব তেওঁক মেনেজাৰ (Manager) পোষ্ট দিব। তেতিয়াই ৰমেশে মেনেজাৰক কলে — "ছাৰ! মই চীনত যাব বিচাৰো, মোৰ কুংফু-কেৰেটি শিকাৰ বহুত মন।" এনেদৰেই ৰমেশে চীনৰ সেই অফিচটোত Join কৰিলে। সি দিনৰ 9.30 টাৰ পৰা 2 টা লৈকে অফিচত কাম কৰে আৰু বাকীখিনি সময় কুংফু-কেৰাটি শিকে। সি চীনৰ এজন কুংফু মাষ্টাৰৰ তাত শিকিব যায়। সেই ব্যক্তিজনৰ এজনী ছোৱালী আছিল। তাই ও মাজে মাজে ৰমেশক কেৰাটি শিকাইছিল। তেনেকৈয়ে

তেওঁলোকৰ মাজত বন্ধুত্ব গঢ় লৈ উঠিছিল আৰু সেই বন্ধুত্ব প্ৰেমলৈ পৰিণত হৈছিল। ছোৱালীজনীৰ নাম আছিল ছেন । দেউতাকক সকলো খুলি কৈছিল আৰু দেউতাকেয়ো সন্মতি জনাই তাতে বিয়াখন পাতি দিছিল। ছেনে ৰমেশক তেওঁলোকৰ ভাষা শিকাইছিল আৰু ৰমেশেয়ো ছেনক অসমীয়া কবলৈ শিকাইছিল।

এমাহমানৰ মূৰত চীনত নতুনকৈ 'কৰণা' ভাইৰাছ নামৰ এটা ডাঙৰ মহামাৰী হয়। ছেনৰ দেউতাকে ৰমেশ আৰু ছেনক ভাৰতলৈ পঠিয়াই দিয়ে। তেওঁলোকে অফিচৰ গোটেইখিনি বিমানত মোম্বাইলৈ গুচি আহিল। ৰমেশে মেনেজাৰৰ পৰা এমাহৰ ছুটি লৈ গাঁৱৰ ঘৰলৈ আহে। সিঁহত আহি পাওঁতেই মাক বাহিৰলৈ উলাই আহে আৰু গাঁৱৰ কিছুমানে চীন দেশৰ ছেনক চাবলৈ আহিছিল। ৰমেশৰ মাকে ৰমেশক ক'লে, "বোৱাৰী বিচাৰি নাপালিনে ?" তেতিয়া তাৰ উত্তৰত ৰমেশে কলে, "মা বোৱাৰী অসমৰেই হওঁক বা বাহিৰৰে হওঁক বোৱাৰী-বোৱাৰীয়ে। মাকে ক'লে — "কিন্তু তাইতো অসমীয়া ও ক'ব নাজনে।" ৰমেশে কয়, কিয় মা ছেনে অসমীয়া ক'ব জানে ছেন অসমীয়াত কিবা এটা কোঁৱা।" ৰমেশে ছেনক ক'বলৈ কয়। তেতিয়া ছেনে ক'লে "নমস্কাৰ মা"।

দুদিনমানৰ পিছত ছেনে ৰাতি নুপুৱাওঁতেই শুই উঠি কম্ফু কেৰাটিৰ Practice কৰিছিল মুখেৰে শব্দ কৰি কৰি। মাকৰ টোপনি খতি হৈছিল যদিও মাকে ৰমেশক একো নকলে। কিন্তু এদিন ছেনে ৰাতি কম্ফু শিকি থাকোতে ওপৰত উলমাই থোৱা দৈৰ পাত্ৰ টো ফুটাই অলপ মান দৈ পেলাই দিছিল। পাত্ৰ ভঙাৰ শব্দ শুনি ৰমেশ আৰু মাকে আহি দেখে যে সেয়া ছেনে ... তেতিয়াই মাকে কয় যে — "ল'ৰা তই কি ... আনিলি ৰাতিপুৱা নহওঁতেই উঠি এইবোৰ কি কৰি ... ?" ৰমেশে হাঁহি কথাষাৰ উৰুৱাই উত্তৰ দিছিল ... নজনাকে হ'ল বুলি আৰু তেওঁ বজাৰৰ পৰা আৰু ... দৈৰ পাত্ৰ আনি দিব বুলি ক'লে। কেইদিন মানৰ পিছত ৰমেশৰ মাকৰ জ্বৰ কাঁহ হৈছিল আৰু হঠাৎ এদিন ... টিভিত চীনত হোৱা ক'ৰণা বেমাৰটোৰ কথা গম পাই আৰু ৰমেশক ছেনে চীনৰ পৰা কৰণা লৈ অহা বুলি ক'লে। গাঁৱৰ আন কিছুমান মানুহবো কাঁহ-জ্বৰ হৈছিল, তেওঁলোকেও ছেনে ক'ৰণা বেমাৰ আনিছে বুলি ৰমেশক ছেনক গাঁৱৰ পৰা উলিয়াই দিবলৈ কলে। তেতিয়া ৰমেশে কৈছিল যে চাওঁক। ছেনে কোনো বেমাৰ লৈ অহা নাই, আপোনালোকৰ যদি বিশ্বাস হোৱা নাই হস্পিতালত পৰীক্ষা কৰাই লওঁ।" এইদৰে কৈ ৰমেশ আৰু ছেন, মাক আৰু গাঁৱৰ কিছুমানে হস্পিতাললৈ গৈছিল। তাত গৈ ছেনক প্ৰথমতে পৰীক্ষা কৰা হৈছিল আৰু নিগেটিভ আহিছিল। মাক আৰু গাঁৱৰ আন লোকসকলেও পৰীক্ষা কৰোৱাইছিল কিন্তু কাৰো দেহত ক'ৰণা পজিটিভ নোলাল। ঘৰত আহি ৰমেশে সকলোকে কলে "কোনো মিছাতে ঘৃণা কৰিব নালাগে, এই ৰোগটোৰ সৈতে আমি যুঁজিব হে লাগে, ৰোগীৰ সৈতে নহয়।"

আমি জানো যে বৰ্তমান সময়ত আমি সমগ্ৰ দেশে ক'ৰণা মহামাৰীৰ সৈতে যুঁজি আছোঁ। গতিকে আমি ৰোগক হে ঘৃণা কৰিব লাগে ৰোগীক নহয়।



"One best book is equal to a hundred good friends, but one good friend is equal to a library."

— A.P.J Abdul Kalam

# সৰু চহৰৰ ডাঙৰ সপোন

অনামিকা পালিত
স্নাতক ষষ্ঠ ষাণ্মাসিক

আজি ২০২০ চনৰ ৪ ফেব্রুৱাৰী। চহৰৰ এখন সাধুকথা শুনোৱা প্ৰতিযোগিতত আৰ.জে.ৰাধিকা এগৰাকী আমন্ত্ৰিত অতিথি। সৰুৰে পৰাই তাইৰ সৃষ্টিশীলতা গুণটো বৰ ভাল, নিজৰ বক্তব্যত কোনো কাল্পনিক গল্প কোৱাৰ কথা ভাবিছিল যদিও অৱশেষত ৰাধিকাই নিজৰ জীৱনৰ এক বাস্তৱ ঘটনাকে গল্পাকৃতি দিব বুলি থিৰাং কৰিলে।

দিনৰ ১১.০০ বজাৰ পৰা প্ৰতিযোগিতা আৰম্ভ হ'ব আৰু প্ৰায় ১০.০০ বজাৰ পৰা আমন্ত্ৰিত অতিথিসকলক সম্বৰ্ধনা জনোৱা পৰ্ব। নিৰ্দিষ্ট সময়সূচী মতেই অনুষ্ঠানৰ শুভাৰম্ভ হ'ল। আমন্ত্ৰিত অতিথিসকলে প্ৰত্যেকেই নিজৰ নিজৰ বহমূলীয়া বক্তব্য ৰাখিলে। আৰ.জে ৰাধিকায়ো নিজৰ পৰিচয় দি বক্তব্য আৰম্ভ কৰিলে এটি গল্পৰ যোগেদি —

"১৯৭৯ চনৰ এটা ধুনীয়া আবেলিত পাঁচ বছৰীয়া মহিমাই এটা শব্দ শুনি কৌতুহলবশতঃ ঘৰৰ পৰা দৌৰি চৌতাললৈ ওলাই আহিল। শব্দটোক অনুসৰণ কৰি আকাশৰ ফালে চাওঁতেই মহিমাই আকাশত এটি ৰূপালী ৰঙৰীয়া চৰাই সদৃশ বস্তু দেখিবলৈ পালে। "বাহ্! ............ কি ধুনীয়া!" মহিমাই মাত্ৰ ইমানেই ক'লে। কিন্তু এই মনোৰম দৃশ্যই যেন তাইৰ মন মগজুত থিতাপি ল'লে। আজৰি সময়ত মহিমাই সদাই সেই ৰূপালী চৰাইটিক ৰং তুলিকাৰে জীৱন্ত ৰূপ দিবলৈ চেষ্টা কৰি গ'ল।

সৰুৰে পৰাই মহিমাক বুজোৱা হৈছিল — "তুমি ছোৱালী, ভালকৈ বহিবা, ভালকৈ কাপোৰ পিন্ধিবা, ডাঙৰ সপোন নেদেখিবা। কাৰণ — তুমি ছোৱালী।" কিন্তু সৰু চহৰৰ এই সৰু ছোৱালীজনীয়ে ৰং তুলি কাৰ মাজেৰে এক ডাঙৰ সপোন দেখিব ধৰিছিল। ফেশ্বন ডিজাইনাৰ হোৱাৰ সপোন। সেয়ে ঘৰতে নিজৰ পোছাক, সৰু ভনীৰ চোলাযোৰ বা মাৰ শাৰীযোৰত বিভিন্ন নক্সা অংকন কৰিছিল। পঢ়াশুনাত যথেষ্ট ভাল মহিমাই যেতিয়া নিজৰ ইচ্ছাৰ কথা পৰিয়ালৰ সন্মুখত ব্যক্ত কৰে সকলোৱে তাইৰ ইচ্ছাক হাঁহি উৰুৱাই দিয়ে আৰু তাৰ কিছুদিন পিছতে প্ৰায় ২০ বছৰ বয়সত মহিমাৰ বিবাহ সম্পন্ন হৈ গ'ল। মহিমাৰ বৈবাহিক জীৱন সুখকৰ হৈ উঠিল যদিও তাইৰ সপোনৰ মৃত্যু হ'ল। ১৯৯৬ চনত মহিমা মাতৃ হ'ল এজনী ছোৱালীৰ নাম ৰাখিলে ৰাধিকা। মহিমাই নিজৰ জীৱনত নোপোৱা সকলো বোৰ ৰাধিকাক দিলে। স্নাতক হোৱাৰ, পিছত ৰাধিকাই নিজৰ পৰিয়ালৰ সন্মুখত ক'লে যে তাই গল্প লিখিবলৈ আৰু শুনাবলৈ পছন্দ কৰে। গতিকে তাই তেনেধৰণৰ কিবা পেছাৰ লগত জড়িত হ'ব বিচাৰে। পুনৰ আকৌ এবাৰ সমাজৰ সেই ঠেক চিন্তাধাৰাৰ উদাহৰণস্বৰূপে তাইৰ পৰিয়ালৰ



সকলোৱে তাইৰ সপোনক হাঁহি উৰুৱাই দিলে আৰু ঠাট্টা মস্কৰা কৰিলে এইবুলি যে — "গল্প লিখা বা শুনোৱা এইবোৰ জানো কোনো পেছা হ'ব পাৰে? ইমান পঢ়ি-শুনি এয়াই কৰিবলৈ আছিল নে ?" ৰাধিকাৰ চকু চলচলীয়া হৈ পৰিছিল। কিন্তু তেনেতে মাক মহিমাই তাইক কাষলৈ মাতি নি ক'লে — "মাইনা, এওঁলোকৰ কথালৈ মন নিদিবা, তোমাৰ মনে যি বিচাৰে তুমি সেইটো কৰা। নিজৰ সপোন পূৰণ কৰা ।

ভাঙিব ধৰা সপোনে যেন তাক দৃঢ়ভাৱে ৰাধিকাৰ মন-মগজুত থিতাপি ল'লে। সেই বছৰেই ৰাধিকাই IIMC (Indian Institute of Mass Communication) ৰ প্ৰৱেশ পৰীক্ষাত উত্তীৰ্ণ হৈ Radio and Television Journalism ৰ পাঠ্যক্ৰম গ্ৰহণ কৰিলে। কিছুদিন পিছতে ৰাধিকাই নিজৰ গুণ আৰু দক্ষতাৰ বলত এটা ৰেডিঅ' প্ৰতিষ্ঠানত কাম পালে। আৰু অতি কম সময়ৰ ভিতৰতে ৰাধিকাৰ গল্পবোৰে সকলোৰে মনত স্থান লাভ কৰিব ধৰিলে।

মহিমা মোৰ মা আৰু এই গল্পৰ ৰাধিকা ময়েই। মোৰ মায়ে মোক আদায় উৎসাহ যোগাইছিল। তেওঁৱে মোক মোৰ সপোন পূৰণ কৰিবলৈ সাহস যোগাইছিল। যাৰ ফলত আজি মই এই স্থানত উপনীত হ'ব পাৰিছো। জীৱনত বহু কঠিন পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হয় কিন্তু পৰিস্থিতি হাজাৰ কঠিন হলেও নিজৰ সপোন ত্যাগ নকৰি ইয়াৰ বাবে কাম কৰি যোৱা। ডাঙৰ সপোন পূৰণ কৰাৰ পথত বিভিন্ন বাধা আহিবই কিন্তু তুমি সেই সকলো বাধা অতিক্ৰম কৰি আগুৱাই যাবলাগিব। হয়তো তোমাৰ সপোনক লৈ বহুতে ঠাট্টা মস্কৰা কৰিব কিন্তু যদি, তুমি সঠিক পথ অনুসৰণ কৰিছা তেন্তে তুমি সফল হ'বাই আৰু তোমাৰ সফলতাৰ পিছত এইসকল লোকেই তোমাৰ গুণানুকীৰ্তন কৰিব। সৰু চহৰত থাকিও ডাঙৰ সপোন দেখিব পাৰি আৰু ইয়াক দিঠকত পৰিণত কৰিব পাৰি; ময়ো এখন সৰু চহৰৰ ছোৱালী। সেয়ে সেই ঠাইৰ বহু লোকে মোৰ সপোনটিক লৈ ঠাট্টা-মস্কৰা কৰিছিল। তেওঁলোকে এনেধৰণৰ পেছাৰ কথা পূৰ্বে কেতিয়াও শুনা নাছিল। কিন্তু তেওঁলোকৰ চিন্তাধাৰাৰ বিপৰীতে মই মোৰ সপোন পূৰণ কৰিব পাৰিছো কেৱল মাত্ৰ মনোবল আৰু আত্মবিশ্বাসৰ বাবে ।"

— ইয়াকে কৈ আৰ.জে. ৰাধিকাই নিজৰ বক্তব্য সামৰিলে।

## সাম্প্ৰতিক সময়ত ছাত্ৰ সমাজত দায়বদ্ধতা সন্দৰ্ভত মতামত




**প্ৰভাত দেউৰী**

প্ৰথম ষাণ্মাসিক, কলা বিভাগ


ছাত্ৰ-ছাত্ৰীসকলে এটা পাঠ্যক্ৰমৰ মাজত আবদ্ধ থকাৰ উপৰিও সামাজিক ক্ষেত্ৰখনৰ মানবীয় দিশবোৰৰ প্ৰতি সদা সচেতন হৈ থকাটো অতিকৈ প্ৰয়োজন। প্ৰমূল্যবোধৰ উত্তোৰণৰ লগত জড়িত হৈ থকা বিভিন্ন দিশৰ সন্দৰ্ভত মনোনিবেশ কৰা উচিত। তদুপৰি ইতিবাচক লক্ষ্য আৰু সাধনালব্ধ প্ৰয়াসেৰে নিজকে নিয়োজিত কৰি ৰখা ছাত্ৰ সমাজক সততাৰ প্ৰয়োজন। সৎ পথেৰে যি আগুৱাই গৈছে তেওঁ সফল হৈছে, তেওঁ শ্ৰেণীটোৰ সন্মানীয় ছাত্ৰ হৈছে, শিক্ষাপ্ৰতিষ্ঠানখনৰ আদৰণিয় ছাত্ৰ হৈছে আৰু তেতিয়াই তেওঁ প্ৰতিষ্ঠানখনৰ সম্পদৰূপে পৰিগণিত হয়। অকল সেয়াই নহয় তেওঁ ঘৰখনৰ সম্পদ হয়, অঞ্চলটোৰ, জাতিটোৰ, ৰাজ্যখনৰ, দেশখনৰ সম্পদ হয়। যিবিলাকে নিজকে সম্পদলৈ ৰূপান্তৰিত কৰিব পাৰে তেওঁলোকে সফল হয়।




# ক'ৰণা ভাইৰাছ ৰোগ - ২০১৯

**বৰ্ণালী দে**
স্নাতক ষষ্ঠ ষাণ্মাষিক

ক'ৰণা ভাইৰাছ ৰোগ- ২০১৯ অথবা কভিড-১৯ এবিধ ক'ৰণা ভাইৰাছৰ দ্বাৰা হোৱা বৰ্তমান সময়ৰ এটা প্ৰবল মহামাৰী। ২০১৯ চনৰ ডিচেম্বৰ মাহত চীন দেশৰ হুবেই (Hubei) প্ৰদেশৰ উহান (Wahan) চহৰত এই ৰোগ পোন প্ৰথমে আৰম্ভ হয়। উহান চহৰখন মধ্য চীনৰ অতি জনবহুল আৰু উদ্যোগৰ কেন্দ্ৰ। বহু কাৰিকৰী প্ৰতিষ্ঠানৰ উপৰিও এই ঠাইখনত নানা ধৰণৰ উদ্যোগ, শিক্ষা প্ৰতিষ্ঠান আৰু গৱেষণা প্ৰতিষ্ঠান আদি অৱস্থিত। এই ঠাইখনত থকা সাগৰীয় খাদ্যবস্তুৰ উপৰিও বিভিন্ন জীৱ-জন্তুৰ মাংস আৰু ইয়াৰ পৰা তৈয়াৰী খাদ্যবস্তুৰ বজাৰখনৰ বাবেও ই বিখ্যাত। বাদুলিকে ধৰি বিভিন্ন বনৰীয়া জীৱ-জন্তুৰ মাংস আৰু আন সামগ্ৰী উহানৰ বজাৰত বিক্ৰী হয়। ২০১৯ চনৰ ডিচেম্বৰ মাহত উহানৰ এই বজাৰতে কাম কৰা লোকৰ নিউম' নিয়াৰ নিচিনা এবিধ অচিন ৰোগ আৰম্ভ হয়। অতি কম সময়ৰ ভিতৰতে বহু লোকৰ মাজত এই ৰোগ বিয়পি পৰে। উহানত অৱস্থিত গৱেষণা প্ৰতিষ্ঠান এটাত এই ৰোগৰ কাৰণ ক'ৰণা ভাইৰাছ বুলি নিৰ্ণয় কৰা হয়। প্ৰথম অৱস্থাত চাৰ্চ (SARS) অথবা ছিভিয়াৰ একিউট ৰেছপিৰেটৰি ছিনড্ৰ'ন (Severe acute respiratory syndrome) ৰোগ সৃষ্টি কৰা ক'ৰণা ভাইৰাছ এই নতুনবিধ ৰোগৰ কাৰণ বুলি ধৰা হৈছিল। যদিও পাছত প্ৰমাণিত হয় যে চাৰ্চ ৰোগৰ ক'ৰণা ভাইৰাছতকৈ এইবিধ ভাইৰাছ বেলেগ, সেয়েহে এই নতুন ভাইৰাছবিধৰ নাম ৰখা হয় চাৰ্চ ক'ৰণা ভাইৰাছ - 2 আৰু বিশ্ব স্বাস্থ্য সংস্থাই এই ৰোগবিধৰ নাম দিয়ে ক'ৰণা ভাইৰাছ ৰোগ (Corna Virus Disease - 2019) অথবা চমুকৈ ক'ভিড-19 সম্ভৱতঃ প্ৰথম অৱস্থাত এই ৰোগে মহামাৰী ৰূপ ধাৰণ কৰিব বুলি ভবা হোৱা নাছিল আৰু চীন দেশলৈ বিশেষকৈ উহান চহৰৰ পৰা বিশ্বৰ বিভিন্ন দেশলৈ মানুহৰ যাতায়ত চলি আছিল। সেইবাবে কম সময়ৰ ভিতৰতে এই ৰোগ বিশ্বত বিয়পি পৰে। 2020 চনৰ 11 মে' তাৰিখলৈকে বিশ্বৰ 210 খন দেশৰ চাৰি নিযুতৰ অধিক লোক মৃত্যুৰ মুখত পৰিছে। ভাৰতবৰ্ষতো এই সময়ৰ ভিতৰত ষাঠি হাজাৰৰো অধিক লোক এই ৰোগত আক্ৰান্ত হৈছে আৰু দুহেজাৰতকৈ অধিক মৃত্যুৰ মুখত পৰিছে।

## ক'ভিড-১৯ ৰ কাৰণ ঃ-

ক'ভিড-১৯ ৰ কাৰণ হ'ল এবিধ ক'ৰণা ভাইৰাছ। ক'ৰণা ভিবিভ গোত্ৰৰ বিটাকৰ'না ভাইৰাছৰ ই এবিধ প্ৰকাৰ। মানুহৰ ৰোগ সৃষ্টি কৰিব পৰা কেইবাটাও প্ৰজাতিৰ ক'ৰণা ভাইৰাছ আছে যদিও ক'ভিড ৰোগ সৃষ্টি কৰা ভাইৰাছবিধ নতুন। ইয়াৰ আগতে ছাৰ্ছ আৰু মাৰ্ছ (Mers) অথবা মিডল ইষ্ট ৰেছপিৰেটৰি ছিনড্ৰম (Middle East Respiratory Syndrome) নামৰ দুবিধ ৰোগ ক্ৰমে 2002 আৰু 2012 চনত মানুহৰ দেহত আৰম্ভ হৈছিল আৰু এই দুবিধ ৰোগৰ কাৰনো আছিল ক'ৰণা ভাইৰাছ। চাৰ্ছ বা মাৰ্ছ ক'ৰণা ভাইৰাছৰ লগত কভিড-19 কৰ'ণা ভাইৰাছৰ কিছু মিল আছে যদিও আন দুবিধ ভাইৰাছতকৈ ই পৃথক, সেহেয়ে ইয়াক নতুন বা ন'ভেল ক'ৰণা ভাইৰাছ বুলি ধৰা হৈছে। আন আন ক'ৰণা ভাইৰাছৰ দৰে কভিড-19 ৰ কৰণা ভাইৰাছ দেখাত প্ৰায় গোলাকৃতিৰ, বিৰ নিউক্লিক এছিড আৰু প্ৰটিনৰ আবৰি ভাইৰাছবিধৰ এখন আৱৰণ থাকে আৰু এই আৱৰণত গদা (Club) আকৃতিৰ কিছুমান মঞ্জুৰী বা স্পাইক (Spike) থাকে । এই স্পাইকবোৰৰ বাবে ইলেকট্ৰন অনুবীক্ষণ যন্ত্ৰৰ তলত এই ভাইৰাছক ক্ৰাউন (Crown) বা মুকুট এটাৰ নিচিনা দেখা যায় লেটিন শব্দ ক'ৰণা অৰ্থাৎ ক্ৰাউন বা মুকুট।

কভিড-19 ৰ কৰ'ণা ভাইৰাছৰ আৱৰণত থকা স্পাইক বোৰে মানুহৰ কোষত থকা এ ছি ই - 2 অৰ্থাৎ এনজিঅ' টেনছিন কনভাৰটিং এনজাইম (Angiotensin converting enzyme-2) নামৰ গ্ৰাহকস্ত (receptor) লাগি ধৰে আৰু ইয়াৰ পাছত কোষৰ ভিতৰলৈ গৈ ভাইৰাছবিধে বংশ বৃদ্ধি কৰে। এ ছি ই - 2 গ্ৰাহকবোৰে প্ৰধানকৈ মানুহৰ হাওঁফাওঁৰ (Lungs) কোষত বেছিকৈ থাকে, সেইবাবে ভাইৰাছবিধৰ বংশ বৃদ্ধি হাওঁফাওঁত বেছি হয়। কেইবাপ্ৰকাৰৰ ক'ৰণা ভাইৰাছ থাকিব পাৰে। চৰাই বা জন্তুৰ ৰোগ সৃষ্টি নকৰে। দেখা গৈছে যে জীৱ-জন্তুত থকা ক'ৰণা ভাইৰাছে মানুহৰ মাৰাত্মক ৰোগ সৃষ্টি কৰিব পাৰে।

ক'ভিড-১৯ ৰোগ সৃষ্টি কৰা ক'ৰণা ভাইৰাছৰ উৎপত্তি হিচাপে এতিয়াও সঠিক তথ্য প্ৰকাশ পোৱা নাই। কিছুমানৰ মতে বাদুলিত থকা ক'ৰণা ভাইৰা... এটা বনৰীয়া জন্তুৰ দেহলৈ আহি মানুহৰ দেহত প্ৰৱে... কৰিছে। চীনৰ উহান চহৰত থকা ভাইৰ'লজি প্ৰতি... এটাত বাদুলিৰ ক'ৰণা ভাইৰা চহৰত থকা ভাইৰ'... প্ৰতিষ্ঠান এটাত বাদুলিৰ ক'ৰণা ভাইৰাছৰ বিষয়ে গৱেষ... চলি থকা বাবে কিছুমানৰ মতে এই প্ৰতিষ্ঠানৰ পৰা... ভাইৰাছবিধ কিবা কাৰনত মানুহলৈ অহাৰ সন্দেহ কৰে... ২০০২ চনত চীনত পোন প্ৰথমে আৰম্ভ হোৱা ছাৰ্ছ ৰোগ... সৃষ্টি কৰা ক'ৰণা ভাইৰাছবিধো বাদুলিৰ পৰা ছিভে... মেকুৰীলৈ আহি মানুহৰ দেহত প্ৰৱেশ কৰা তথ্য প্ৰকাশ পাইছিল।

## ৰোগ কেনেকৈ বিয়পে ঃ

এই ৰোগত আক্ৰান্ত ব্যক্তিৰ থু, খেকাৰ, নাকৰ পানী আৰু শৌচ আদিৰ লগত ভাইৰাছবিধ নিসৃত হয়। আক্ৰান্ত ব্যক্তি এজনে হাঁচি বা কাহ মৰাৰ লগে লগে এই ৰোগ সৃষ্টি কৰা ভাইৰাছ বাহিৰলৈ আহে। আক্ৰান্ত ব্যক্তিৰ নাক বা মুখৰ পৰা ওলোৱা পানীৰ লগত ভাইৰাছ মিহলি হৈ চকুৰে মনিব নোৱাৰা বিন্দুৰ নিচিনাকৈ বাহিৰলৈ আহে। এই বিন্দুবোৰ সাধাৰণতে ২ মিটাৰ ব্যৱধানৰ ভিতৰত অলপ সময় ওপঙি থাকিব পাৰে আৰু এনেবাৰে ওচৰতে থকা আন এজন সুস্থ লোকে এই বিন্দুৰ লগতে থকা ভাইৰাছ উশাহৰ লগত নিয়াৰ ফলত ভাইৰাছবিধ দেহত প্ৰৱেশ কৰে। কেতিয়াবা আক্ৰান্ত ব্যক্তিৰ থু, খেকাৰ বা মল-মূত্ৰৰদ্বাৰা প্ৰদূষিত খাদ্য ভালকৈ পৰিশোধন বা গৰম নকৰাকৈ খোৱাৰ পাছতো সুস্থ ব্যক্তি আক্ৰান্ত হ'ব পাৰে, মাছ, মাংস আদিকে ধৰি সকলো খাদ্যবস্তু ভালকৈ সিজাই খোৱা প্ৰয়োজন, কিবা কাৰণত এই বস্তুত ভাইৰাছ থাকিলেও ৭০ ডিগ্ৰি চেলছিয়াছ



উষ্ণতাত ভাইৰাছবিধ ধ্বংস হয়। বজাৰৰ পৰা অনা ফল চাবোন পানীৰে ধুই লৈ ব্যৱহাৰ কৰিব লাগে। ক'ভিড-১৯ ত আক্ৰান্ত ব্যক্তিৰ পৰা কেতিয়াবা এনে খাদ্যবস্তুলৈ ভাইৰাছবিধ আহিব পাৰে। আক্ৰান্ত ব্যক্তি এজনে থু, খেকাৰ য'তে-ত'তে পেলালে এই ৰোগ সৃষ্টি কৰা ভাইৰাছ সেই ঠাইত বা বস্তুত কিছু সময় থাকিব পাৰে আৰু সেই ঠাই বা বস্তুবোৰ স্পৰ্শ কৰাৰ পাছতো সুস্থ ব্যক্তিৰ হাতলৈ এই ভাইৰাছ আহিব পাৰে। এনে হাত চাবোন পানী বা বিষাণু নাশক দ্ৰব্য যেনে — ছেনিটাইজাৰ আদিৰে পৰিষ্কাৰ নকাৰৰ আগতে নাক, মুখ বা চকু চুলেও ভাইৰাছ দেহত প্ৰৱেশ কৰিব পাৰে।

**ৰোগৰ লক্ষণ ঃ**

এই ৰোগত আক্ৰান্ত ব্যক্তিৰ প্ৰধান লক্ষণসমূহ হ'ল জ্বৰ, কাঁহ, গা-মূৰৰ বিষ, ভাগৰ লগা, কেতিয়াবা বমি, হাঁচনি আৰু বুকুৰ বিষ হ'লে ততক্ষণাৎ চিকিৎসাৰ পৰামৰ্শ লোৱা দৰকাৰ। ইয়াৰ উপৰিও বিদেশৰ পৰা অথবা আক্ৰান্ত ঠাইৰ পৰা অহা লোকৰ সংস্পৰ্শলৈ অহাৰ পাছত কমেও ১৪ দিন আঁতৰি থকা প্ৰয়োজন আৰু এই সময়ৰ ভিতৰত ৰোগৰ লক্ষণ দেখা পোৱা মাত্ৰকে চিকিৎসকৰ পৰামৰ্শ ল'ব লাগে। ক'ভিড ৰোগ সৃষ্টি কৰা ভাইৰাছে প্ৰধানকৈ শ্বাসতন্ত্ৰক আক্ৰমন কৰে। ভাইৰাছবিধে হাওঁফাওঁৰ কোষত বেছিকৈ বংশবৃদ্ধি কৰাৰ ফলত হাঁওফাঁও দুৰ্বল হৈ পৰে, সেইবাবে উশাহ-নিশাহত কষ্ট হয়, বুকুৰ বিষ হয় আৰু পাছত অক্সিজেনৰ প্ৰয়োজন হয়।

সাধাৰণতে এই ভাইৰাছ দেহত প্ৰৱেশ কৰাৰ ২—১৪ দিনৰ ভিতৰত ৰোগৰ লক্ষণ আৰম্ভ হয়। কিছুমান ক্ষেত্ৰত ইয়াৰ পাছতো লক্ষণ দেখা দিয়ে আৰু কেতিয়াবা কিছুমান ব্যক্তিয়ে ৰোগৰ লক্ষণ নেদেখুৱাকৈ থাকে। মানুহৰ দেহত সাধাৰণতে প্ৰতিৰোধ ক্ষমতাই কিছু ক্ষেত্ৰত ভাইৰাছৰ বংশ বৃদ্ধি বেছিকৈ হোৱাত বাধা দিব পাৰে। কিছুমান অন্য ৰোগ, যেনে — বহুমূত্ৰ, এইডছ, কৰ্কট আদিত আক্ৰান্ত ব্যক্তি অথবা একেবাৰে শিশু আৰু বৃদ্ধ অৱস্থাৰ ব্যক্তিৰ দেহত সাধাৰণতে থকা প্ৰতিৰোধ ক্ষমতা কমি থাকে। সেইবাবে এই ব্যক্তিসকলৰ ক্ষেত্ৰত ভাইৰাছৰ বংশবৃদ্ধি বেছি হোৱাৰ ফলত ৰোগ জটিল হৈ পৰে।

এই ৰোগ চিনাক্ত কৰাৰ বাবে ৰোগীৰ নমুনা পৰীক্ষা কৰাটো প্ৰয়োজন আৰু সন্দেহ কৰা সকলো ব্যক্তিয়ে পৰীক্ষা কৰাটো দৰকাৰ।

**চিকিৎসা ঃ**

বৰ্তমানলৈকে এই ৰোগৰ প্ৰকৃত ঔষধ আৰু প্ৰতিষেধক ছিটা নাই। কিছুমান প্ৰতিবিষাণু ঔষধ যেনে ঃ ৰেমডেছিভিৰ, ৰিট ল'পিনাভিৰ আদি ব্যৱহাৰ কৰা হৈছে। মেলেৰিয়া ৰোগৰ চিকিৎসাত ব্যৱহাৰ কৰা ক্ল'ৰকুইন জাতীয় ঔষধ কিছুমান ঠাইত প্ৰয়োগ হৈছে। এণ্টিবায়'টিকে ভাইৰাছজনিত ৰোগত কাম নিদিয়ে তথাপি অন্য বেক্টেৰিয়া কিছুমানে যাতে এই বেছি জটিল কৰিব নোৱাৰে তাৰ বাবে অন্য ঔষধৰ লগত নিৰ্দিষ্ট এণ্টিবায়'টিক ব্যৱহাৰ কৰা হৈছে ক'ভিড ১৯ ৰোগত আক্ৰান্ত হৈ আৰোগ্য হোৱাৰ পাছত আৰোগ্য ব্যক্তিৰ দেহত এই ৰোগ সৃষ্টি কৰা ভাইৰাছৰ বিপৰীতে এণ্টিবডি উৎপন্ন হয়। সেয়েহে এনে আৰোগ্য হোৱা ব্যক্তিৰ তেজৰপৰা লোৱা প্লাজমা (Plasma) আক্ৰান্ত ব্যক্তিৰ চিকিৎসাত ব্যৱহাৰ কেৱল ডাক্তাৰৰ পৰামৰ্শ লৈহে প্ৰয়োগ কৰিব লাগে। বৰ্তমানলৈকে এই ৰোগৰপৰা আঁজৰি থকাৰ উপায় হ'ল সাৱধানতা আৰু ৰোগ সৃষ্টি কৰা ক'ৰণা ভাইৰাছ দেহত প্ৰৱেশ কৰাত বাধা দিয়া। সামাজিক দূৰত্ব বজাই ৰখা, অৰ্থাৎ এজনৰপৰা আন এজনৰ মাজত কমেও এক মিটাৰ ব্যৱধান ৰখা, হাত চাবোন পানীৰে ভালকৈ পৰিষ্কাৰ কৰা, হাত পৰিষ্কাৰ নকৰাকৈ নাক, চকু, মুখ আদি নুচুৱা আৰু বাহিৰলৈ আহিলে মুখত কাপোৰৰ মাস্ক পৰিধান কৰাটো প্ৰয়োজন। আক্ৰান্ত ব্যক্তিৰ পৰা অতি কম সময়ৰ ভিতৰত এই ৰোগ বিয়পিব পাৰে। সেয়েহে বহুলোক একেলগ হৈ থাকিলে ভাইৰাছবিধৰ সংক্ৰমণ বেছি হয়। এই ৰোগৰ প্ৰতিষেধক ছিটা প্ৰস্তুত কৰাৰ বাবে বিশ্বৰ বিভিন্ন ঠাইত গৱেষণা চলি আছে। ছিটা প্ৰস্তুত কৰাটো যিহেতু এটা দীঘলীয়া প্ৰক্ৰিয়া, এই ৰোগৰ ছিটা মানুহৰ দেহত ব্যৱহাৰ কৰাৰ বাবেও কিছুসময়ৰ প্ৰয়োজন হয়। গতিকে এই ৰোগসমূহৰ প্ৰতি অধিক সচেতন হোৱাটো দৰকাৰ।

# পৰীক্ষাৰ আগদিনাৰ অভিজ্ঞতা

**দীপামনি ৰয়**
৪ৰ্থ ষান্মাষিক (কলা শাখা)

'পৰীক্ষা' শব্দটোৰ মাজত এনে এক শক্তি লুকাই থাকে যে এই শব্দটোৰ নাম শুনিলেই যিকোনো লোকৰ হৃদয়ৰ সামান্যতম হ'লেও এক ধৰণৰ কম্পনৰ সৃষ্টি নোহোৱাকৈ নাথাকে। এই শব্দটোৰ লগত জড়িত হৈ আছে মানৱ মনৰ ভয়, সংকোচ, উদ্বেগ আদি বিভিন্ন ধৰণৰ অনুভূতি। বিদ্যালয়, মহাবিদ্যালয়ত অধ্যায়নৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অতি উত্তম a) উত্তম b) খুব ভাল c) ভাল d) সাধাৰণতকৈ ওপৰ e) সাধাৰণ f) সাধাৰণতকৈ নিম্ন g) কাণে কাণ মৰা h) আৰু সন্তোষজনক নহয় i) আদি বিভিন্ন মানদণ্ডৰ ছাত্ৰ-ছাত্ৰী থাকে। এই বিভিন্ন মানদণ্ডৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাৰ সন্মুখীন হ'বলৈ ভয় আৰু উৎকণ্ঠাৰে অপেক্ষা কৰি এক অস্থিৰ মানসিক অৱস্থাৰ মাজত সময় কটাব লগা হয়। গতিকে, পৰীক্ষা শব্দও যে এটা ভীতি-সঞ্চাৰক শব্দ ইয়াত কোনো সন্দেহ নাই।

সকলো শিক্ষানুষ্ঠান কিছুমান নিয়মৰ বশৱৰ্তী সেয়ে বিশেষ পৰিস্থিতি বাদ দি সাধাৰণ সময় মতে পৰীক্ষাসমূহ অনুষ্ঠিত হয় আৰু প্ৰত্যেক পৰীক্ষাৰ কিছুদিন আগতে সময় তালিকা ছাত্ৰ-ছাত্ৰীক অৱগত কৰোৱা হয়। পৰীক্ষাৰ তাৰিখ পোৱাৰ পিছৰ পৰাই ছাত্ৰ-ছাত্ৰীৰ মনত ইয়াক লৈ উদ্বেগ উৎকণ্ঠা, ভয়-ভীতিৰ সঞ্চাৰ হ'বলৈ ধৰে। পৰীক্ষা যিমানেই ওচৰ চাপে সিমানেই ভয়ৰ সংখ্যা বৃদ্ধি হ'বলৈ ধৰে। শেষত পৰীক্ষাৰ আগদিনাই মনত বেছি উৎকণ্ঠাৰ সৃষ্টি হয়। সেয়েহে ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ আগদিনাখনৰ অভিজ্ঞতাক এক বিশেষ অভিজ্ঞতা হিচাপে গণ্য কৰা হয়।

পৰীক্ষাত ভয়ৰ প্ৰতিক্ৰিয়া সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে একে নহয়। বিভিন্ন ছাত্ৰ-ছাত্ৰীৰ ভয়ৰ মাত্ৰাও ভিন্ন ধৰণৰ। শ্ৰেণীৰ প্ৰথম দহ গৰাকীৰ তালিকাৰ কোন স্থানৰ অধিকাৰী হ'ব পাৰিব তালি আৰু চিন্তা ভাবনা বাঢ়ি থাকে আৰু কিছুমানে গোটেই বছৰটো নপঢ়ি পৰীক্ষাৰ আগদিনাই পঢ়া-শুনাৰ প্ৰতি মনোযোগ দিয়ে। যাৰ ফলত সেই ছাত্ৰ-ছাত্ৰীৰ অৱস্থা যেন বিশাল সমুদ্ৰত পাৰ নাপাই ককবকাই ফুৰা সাঁতোৰাজনৰ অৱস্থাৰ দৰে হয়।

পূৰ্বে ঘোষিত পৰীক্ষাৰ সময় তালিকাৰ দিন গৈ গৈ ওচৰ চাপি চাপি পৰীক্ষাৰ আগদিনাখনত পৰিলেই পৰীক্ষাৰ্থীৰ ভয়ৰ মাত্ৰা সাৰ্বাধিক হয়। সেইদিনাখন





কথা শুনি মই অনিতাৰ ঘৰত গ'লো লক্ষ্য কৰিলো যে তাইও স্বাভাৱিক ভাৱে পঢ়া-শুনা কৰি আছে তেতিয়া দুই-চাৰিটা কথা পাতি ঘৰলৈ উভতি আহিলো।

অনিতা আৰু জগন্নাথদাৰ সৈতে কথা বতৰা হোৱাৰ পিছত মোৰ মানসিক উদ্বেগ ভালেখিনি কমি আহিল আৰু মনলৈ সাহস আৰু উদ্যম

পৰীক্ষাৰ্থীৰ দিন নাযায়, ৰাতি নুপুৱায়। টোপনিৰ পৰা উঠিয়েই কাইলৈ হ'বলগীয়া পৰীক্ষাৰ চিন্তাত মন চিন্তাগ্ৰস্থ হৈ পৰে। মনলৈ অহা চিন্তাৰ শেষ নাই। কিন্তু সকলো চিন্তাৰ কেন্দ্ৰবিন্দু হ'ল পৰীক্ষা। পৰীক্ষাত কি কি প্ৰশ্ন আহিব পাৰে, ইমান দিনে পঢ়ি অহা প্ৰশ্নোত্তৰসমূহ বাৰু পৰীক্ষাত আহিবনে, কি প্ৰশ্নৰ উত্তৰ এতিয়ালৈকে সাজু হোৱা নাই। পৰীক্ষাৰ বাবে কি কি সম্ভাব্য প্ৰশ্নোত্তৰ সাজু কৰা ভাল হব এনে ধৰণৰ চিন্তাই পৰীক্ষাৰ্থীৰ মনত চিন্তাৰ সৃষ্টি কৰে। এগৰাকী পৰীক্ষাৰ্থী হিচাপে মই নিজেও এনে অভিজ্ঞতাৰ সন্মুখীন হৈছোঁ।

হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ আগদিনাখন মোৰ মনটো নানা ধৰণৰ চিন্তাই আগুৰি ধৰিছে যে বুজাই কোৱা টান। পঢ়াৰ মেজত বহি কিতাপখন খুলি মনত নানা ধৰণৰ চিন্তাত মূৰটো আগুৰি ধৰিছে। তেতিয়া সবখিনি বাদ দি আকৌ যেতিয়া কিতাপৰ ফালে চালো কথাবোৰ মনত নপৰা হৈছে আগতে আয়ত্ত কৰা পাঠ্যসমূহৰ ওপৰতে চকু ফুৰাব খুজি দেখিলো যে এইবোৰেও দেখোন মোক বিশ্বাসঘাতকতা কৰিবলৈ লৈছে। তাৰ পিছত ভাবিলো চুবুৰীয়াৰে সঙ্গী অনিতাৰ ঘৰলৈ গ'লো। তাইৰ ঘৰত যোৱাৰ সময়ত জগন্নাথদাৰ লগত দেখা হ'ল। জগন্নাথদাই প্ৰথমে মাত লগাই পঢ়া-শুনা কেনে ধৰণৰ হৈছে বুলি সোধাত নিজৰ সমস্যাখিনি ক'লো। জগন্নাথদাই ক'লে, "তুমি পৰীক্ষাক লৈ অযথা ভয় খাইছা"। পৰীক্ষাৰ বিষয়টো তুমি সহজভাৱে লোৱা আৰু নিজক স্বাভাৱিক অৱস্থালৈ ঘূৰাই আনা। জগন্নাথদাৰ আনি পঢ়াৰ মেজত বহিলো। পাঠত মন বহিল আৰু লগে লগে মই সকলো পাঠ শেষ কৰিবলৈ ধৰিলো। গভীৰ মনোযোগেৰে আগদিনা হ'ব লগা পৰীক্ষাৰ ভয় ভালেখিনি কমিল। পৰীক্ষাত অহা সকলো প্ৰশ্নৰে সন্মুখীন হ'ব পাৰিম বুলি মনলৈ বল আহিল। এনেকৈ মানসিক উদ্বেগৰপৰা মুক্ত হৈ স্বাভাৱিক অৱস্থাৰ মাজেদি পৰীক্ষাসমূহৰ সন্মুখীন হৈ সাফল্য লাভ কৰিছিলো।

পৰীক্ষাত যিয়ে যি ধৰণৰ সাফল্যই লাভ নকৰক কিয়, নিজৰ অভিজ্ঞতাৰে এটা কথা কব পাৰোঁ যে পৰীক্ষাৰ আগদিনাখনৰ দিনটো সকলো পৰীক্ষাৰ্থীৰ বাবেই এটা অস্থিৰতা আৰু উদ্বিগ্নতাৰ দিন। ভয়, সন্দেহ, সংকোচ আৱৰি ৰখা দিন। মাথোঁ ছাত্ৰ-ছাত্ৰীৰ মেধাশক্তিৰ পাৰ্থক্য অনুযায়ী মানসিক অস্থিৰতা আৰু উদ্বিগ্নতা সকলোৰে সমান মাত্ৰৰ নহয়। মেধাবী ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষা সংক্ৰান্তীয় অস্থিৰতা আৰু উদ্বিগ্নতা মাথোঁ পৰীক্ষাত কৃতকাৰ্য হোৱাটোৱে নহয়, তেওঁলোকে কিমান ভালদৰে কৃতকাৰ্য হ'ব পাৰে তাকেলৈহে এই অস্থিৰতা আৰু উদ্বিগ্নতাই মনত খোপনি পাতে। সাধাৰণ মানদণ্ডৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মাথোঁ যিকোনো মতে চুঁচৰি বাগৰি পাচ কৰিলেই হ'ল বুলি ভাবে। ভুক্তভোগীৰ বাহিৰে আনৰ পক্ষে পৰীক্ষাৰ আগদিনাখনৰ মানসিক অৱস্থাৰ কথা উপলব্ধি কৰা কঠিন ।

## মানৱতা

ললিতা ডেকা
স্নাতক ষষ্ঠ ষাণ্মাসিক

মানৱতা সুৰত আজি বাজি উঠে
জগতৰ সমূহীয়া মানুহৰ প্ৰাণ
আছেনে ? সেই মানৱতা, নাই য'ত হিংস্ৰতাৰ পৰিচয়
আছে কেৱল মানৱতা ।
মানৱতাই আনি দিয়ে, নিচলা প্ৰাণীৰ উদ্দীপ্ত আনন্দৰ পৰশ
ক'ৰবাত হেৰাই গ'ল নেকি ? সেই মানৱতা,
কিছুৱেতো মানৱতাৰ নামত, কৰে ভণ্ডামি, নিমৰ্ম কাণ্ড,
সেইবুলি আৰু নহব ;
মানৱতাই যে মানুহৰ প্ৰাণসদৃশ
পাহৰি গৈছে নেকি ?
হেৰা ! বৰ্তমানৰ পথিক
আহক আমি সকলোৱে, মানৱতাৰ হকে আগবাঢ়োঁ
সাজু হওঁ, সেই মানৱতাহীন মানুহক, সলনি কৰিবলৈ
আহক আমি সকলোৱে মানৱতাৰ
জয় গান গাওঁ। আহক ....................

## ব্ৰহ্মপুত্ৰ

পম্পী ঘোষ
স্নাতক ষষ্ঠ ষাণ্মাসিক

বাহঃ বাহঃ ইমান ডাঙৰ
ব্ৰহ্মপুত্ৰ নৈ
চাওঁতে লাগিছে ভাগৰ
পাৰ হ'ম কেনেকৈ !
অসংখ্য জলযান যে
সাতুৰি ফুৰিছে,
সোঁতটোৱেও দেখোন
সমুদ্ৰমুখীহে।

বৈ যোৱা অমৃত খিনি
নাহে আকৌ ঘুৰি,
যিখিনি বৈ বৈ সমুদ্ৰত
পৰি গ'ল।
তাৰ ওপৰৰ শৰাইঘাট
নৰনাৰায়ণ সেতু
সদায় চাওঁ যেন লাগে
সৌন্দৰ্য্য তাৰ হেতু।
প্ৰতিবছৰে হৈ থাকে
গৰা খহনীয়া,
বান পানী উঠি কৰে
মাটি পলসুৱা ।
বাহঃ বাহঃ ইমান ডাঙৰ
ব্ৰহ্মপুত্ৰ নৈ
চাওঁতে লাগিছে ভাগৰ
পাৰ হ'ম কেনেকৈ !।



# ভাষা-জননীক ভালপোৱাৰ টানেৰে —

শ্ৰী মঞ্জুলা বড়ো (বৰুৱা)
অসমীয়া বিভাগ

অসম মোৰ ওপজা ঠাই সেউজী -শুৱনি
লালিত-পালিত তাৰে বায়ু পানী সেৱী
অহংত ওফন্দো অতীতৰ অসমক সুমৰি ;

আছিলে লাচিত-মূলা-মণিৰাম কনকলতা
শত-সহস্ৰ নাৰী-পুৰুষ দেশৰ হকে যুঁজা
জয়মতী-কুশলকোঁৱৰ নিৰ্বিৰোধে প্ৰাণ তিয়গা ;

সেই অসমী আইৰ বুকুৰ অসমীয়া ভাষা
চিৰ সুৱদী-সুৱীয়া মধুময় অমৃত শ্ৰৱা
যাৰ জৰিয়তে পালোঁ জীৱন জীয়াৰ ভৰসা ;

শঙ্কৰ-আজান বিষ্ণু-জ্যোতিকো কৰিছে প্ৰাচুৰ্য্যভৰা
নাৰাখি জাতি-ধৰ্ম দেশী-বিদেশী ভেদা-ভেদ অসূয়া
নকলোৱে বা কথা ভূপেনদাৰ খ্যাতি বিশ্ব বিয়পা,

আই অসমী সঁচাই যশোধৰা পয়োধৰা
উৰ্বৰা শস্যশালিনী-শ্যামলীমাৰে আবৰা
তাহানিৰে পৰা নিজগুণে পৰ্য্যটকৰো মনোলোভা ;

সোণাৰুৱুলীয়া নপোন ৰচোঁ অসমীয়াত
স্বৰ্গগত পিতাৰ স'তে আলাপো নিৰলে অসমীয়াত
আই-বাই বন্ধুৰেও নিভৃওতে কথা হওঁ অসমীয়াত ;

সুখ লভোঁ তাকে কৰি আপোন প্ৰাণত
গুণগুণাও গীতৰ কলি আপোন চখত
লিখি প্ৰকাশৰো প্ৰয়াস কৰোঁ শুকুলা কাগজত ;

উপজি কলা কলাকৈ বাঢ়ি শিকোতে কথা ক'বলৈ
আই-পিতাইয়ে শিকালে যি ভাষাৰে ক'বলৈ
সেই ভাষা সৰ্বদায়ে ৰওঁক বৰেণ্য হৈ ;

দেহৰ ৰক্তত হৃদয়ৰ কোঁহত থাকক শিপাই
চন্দ্ৰ-সূৰুযে ধৰাক দগমগে থকালৈ পোহৰাই
মুখে-মুখে জনে-জনে কিতাপৰ পৃষ্ঠা-পৃষ্ঠাই ;

মুঠতে হওঁক জয় জয়কাৰ জয় জয়কাৰ
লালিত্যময় অমৃতশ্ৰৱা আইৰ বুকুৰ ভাষাৰ
চিৰ চেনেহী চিৰ চেনেহী মোৰ প্ৰাণৰ ভাষাৰ ;

ভাষা-জননীক ভালপোৱাৰ টানেৰে
নিজৰি জৰা কলমৰ পৰশেৰে
"ৰংমহলা জেউতিলৈ পৰম চেনেহেৰে — ।

# সেই সুদিন

**অংকুৰ হাজৰিকা**
সহকাৰী অধ্যাপক
ইংৰাজী বিভাগ, লংকা মহাবিদ্যালয়

আলিমুখৰ কেঁকুৰীটোৰ বাঁহগছ জোপাৰ তলত হয়তো বৈ থকা নাই
মোৰ সোণসেৰীয়া শৈশৱ ।
কৃত্রিমতাৰ বিপন্ন প্ৰহৰত তেতিয়াৰ পৰা এতিয়ালৈ
এখন অভেদ্য পকী দেৱাল ।

কেতিয়াবা হাবিয়াহ জাগে
হাফনেস্টত লাগি অহা বনগুটি বোকৰ কথা উনুকিয়াবলৈ !
ফিল্টাৰ নকৰা পানীৰ বটলৰ তলত পৰি ৰোৱা
ওফোন্দি থকা বুটমাহ কেইটামান
আকৌ এবাৰ চোবাবলৈ ।
মাত্র ৫০ পইচাত পোৱা টেঙা মৰ্টনৰ সোৱাদ এবাৰ মুখত ল'বলৈ ।

বৰমুহি ক'লা দাগেৰে ফুল বস্তা
চিলাই মুকলি ফিচিকি যোৱা এটা কামিজ,
চেইন খোল খাই থকা এটা নেভিব্লু হাফ পেন্ট।
ছিগো ছিগো হৈ থকা মোনা এটাৰে
